# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ১৩/০২/২০১৮ মঙলবাৰ

---

**আজি ইংৰাজী ১৩-০২-২০১৮ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮১, শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী নিজানুৰ ৰহমান,গৌৰীপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ দিয়া হৈছে কিন্তু মই এই উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। ইয়াত কাম বোৰ Physically ১০০ শতাংশ দেখুওৱা হৈছে Actually মই Monitoring and Vigilance Committee ৰ Chairman হোৱা হেতুকে কাম বোৰ ফিল্ডত enquiry কৰাৰ বাবে গৈছিলো। তাত 20%, 15%, 10% এনেকুৱা কাম হৈছে। বাকী সমুদায় ধন আত্মসাৎ কৰা হৈছে, এইটো মই দৃঢ়তাৰে কব পাৰো। এই কাম বিলাকৰ এটা উচ্চ পৰ্য্যায়ত তদন্ত হব লাগে। মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ পৰা আশ্বাস বিচাৰিছো।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি প্ৰশ্ন উত্থাপন কৰিছে, এই গোটেই বিষয়খিনি বি টি চি কৰ্তৃপক্ষৰ বিষয় কাৰণে পুঁজি তেখেত সকল ৰ, আঁচনি তেখেত সকলে লৈছে। মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নটো ইয়াত আপোনাৰ জৰিয়তে উত্থাপন কৰাৰ বাবে আমি বিভাগে উত্তৰ সমূহ তেখেতক অৱগত কৰিছো। যিহেতু তেখেতে কাম-কাজৰ ক্ষেত্ৰত এটা বিষয় উপস্থাপন কৰিছে, এই বিষয়টো আমি আমাৰ ফালৰ পৰা নিশ্চয় চোৱাৰ ব্যৱস্থা কৰিম।

**শ্ৰী নিজানুৰ ৰহমান,গৌৰীপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি টি চি অঞ্চল হোৱা কাৰণে আমি তাত দুৰ্নীতি কৰাৰ বাবে ৰাস্তা মুকলি কৰি দিম নেকি? নিশ্চয় নিদিও।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে সেই কথাটো কোৱা নাই, তেখেতে শেষত কি কৈছে আপুনি হয়তো ভালকৈ ধৰিব নোৱাৰিলে। তেখেতে কৈছে, যিহেতু আপুনি কথাটো উত্থাপন কৰিছে তেখেতে তেওঁলোকৰ লগত বিষয়টো পৰীক্ষা কৰিব, তেওঁলোকৰ লগত আলোচনা কৰিব। বি টি চি কৰ্তৃপক্ষৰ লগত আলোচনা কৰিব লাগিব, ডাইৰেক্টটো একো কৰিব নোৱাৰে, সেইটোৱে কৈছে। তেখেতে এইটো পৰীক্ষা কৰিম বুলি কৈছে।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰীপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, মই জানো তেখেতে বিধায়ক হোৱাৰ আগৰে পৰা ২০১৫-১৬ আৰু ২০১৬-১৭ ৰ, তেখেতক মই দোষ দিব বিচৰা নাই। তলৰ পৰ্য্যায়ৰ এ ই, জে ই আৰু বি ডি অ' বিলাকে মিলি আৰু কিছুমান ঠিকাদাৰে মিলি এই সমুদায় টকাখিনি আত্মসাৎ কৰিছে। ইমান কোটি টকা তাত কেলেংকাৰি কৰিছে বাবে সম্পূৰ্ণভাৱে তদন্ত হব লাগে। এইটো enquiry হ'বই লাগিব। এইটোৰ আশ্বাস সদনত মন্ত্ৰী মহোদয়ে দিব লাগিব।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এই সকলো আঁচনি সমূহ বা পুঁজি বি টি চি ৰ কৰ্তৃপক্ষৰ বিষয়, যিহেতুকে মাননীয় সদস্য গৰাকীয়ে কথাটো উত্থাপন কৰিছে। মই

আকৌ এই কথাটো দোহাৰিছোঁ যে বিষয়টো আমি আমাৰ বিভাগৰ ফালৰ পৰাও উচিত ভাৱে চোৱাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** উচিত ভাৱে চোৱাৰ চিন্তা কৰিব। ধন্যবাদ।

**শ্ৰী নজৰুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো যদিও ইয়াৰ লগত জড়িত নহয় তথাপিও অনুগ্ৰহ কৰি অনুমতি বিচাৰিছোঁ, জব কাৰ্ড সন্দৰ্ভত।

**মাননায় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক প্ৰথমতে।

**শ্ৰী নজৰুল হক, ধুবুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গোটেই অসমতে ধুবুৰী জিলাত বিশেষকৈ জবকাৰ্ডত যোৱা ডেৰ বছৰ ধৰি আবেদন কৰা হৈছে, তৎস্বত্বেও জবকাৰ্ড দিব পৰা নাই। ব্লকৰ পৰাও আৰু জিলা পৰিষদৰ পৰাও কৈছে যে এইটো CPRT য়ে Contingency লয়, গতিকে জবকাৰ্ডটো তেখেতে Supply দিব। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছোঁ। জবকাৰ্ড দিব পৰা নাই, Supply নাই।

**মাননীয় অধ্যক্ষ ঃ** জবকাৰ্ড । তাতকৈ আৰু বেছি নহ'বদেই। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে জবকাৰ্ড প্ৰিনটিঙৰ সম্বন্ধে বিভিন্ন জিলা সমূহে এতিয়ালৈকে আমাৰ কমিচনাৰলৈ Requisition পঠিয়াছে আৰু ইতিমধ্যে আমি পৰামৰ্শ আগবঢ়াইছোঁ আৰু যি সমূহ জিলাৰ জবকাৰ্ডৰ এনেধৰণৰ Shortage হৈছে তেখেত সকলৰ বাবে printing ৰ কাৰণে আমি পৰামৰ্শ আগবঢ়াইছোঁ। কম দিনৰ ভিতৰতে এইখিনি পাব।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Next question no 82, Abdul Khaleque.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যথেষ্ট গুৰুত্বপূৰ্ণ আৰু কেইবাটাও দিশ আছে, কিন্তু সময় যিহেতু কম, মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমানৰ চৰকাৰে দশম শ্ৰেণীলৈকে বিনামূলীয়া পাঠ্যপুথি দিছে, এইটো ঠিকেই আছে। এতিয়া চৰকাৰে বিশ্ববিদ্যালয়ৰ পৰ্য্যয়াৰলৈকে বিনামূলীয়া পাঠ্যপুথি দিবলৈ বিচাৰিছে, বিনামূলীয়া পাঠ্যপুথি দিয়াটো ভাল কথা। কিন্তু একে সময়তে এই কথাও চাব লাগিব যে বিনামূলীয়া পাঠ্যপুথি দিয়ক, কিন্তু এসময়ত নগৰ অঞ্চল সমূহত প্ৰাইভেট স্কুল সমূহ আছিল, এতিয়া কিন্তু গাওঁ অঞ্চল সমূহটো প্ৰাইভেট স্কুল সমূহ সোমাই গ'ল, জাতীয় বিদ্যালয় প্ৰতিষ্ঠা হ'ল, ইংৰাজী মাধ্যমৰ স্কুল প্ৰতিষ্ঠা হ'ল তাতে কিন্তু বিনামূলীয়া পাঠ্যপুথি দিয়া নহয়, কিন্তু এতিয়া যদি কোনোবা সংস্থাই পৰিসংখ্যা উলিয়াই কোনোবা সংস্থাই যদি জৰিপ কৰে চাব যে ভয়ানক ভাৱে চৰকাৰী বিদ্যালয় সমূহৰ Enrollment কমি গৈছে আৰু প্ৰাইভেট স্কুল সমূহৰ Enrollment বাঢ়ি গৈছে। সেই কাৰণে অকল বিনামূলীয়া পাঠ্যপুথিৰে কিন্তু আমি শিক্ষাৰ মান উন্নত কৰিব নোৱাৰোঁ। সেই কাৰণে সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা আৰু ৰাজ্যৰ কিছু বুদ্ধিজীৱিয়ে দশম শ্ৰেণীৰ পিছত তেওঁলোকে পৰামৰ্শ আগবঢ়াইছে, চৰকাৰকো স্মাৰক পত্ৰ দিছে, মুখ্যমন্ত্ৰী মহোদয়কো দিছে, সম্ভৱত আপোনাকো দিছে । দিছে নে মই নাজানো তেওঁলোকে দিয়াৰ কথা। গতিকে চৰকাৰে এই কথাটো বিবেচনা কৰিব নেকি যে বিনামূলীয়া পাঠ্যপুথিৰ সলনি কলেজ পৰ্য্যায়ত বা বিশ্ববিদ্যালয় পৰ্য্যায়ত দুখীয়া যিসকল লৰা-ছোৱালী, যি সকলে ফিজ দিয়ে, তেওঁলোকৰ Reimbursement ৰ ব্যৱস্থা কৰিব নেকি? কাৰণ তাত বহুত ধনী লৰা-ছোৱালী আছে। সেই ধনী ল'ৰা-ছোৱালী খিনিক চৰকাৰে দিয়াৰ কথা নাই। 'দৈনিক জনমভূমি' কাকতত ২৩ জানুৱাৰীত এটা বাতৰি প্ৰকাশ কৰিছে প্ৰধান মন্ত্ৰীক উদ্ধৃত কৰি। বাজেট সম্পৰ্কে প্ৰধান মন্ত্ৰীয়ে

কৈছে যে জনসাধৰণে এখন নিষ্ঠাবান চৰকাৰ বিচাৰে, জনসাধাৰণে ৰেহাই বা বিনামূলীয়া সামগ্ৰী নিবিচাৰে। আমি এইবোৰ কথাত একমত নহয়, কিন্তু প্ৰধান মন্ত্ৰীয়ে ক'ত কৰিছে, কিন্তু চৰকাৰৰ দৃষ্টিভঙ্গী আৰু প্ৰধান মন্ত্ৰীৰ দৃষ্টিভঙ্গীৰ মাজত ক'ৰবাত পাৰ্থক্য দেখা গৈছে অধ্যক্ষ মহোদয়, সেইকাৰণে সেই কথাটো মই চৰকাৰৰ পৰা জানিব বিচাৰিছো। দেখা গৈছে যে বিনামূলীয়া পাঠ্যপুথি সমূহৰ দায়িত্ব পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগম আৰু ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিক অৰ্পণ কৰিছে, ভাল কথা। কিন্তু, এই পাঠ্যপুথি সমূহ ব্যক্তিগত প্ৰতিষ্ঠানত ছপাবলৈ দিয়া হৈছে। এতিয়া মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ব্যক্তিগত প্ৰতিষ্ঠান সমূহক ছপাবলৈ দিয়া হ'ল সেই ছপাবলৈ দিয়াৰ সময়ত নিবিদা আহ্বান কৰা হৈছিল নেকি? আৰু নিবিদা আহ্বান কৰিলে কিমান ছপা প্ৰতিষ্ঠানে নিবিদা দাখিল কৰিছিল তেওঁলোকক কিমান ৰেট ত দিয়া হ'ল, নিবিদাৰ ৰেট কিমান আছিল এই গোটেই খিনি কথা মাননীয় অধ্যক্ষ মহোদয় সদনক মন্ত্ৰী মহোদয়ে জনাব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আচলতে বিনামূলীয়া যি পাঠ্যপুথি যোগান ধৰা হৈছে, ইয়াৰ লাভ যথেষ্ট পৰিমাণে আছে। এই কাৰণে লাভ আছে যে আজি শিক্ষাৰ মানদণ্ডৰ কথা আমাৰ মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়াই কৈছে আৰু আজি গাওঁ অঞ্চলত বিশেষকৈ দেখা যায় আৰু নগৰ অঞ্চলটো যি সকল দুখীয়া পৰিয়াল, আজি কিছু পৰিয়ালে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী সমূহক নিজৰ কিতাপ পত্ৰ যোগান ধৰিব নোৱাৰ বাবে আধা অৱস্থাতে তেওঁলোকৰ শিক্ষা জীৱন শেষ কৰিব লগীয়া হয়। এতিয়া বিনামূলীয়া পাঠ্যপুথি দিয়া বাবে তেওঁলোকে অতি কমেও দশম মান শ্ৰেণীলৈ পঢ়িবলৈ এটা সুযোগ পাইছে। একাদশ, দ্বাদশ বা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ পৰ্য্যায়ক্ৰমে চৰকাৰে বিবেচনা কৰি আছে যাতে বিনামূলীয়া পাঠ্যপুথি দিব পৰা যায়। গতিকে আমাৰ গোটেই উদ্দেশ্যটো হ'ল যে সকলোৰে বাবে শিক্ষা, আমাৰ যিটো concept এই concept টো বাস্তৱায়িত কৰাৰ কাৰণে এনেকুৱা বিনামূলীয়া পাঠ্যপুথি যোগান ধৰিছোঁ। আজি এটা কথা কওঁ আমি কোনোদিন প্ৰাইভেট স্কুলত পঢ়া নাই। আমি সকৰে পৰা চৰকাৰী স্কুলত পঢ়ি আহিছো। এতিয়া কিছুমানৰ যি সকলৰ পইচা আছে তেওঁলোকে প্ৰাইভেট স্কুলত পঢ়াব পাৰে। যি সকলৰ পইচা নাই তেওঁলোকে নোৱাৰে আৰু তেওঁলোকে পাঠ্যপুথিৰ অভাৱত যিখিনি পাঠদান ল'ব লাগে লব নোৱাৰে। এতিয়া সৰ্বশিক্ষা মিচন আহিল, সৰ্বশিক্ষা মিচনে আমাৰ সৰ্বশিক্ষা মিছনে ইতিমধ্যে বিল্ডিংবিলাক ধুনীয়া কৰি দিলে। শিক্ষাত ট্ৰেনিঙৰ ব্যৱস্থা কৰি দিলে আৰু এইবাৰ গুণোৎসৱো পাতিলে। গুণোৎসৱ পতাৰ লগে-লগে আমাৰ যিসকল মাননীয় সদস্য আৰু অফিচাৰ সকল গ'ল,শিক্ষাৰ গুনগত মানদণ্ডটো চৰকাৰী বিদ্যালয়ত দেখিবলৈ পালে আৰু তাতকৈ ডাঙৰ কথা হ'ল মই নিজে যিখন স্কুলত গৈছিলো তাৰ কাষত এখন ককৈয়া বুলি হাইস্কুল আছে, ককৈয়া বুলি এখন প্ৰাইভেট স্কুল আছে। তেওঁলোকৰ প্ৰাইভেট স্কুলখন বন্ধ হ'ল আৰু চৰকাৰী বিদ্যালয়লৈ আহিছে যিটো এটা ভাল খবৰ। মই আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক লগ পাওঁতে কৈছো যে গুণোৎসৱত গৈ মোৰ এটা নতুন অভিজ্ঞতা হৈছে। কাৰণ মোৰো মনত এটা বহুত দিনৰ পৰা দুখ আছিল।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোৰ উত্তৰ যিমান পাৰে চমু কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** মোৰো মনত দুখ আছিলে যে, আমাৰ প্ৰাইভেট স্কুলবিলাকে বহুত ভাল ৰিজাল্ট কৰে কিন্তু আমাৰ স্কুলখনে ভাল ৰিজাল্ট কৰিব পৰা নাই। মই গুণোৎসৱত গৈ দেখিছো আৰু ছাত্ৰ-ছাত্ৰী সকলৰ লগত বাৰ্তালাপ কৰিছো, শিক্ষকৰ লগত যেতিয়া বাৰ্তালাপ কৰিছো, তেতিয়া দেখা গৈছে যে চৰকাৰী স্কুলৰ যি মানদণ্ড সেইটো ঠিকে আছে। ক'ৰবাত হয়তো কিবা

কেৰণ আছিল  কিন্তু গুণোৎসৱে এটা নতুন পথ দেখুৱাই দিছে। এতিয়া আমাৰ 'ক' শ্ৰেণীৰ পৰা 'দশম' মান শ্ৰেণীলৈ  ৫৩ লাখ ছাত্ৰ-ছাত্ৰী আছে। ৫৩ লাখ ছাত্ৰ-ছাত্ৰীৰ সকলো অভিভাৱকেই তেওঁলোকক কিতাপ যোগান ধৰিব নোৱাৰে। গতিকে পাঠ্যপুথি যোগান ধৰাতো  বেয়া হোৱা নাই। ইয়াৰ জৰিয়তে সকলোৰে বাবে শিক্ষা উপলব্ধ হ'ব আৰু দ্বিতীয় কথা পাঠ্যপুথি সমূহ চপাবলৈ ইতিমধ্যে আমি দায়িত্ব অৰ্পণ কৰিছো অসম পাঠ্যপুথি  প্ৰণয়ন আৰু  প্ৰকাশন পৰিষদ  লিমিটেড আৰু অসম ৰাষ্ট্ৰভাষা সমিতিক তেওঁলোকৰ নিজা ছপাশাল নাই। গতিকে তেওঁলোকে এইটো টেণ্ডাৰ কৰিছে। টেণ্ডাৰ কৰি যিসকলে  ভাল ৰেট ষ্টেণ্ড কৰিছে,সেইমতেই তেওঁলোকক দিছে। কাৰণ এই তিনিটা অৰ্গেনাইজেচনৰ নিজা ইমান ডাঙৰ ছপাশাল নাই যে, তেওঁলোকে ইমান কিতাপ যোগান ধৰিব পাৰিব। গতিকে ব্যক্তিগত খণ্ডত টেণ্ডাৰ কৰি এই তিনিটা নিগমে কৰিছে। কিন্তু আমি চৰকাৰে ডাইৰেক্টলি এইটো টেণ্ডাৰ কৰা নাই। এইটো আমি তিনিটা নিগমক দিছো্ আৰু এই চৰকাৰী তিনিটা নিগমে নিবিদা কৰি With all transparancy কামটো কৰিছে।

**শ্ৰী আব্দুল খালেক,জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়,  বিনামুলীয়া  পাঠ্যপুথিৰ আমি  বিৰোধী নহয় আৰু সকলোৰে বাবে  শিক্ষা যিটো আমি সেইটোৰো বিৰোধী নহয়। কিন্তু একে সময়তে সমগ্ৰ পৃথিবী দ্ৰুত গতিত আগবাঢ়ি আছে। গতিকে সকলোৰে বাবে  আমি গুনগত শিক্ষাৰ কথা  ভাবিব লাগিব। আমাৰ এতিয়াও বেলেগৰ কথা মই নাজানো কিন্তু  মোৰ সমষ্টিত হাইস্কুল বিলাকত কমেও চাৰি পাচঁটা শিক্ষকৰ পদ খালী আছে।

**মাননীয় অধ্যক্ষ ঃ**  আপুনি এক মিনিট ৰখক। আমি ইডুকেচনত এইবাৰ বিধানসভাত দুদিনকৈ আলোচনাৰ বাবে ৰাখিছো। গতিকে মই মন্ত্ৰী ডাঙৰীয়া আৰু  আপোনালোক  দুজনকে কৈছো অলপ চমু কৰিবলৈ। গতিকে পইণ্টত আহক।

**শ্ৰী আব্দুল খালেক,জনীয়া ঃ** মই পইণ্ট লৈ আহি আছো ।অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক কৈছিলো যে, দশমমান  শ্ৰেণীলৈ ঠিকে আছে। পিছত আমি Reimbursement ৰ ব্যৱস্থা কৰিব পাৰো নেকি? টেণ্ডাৰৰ কথা যিটো কৈছিলো , টেণ্ডাৰৰ ডিটেইলছ্‌টো সদনত জনালে ভাল হয়,আৰু অধ্যক্ষ মহোদয়,  আপোনাৰ জৰিয়তে এই সম্পৰ্কে বুদ্ধিজীৱি সকলে মুখ্যমন্ত্ৰী  ডাঙৰীয়ালৈ লিখা  পত্ৰ আৰু কিছু পৰামৰ্শ , মেঘালয় চৰকাৰে কি কৰিছে, বিহাৰ চৰকাৰে কি কৰিছে এইখিনি তথ্য মই আপোনাক জনাব বিচাৰিছো। অধ্যক্ষ মহোদয়,  আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা  জানিব বিচাৰিছো  শ্ৰী মন্ত শংকৰদেৱ শিশু নিকেতনত , জাতীয় বিদ্যালয়ত যিটো  শিক্ষাৰ গুনগত মানদণ্ডৰ কথা তেওঁ কৈছে, এইবোৰত কিন্তু  বিনামুলীয়া পাঠ্যপুথি যোগান ধৰা নাই, তৎস্বতেও তেখেত সকলৰ ৰিজাল্ট ভাল হৈছে। সেইকাৰণে এই কথাটো চৰকাৰে  বিবেচনা কৰিব লাগে আৰু অধ্যক্ষ মহোদয়, অন্তত ঐশ্বিক পাঠ্যপুথি  যিখিনি থাকে  সেইখিনি যদি বিভিন্ন প্ৰতিষ্ঠানৰ পৰা  সংগ্ৰহ কৰে, এটা মনোগামী হয়। এতিয়া যদি অকল পাঠ্যপুথি প্ৰকাশন আৰু ৰাষ্টভাষা প্ৰচাৰ সমিতিয়ে যদি এইটো চপায়।

**মাননীয় অধ্যক্ষ ঃ** You cannot discuss this  things.you will get ample opportunity. তেনেকে কলে  সকলোৱে কব।You must set an example how to put questions.মন্ত্ৰী ডাঙৰীয়া, তেখেতৰ স্পেচিফিকটো হৈছে আফটাৰ মেট্ৰিক  আমি যিখিনি পাঠ্যপুথি দিয়াৰ কথা কৈছো সকলোকে নিদি অকল  দুখীয়াখিনিক দি পাছত তেওঁলোকক কিতাপৰ মুল্যটো ঘুৰাই দিব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে এটা নীতি দিছে যে, আমি বিনামুলীয়া পাঠ্যপুথি দিম। বিনামুলীয়া পাঠ্যপুথি দিলে যিখিনি দুখীয়া লৰা-ছোৱালী আছে বুলি কৈছে, আফটাৰ মেট্ৰিক বা আফটাৰ হায়াৰছেকোণ্ডাৰীতেওঁলোকক পইচাটো Reimburse কৰাৰ কথা কৈছে। কিন্তু পইচা দিয়াতকৈ তেওঁলোকক কিতাপখন দিয়াততো কতো ক্ষতি নাই। ক্ষতিটো মোক বুজাই দিয়কচোন।

**শ্ৰী আব্দুল খালেক,জনীয়া ঃ** অধ্যক্ষ মহোদয়, এই যে টেণ্ডাৰ কৰিছে, গোটেই পাঠ্যপুথি সমূহ যদি চেন্টেলি চপাই ইয়াতেই বহু কথা সোমাই পৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমি যিহেতু বিনামুলীয়া পাঠ্যপুথি দিয়াৰ সিদ্ধা ন্ত লৈছো, কিতাপ দিলে কি লোকচান আছে?

**শ্ৰী আব্দুল খালেক,জনীয়া ঃ** Reimbursement কৰিলে চৰকাৰৰ বহুত পইচা বাচিব অধ্যক্ষ মহোদয়।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা,পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মিত্ৰজোটৰ চৰকাৰখনে বিশ্ববিদ্যালয় পৰ্য্যন্ত যি বিনামুলীয়া পাঠ্যপুথি দিয়াৰ সিদ্ধান্ত লৈছে এইটো এটা ভাল সিদ্ধান্ত হৈছে। মই ধন্যবাদ জনাইছো। কিন্তু অধ্যক্ষ মহোদয়, এটা মাত্ৰ মোৰ অনুৰোধ আছে যে, ইতিমধ্যে সদৌ অসম বিক্ৰেতা আৰু প্ৰকাশন সন্থাই এটা অনুৰোধ কৰিছে। ডাইৰেক্টিলি যিটো চৰকাৰী প্ৰতিষ্ঠান আছে তাত দিয়াটো বেয়া পোৱা নাই কিয়নো আমাৰ যিবিলাক বিক্ৰেতা সন্থাৰ লগত জড়িত দোকানী আছে বা যিসকলে প্ৰকাশ কৰি আছে এই সকলোবিলাক আমাৰ খিলঞ্জীয়া অসমীয়া মানুহ। যদি এই ব্যৱস্থাটোত তেওঁলোককো সাঙুৰি লোৱা নাযায়, কিবা এটা পাৰ্চেনটেজ তেওঁলোকৰ কাৰণেও ৰাখি যিটো প্ৰকাশন পৰিষদ বা আমাৰ ৰাষ্ট্ৰভাষা সমিতিক যিটো ৰেটত দিব, সেই ৰেটতেই যিবোৰ আমাৰ ব্যক্তিগত প্ৰতিষ্ঠানবিলাক জীয়াই থকাৰ স্বাৰ্থত কিবা এটা পাৰ্চেনটেজ দিয়াৰ ব্যৱস্থা ল'ব নেকি ? মোৰ এইটো এটা অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় কলিতা ডাঙৰীয়াক মই প্ৰশ্নটোৰ বাবে ধন্যবাদ দিছো আৰু তেখেতে কৈছে যে বিনামুলীয়া পাঠ্যপুথিটো তেখেতে আদৰণি জনাইছে কংগ্ৰেছে যদিও বিৰোধিতা কৰিছে। গতিকে তেখেতক মই ধন্যবাদ জনাইছো।

**শ্ৰী ৰাজেদ আলী চৌধুৰী,দক্ষিণ শালমৰা ঃ** কংগ্ৰেছে বিৰোধিতা কৰা নাই।--- (হুলুস্থুল)---
কংগ্ৰেছে বিনামুলীয়া পাঠ্যপুথি দিয়াৰ বিৰোধীতা কৰা নাই।--- (হুলুস্থুল)---

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** আমাৰ ৰমেন কলিতা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, এই প্ৰশ্নটোৰ ক্ষেত্ৰত আমি এটা কথা কওঁ যে আমাৰ যিখিনি বিক্ৰেতা, তেওঁলোকৰ ক্ষেত্ৰত আমাৰ খালেক ডাঙৰীয়াইও এটা প্ৰশ্ন আনিছে। কিন্তু আমাৰ মাত্ৰ ৫ টা core subject হে বিনামূলীয়াকৈ দিয়া হ'ব। বাকীখিনি বিক্ৰেতা সকলে নিজে print কৰি বিক্ৰী কৰিব পাৰে। অধ্যক্ষ ডাঙৰীয়া, ছাত্ৰ-ছাত্ৰী সকলক কিতাপ কিনাৰ বাবে যি reimbursement বা বিক্ৰেতা সকলৰ কথা আছে, এই ক্ষেত্ৰত যদি আমি পইচাটো প্ৰথমতে দি দিওঁ তেনেহ'লে ছাত্ৰ-ছাত্ৰী সকলে বিনামূলীয়াকৈ admission পাব। গতিকে ছাত্ৰ-ছাত্ৰী সকলে reimbursement পাবলৈ হ'লে bank account ৰ দৰকাৰ হ'ব। Bank account নহ'লে পইচা পোৱাত পলম হ'ব আৰু পইচা পোৱাত পলম হ'লে সময় মতে কিতাপ কিনিব নোৱাৰিব। অধ্যক্ষ ডাঙৰীয়া, যি সকল ছাত্ৰ-ছাত্ৰীয়ে মেডিকেল, ইঞ্জিনীয়াৰিং, স্নাতকোত্তৰ ডিগ্ৰী পঢ়িব তেখেতসকলে নিজৰপাঠ্যপুথিৰ উপৰিও

আৰু বহুতো কিতাপ পঢ়িব লগীয়া হয়।

**শ্ৰী আব্দুল খালেক, (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো বিশ্ববিদ্যালয় পৰ্যায়লৈকে বিনামূলীয়া কৰাৰ কথা কৈছে, সেইটো হ'লে মেডিকেল, ইঞ্জিনীয়াৰিং আদি সকলোতে বিনামূলীয়া পাঠ্য-পুথিৰ ব্যৱস্থা কৰিব লাগিব। সেইকাৰণে reimbursement ৰ কথা কৈছো।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** I have told you that two days will be devoted to discuss all the details of Education Department. Why can't you take patience?

Next, Question No. 83. মন্ত্ৰী ডাঙৰীয়া, এই প্ৰশ্নটো সৰুক্ষেত্ৰী সমষ্টিৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ অন্তৰ্গত ভত্তৰডবাত কংগ্ৰেছ চৰকাৰৰ দিনত এতিয়াৰ বিজেপি চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ৮ ডিচেম্বৰ, ২০১০ চনত আদৰ্শ চিকিৎসালয় খনৰ যি আধাৰশিলা স্থাপন কৰিছিল, সেই আধাৰ শিলা স্থাপন কৰাৰ পিছত আদৰ্শ চিকিৎসালয় খনৰ আন্তঃগাঁথনিৰ কামৰ লগতে তাত ডাক্তৰ, নাৰ্চ, আৰু কৰ্মচাৰী গোটেইখিনিকে তাত নিযুক্তি দিয়া হৈছে। মই বিধায়ক হোৱা সময় চোৱাৰে পৰা আজি পৰ্যন্ত ৩ বাৰকৈ মই এই প্ৰশ্নৰ উত্থাপন কৰি আহিছো আৰু মন্ত্ৰী মহহোদয়েও সদায়ে চিকিৎসালয়খন অতি সোনকালে মুকলি কৰা হ'ব বুলি কথা দি আহিছে। কিন্তু আজি পৰ্য্যন্ত মুকলি কৰা নাই। এই সন্দৰ্ভত মই ব্যক্তিগত ভাৱে তেওঁক তেওঁৰ কাৰ্যালয়তো লগ কৰিছো কিন্তু, তেওঁ সদায়েই কৰিম কৰিম বুলি কথা দিয়ে। আজি যিহেতু স্বাস্থ্য মন্ত্ৰী সদনত নাই আৰু তেওঁৰ তৰফৰ পৰা মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াই উত্তৰ দি আছে। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাৱে জানিব বিচাৰিছো যে কোন তাৰিখে এই আদৰ্শ চিকিৎসালয় খন কেতিয়া মুকলি কৰিব ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এই আদৰ্শ চিকিৎসালয়খনৰ কাম সম্পূৰ্ণ হৈছে আৰু তাত নাৰ্চ, ডাক্তৰ আৰু paramedical staff নিযুক্তি দিয়া হৈছে। মাননীয় সদস্য গৰাকীক এটা কথা কওঁ যে, এই চিকিৎসালয়খনক এই কাৰণে এতিয়ালৈ মুকলি কৰা হোৱা নাই কাৰণ তাত যিবোৰ প্ৰয়োজনীয় সামগ্ৰী যেনে, X-Ray Machine, Laboratory ৰ সা-সৰঞ্জাম, Pathology ৰ কাৰণে machines & equipments, Radiology ৰ কাৰণে equipments ইত্যাদি কিনাৰ বাবে ইতিমধ্যে process কৰা হৈছে। যিদিনাখন আদৰ্শ চিকিৎসালয়খনৰ লগতে অসমৰ সম্পূৰ্ণ হোৱা চিকিৎসালয়ৰ বাবে এই সামগ্ৰী বোৰ কিনা হ'ব, সেইদিনাই আদৰ্শ চিকিৎসালয়খন জিলা খনৰ গ্ৰাম্য অঞ্চলৰ first full-fledged reference centre হিচাপে গণ্য কৰা হ'ব। গতিকে প্ৰথম reference centre হিচাপে তাত এটা minimum infrastructure থাকিবই লাগিব। তাত Pathology unit & Radiology unit টো ভাল হ'ব লাগিব, তাত প্ৰসূতি বিভাগৰ ডাক্তৰ, Surgery ৰ ডাক্তৰ, Anasthesia বিভাগৰ ডাক্তৰ থাকিব লাগিব। গতিকে ইয়াত বিভিন্ন বিভাগ সমূহ মিলাই এক composite project হিচাপে কাম কৰিব। তাত যদি machine বা অন্য সামগ্ৰী বোৰ নাথাকে, তেনেহ'লে ই অসুবিধাৰ সৃষ্টি কৰিব। সেইকাৰণে অসমৰ যিমানবোৰ Model Hospital আছে, সেই সকলোৰে বাবে machine আৰু অন্যান্য সামগ্ৰী কিনাৰ বাবে

চৰকাৰে ইতিমধ্যে process কৰি tender কৰিছে। এইটো final হৈ যোৱাৰ লগে লগে আপোনালোকৰ হস্পিতাল খনো খুলিব, সৰ্থেবাৰীত ভাল হস্পিতাল এখনো স্থাপন হ'ব। সেই হস্পিতালখন হোৱাটো মইও বিচাৰিছো কাৰণ মই স্বাস্থ্য মন্ত্ৰী হৈ থকাৰ সময়চোৱাত সেই ৩০ খন বিচনাযুক্ত হস্পিতালৰ বাবে approval দিছিলো, আপুনি নিশ্চয় জানে। গতিকে এইখন সোনকালে মুকলি কৰা হ'ব, আপুনি চিন্তা নকৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই সৰ্থেবাৰীৰ কথা কৈছে, মই তেওঁক ধন্যবাদ দিছো। কিন্তু ভত্তৰডবা আদৰ্শ চিকিৎসালয়খন তেখেতৰ দিনত হোৱা নাছিল। আমাৰ কংগ্ৰেছ চৰকাৰৰ দিনৰ মাননীয় স্বাস্থ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দিনত হৈছিল। তেওঁ সৰ্থেবাৰীৰ কথাওঁ কৈছে তাৰ অৱস্থা একেবাৰে বেয়া। তাত ডাক্তৰ নাই আৰু ইতিমধ্যে তাৰ কাৰণে তেওঁক কেইবা বাৰো কোৱা হৈছে। গতিকে তেওঁ যাতে ইয়াৰ প্ৰতি সু-দৃষ্টি ৰাখে। দ্বিতীয়তে তেওঁ যিখিন উত্তৰ দিছে, সেই উত্তৰ খিনিৰ আৰু বিভাগীয় মন্ত্ৰীৰ উত্তৰৰ লগত কিছু অমিল আছে। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক লগ কৰোতে তেওঁ মাত্ৰ আচবাবৰ কাম বাকী থকা বুলি কৈছিল। তেতিয়া মন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে আপোনালোকৰ স্বাস্থ্য বিভাগত যদি টকাৰ বা পুঁজিৰ নাটনি আছে, তেনেহ'লে বিধায়ক পুঁজিৰ পৰা আচবাবৰ বাবে টকাখিনি দি হ'লেও আপুনি ৰাইজৰ বাবে মুকলি কৰি দিয়ক। তৃতীয়তে, আজিৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে গোটেইখিনি আদৰ্শ চিকিৎসালয়ৰ বাবে এই ব্যৱস্থা একেলগে কৰা হ'ব। কিন্তু, একেলগে আধাৰশিলা স্থাপন কৰা এনেকুৱা অন্য আদৰ্শ চিকিৎসালয়ত মন্ত্ৰী মহোদয়ে ইতিমধ্যে ৰাইজৰ বাবে চিকিৎসা সেৱা মুকলি কৰিছে। কিন্তু এই চিকিৎসা সেৱাৰ পৰা আমাৰ ৰাইজ কি কাৰণে বঞ্চিত হ'ল ? যোৱাকালি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত অংশ লৈ তেওঁ সম অধিকাৰ, সম ভাৱে সকলোকে চাব ইত্যাদি ইমান কথা কৈছে। কিন্তু ইমান দিনে চেষ্টা কৰি আজি মই দুখেৰে কৈছো আৰু জানিব বিচাৰিছো যে কেৱল বিৰোধী বিধায়ক হোৱাৰ বাবেই ভত্তৰডবা আদৰ্শ চিকিৎসালয়খন মুকলি কৰা হোৱা নাই নেকি ? এনেধৰণৰ কথাই আজিৰ তাৰিখত প্ৰশ্নৰ উত্থাপন কৰিছে। আনহাতে, এই চিকিৎসালয়খনত ইতিমধ্যে আন্তঃ গাঁথনিৰ কাম সম্পূৰ্ণ হৈছে। কিন্তু অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হ'ব যে চিকিৎসালয়খনৰ চিকিৎসা ৰাইজৰ বাবে মুকলি কৰি নিদিয়া আগতেই repair-ing ৰ কামৰ বাবে ইতিমধ্যে তাত tender দি কাম কৰা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আবেদন জনাইছো যে এই বিষয়টোত এটা তদন্ত হ'ব লাগে। তাৰোপৰি, মন্ত্ৰী ডাঙৰীয়াই মোক কোৱা কথাখিনিত মই সন্তুষ্ট নহয়। মই স্পষ্ট ভাৱে আপোনাৰ পৰা জানিব বিচাৰো যে যদিহে তাত furniture ৰ বাবে টকাৰ অভাৱ আছে তেনেহ'লে স্বাস্থ্য বিভাগে ৰাজহুৱা ভাৱে ঘোষণা কৰিব লাগে আৰু আজিৰ তাৰিখৰ পৰা কিমান দিনৰ ভিতৰত তেওঁলোকে কাম নকৰিব, কিমান দিনৰ ভিতৰত মুকলি কৰিব, তাৰ স্পষ্টীকৰণ লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আপোনাৰ কথা খিনি গুৰুত্ব দিয়া হ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলৰ সকলোৰে কথা কোৱাৰ অধিকাৰ আছে। কিন্তু অধিকাৰ থাকিল বুলিয়েই আমি যে যিকোনো কথা কম সেইটো নহয়। আপোনালোকে এনেকুৱা কথা নক'ব কাৰণ কালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই team Assam ত আপোনালোকক সোমাই লৈছে বুলি কৈছে। মুখ্যমন্ত্ৰীয়ে মুকলিকৈ বিধান সভাত কোৱাৰ পিছত আপোনালোকে আজি প্ৰশ্নটো আকৌ কিয় উত্থাপন কৰিছে।

..................হুলস্থুল..........................................................

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া আজি সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত যিখন অসম চৰকাৰ চলি আছে এই চৰকাৰ খন ইমান দুৰ্বল নহয় যে বিধায়ক পুঁজিৰ পৰা Hospital চলাব। এনেকুৱা নহয়। ১৮ খন Model Hospital আচবাবৰ বাবে টেণ্ডাৰ কৰা হৈছে। ১৮ খন অকল AIUDF সমষ্টিতে ন'হয় কংগ্ৰেছৰ সমষ্টিটো নাই। BJP ৰ সমষ্টিটো আছে। ৰমেন কলিতাৰ আছে, BPF ৰ আছে, বাইদেউৰ আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া , ১৮ খন হস্পিতাল যিহেতু আছে আমাৰ সদস্য সকলৰো আছে। গতিকে political কেনেকৈ হ'ল, equipments আৰু feerniture ৰ কাৰণে টেণ্ডাৰ কৰিছো আৰু এইখিনি কৰাৰ পিছত আমি Hospital খন মুকলি কৰিম। এইখিনি কথা আপোনালোকক আমি জনালোঁ।

................................হুলস্থুল....................................

গতিকে অধ্যক্ষ মহোদয়, মই আমাৰ সদস্য গৰাকীক আশ্বস্ত কৰিছো ১৮ খন Model Hospital ৰ কাৰণে আমাৰ equipments ৰ কাৰণে টেণ্ডাৰ কৰা হৈছে। এইখিনি হ'ব অলপ মান ধৈৰ্য্য ধৰক। আপোনলোকৰ সমষ্টিবাসী ৰাইজৰ প্ৰতি যিটো concern সেয়া মই খুব ভাল পাইছো। টেণ্ডাৰ কৰিলে অলপ টাইম লাগিব। কিন্তু ১-২ বছৰ যাতে নালাগে। as early as possible এইটো হৈ যাব। আপোনালোকৰ concern ক মই appreciate কৰিছো আৰু মই ভালদৰে উত্তৰ দিছো যে এই সকলোবিলাক হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটো সৰুক্ষেত্ৰীৰ আছিল। কিন্তু বহুতে হাত দাঙিছে। এইটোত সকলোৰে concern. Even ময়ো concern । Modulation মোৰ তাতো হৈছে। গতিকে সদস্য সকলক মই এটাই অনুৰোধ কৰিম যে you give me a notice. Minister এ কেইদিনমান ছুটী লৈছে। তেওঁ আহিলে মই notice দিম। গতিকে এতিয়া প্ৰশ্ন নং ৮৪। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তীয় বছৰৰ জানুৱাৰী মাহ গৈ ফেব্ৰুৱাৰী মাহ পালে আৰু মাত্ৰ ডেৰমাহ পিছতেই বিত্তীয় বছৰটো শেষ হ'ব। যোৱা বছৰৰ যিটো বাজেট হিচাব কৰা হৈছিল, তেতিয়া বিত্ত মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে প্ৰত্যেক তিনিমাহত quarterly review হ'ব। কোন বিভাগত কিমান টকা ৰিলিজ কৰি দিয়া হ'ল আৰু সেইটো কিমান খৰচ কৰা হ'ল। তিনিমাহ পিছে পিছে review কৰি কৰি বাকী Fund মোকলাই দিয়া হ'ব। কিন্তু দেখা গ'ল বিত্তীয় বৰ্ষৰ চাৰে দহ মাহ যোৱাৰ পিছতো এতিয়ালৈকে বিভিন্ন বিভাগত যিটো ধন মোকলাই দিয়া হ'ল সেইটো পুতৌ লগা ছবি। মাননীয় অধ্যক্ষ মহোদয়, Administrative Reform and training Department ত ৭৯ কোটিৰ ভিতৰত ৫ কোটি মোকলাই দিয়া হ'ল মাত্ৰ ৬.৫ শতাংশ। শিক্ষা বিভাগত সকলোতকৈ বেছি মোকলাই দিয়া হৈছে ৭৬ শতাংশ আৰু বাকী Environment and Forest ত ৩২ শতাংশ, Food and Civil Supply ত 31%, Fishery Department ত মাত্ৰ ২৪ শতাংশ আৰু Handloom and Textile ত ৪০ শতাংশ, Panchayat and Rural Development যিটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগত গাওঁ অঞ্চলৰ উন্নয়ন নিৰ্ভৰ কৰে তাত ২৪ শতাংশ এতিয়ালৈকে মোকলাই দিয়া হ'ল আৰু আটাইতকৈ আচৰিত কথা মাননীয় অধ্যক্ষ মহোদয় Public Enterprise Department ত ১ কোটি ৬৪ লাখৰ ভিতৰত মাত্ৰ ৯ লাখ টকা মোকলাই দিয়া হ'ল। ১ শতাংশ টো নহ'লে ০.৬ শতাংশ। মাত্ৰ ডেৰমাহ সময় বাকী আছে। বিত্তমন্ত্ৰী মহোদয়ে যিটো কৈছিল আমি ভাল পাইছিলো যে প্ৰত্যেক বছৰে বাজেট ত যিটো ধন নিৰ্ধাৰণ কৰা হয় সেইটো যদি কোনো বিভাগে

খৰচ কৰিব নোৱাৰে সেই বিভাগৰ ধন দৰকাৰ হ'লে অন্য বিভাগত দিয়া হ'ব। কিন্তু দেখা গ'ল কিছুমান বিভাগত ৰিভিউ ১ শতাংশও কৰা নাই। গতিকে এই বছৰটো যে ১০০ শতাংশ খৰছ হ'ব সেইটো কিন্তু আমি বাকী থকা এই ডেৰমাহত হ'ব বুলি দেখা নাই। গতিকে অতি সোনকালে চৰকাৰে এই কেইদিনৰ ভিতৰত এই বিভাগ বিলাকত ধন মোকলাই দি সোনকালে ত্বৰান্বিত কৰাৰ কিবা পদক্ষেপ আছে নে আগৰ নিচিনা এনেকুৱা traditional হৈ আছে এই কথাটো মই চৰকাৰৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister .

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে কিছু কিছু বিভাগত আমাৰ ধন, ceiling মোকলাই দিয়াত percentage কম হৈছে, কিছু কিছু বিভাগত বেছি হৈছে। আজিকালি যিহেতু গোটেই ব্যৱস্থাটো computerise হৈছে, online হৈছে । computerise হোৱাৰ বাবে আজিকালি বহুতো পইচা DDO লৈকে গুছি যায়। কোনোবা এটা Directorate ৰ অধীনত যিটো কাম থাকে, ধৰক লক্ষীমপুৰৰ কামটো আছে, গতিকে লক্ষীমপুৰৰ যিজন Drawing & Disbursement Officer তেওঁলোকৰ তাত পইচাটো যায়। অকল বিভাগলৈ মেছেজ এটা আহে। আগতে মাৰ্চ মাহত সকলো জিলাৰ বিষয়া বিলাক আহি দিছপুৰত বহি থাকিব লাগে। আগতে মাইকত announce কৰা system আছিল। কিন্তু আজি মাইকৰ পৰা আহি এটা button টিপিলেই বিত্ত বিভাগৰ প্ৰত্যেক জিলাৰ পইচা প্ৰত্যেক জিলালৈ যোৱাৰ ব্যৱস্থা হৈছে। গতিকে ইয়াত নিশ্চয় এটা বৈপ্লৱিক পৰিবৰ্তন হৈছে। আপোনাৰ যিটো শংকা সেইটো শুনি ভাল লাগিছে যে ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত disburse হ'ব লাগে, ceiling যাব লাগে কিয় যোৱা নাই, এইটো এটা শংকা নথকা নহয়। ইয়াৰে চিলিং কিছুমান গৈছে। যেতিয়া আপুনি প্ৰশ্নটো আনিছে, কিছুমান চিলিং কি হৈছে, কিছুমান চিলিং বিততে বিভাগৰ পৰা ৰিলিজ হৈছে, ট্ৰেজাৰীলৈকে গৈছে বা Drawing Disbursing Oficer লৈকে যাব। এই মাজত আছে যে চিলিংখিনি যেতিয়া গৈছে, চিলিংখিনি যোৱাৰ লগে লগে নিজৰ বিভাগটোৱে তেওঁলোকে যি যি কাম কৰিলে তাৰ বিল দিওঁতে সময় লাগে। গতিকে মই ভাবো যে, আমাৰ ডেৰমাহ সময় হাতত আছে। গতিকে আপুনি এইটো শংকা কৰিব নালাগে যে আমাৰ পইচাখিনি খৰচ নহ'ব। পইচাখিনি খৰচ হ'ব। এতিয়া আপুনি Public enterpriceত কৈছে যে, মাত্ৰ এক কোটি টকা ৰিলিজ কৰি দিছে। এতিয়াPublic enterpriceৰ কাম কি? Public enterpriceত এক কোটি যে খৰচ হৈছে, সেইটো তেওঁলোকৰ ডিমাণ্ড মতে খৰচ হৈছে। মোৰেই ডিপাৰ্টমেণ্ট Public enterprice।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আপোনাৰ উত্তৰ দি থাকক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** আমাৰ Public enterpriceৰ কাম কি? Public enterpriceৰ কোনোবা এটা পি চি ইউ বন্ধ হৈ আছে। অধ্যক্ষ মহোদয়, তাতে ধৰক আমি সেইটোত ভি আৰ এচ দিব লাগে। তাত যিখিনি পইচা লাগে। সেইখিনি পইচা পাব্লিক এণ্টাৰপ্ৰাইজে আলোচনা কৰি দি দিয়ে। গতিকে প্ৰশ্নটো হৈছে যে, এতিয়া ডি আৰ ডি এ ত।ডি আৰ ডি এ টো ইয়াত চেণ্ট্ৰেলি sponsord scheme। ইয়াত চেণ্ট্ৰেলৰ পৰা পইচা আহে আৰু আপোনালোকেও দেখিছে যে আপোনালোকৰ সমষ্টি বিলাকত যিবিলাক এনৰেগাৰ যিবিলাক কাম, এতিয়ালৈকে পইচা আপোনালোকে কিছুমান ক্ষেত্ৰত পোৱা নাই। পোৱা নাই মানে সেই পইচাবিলাক খৰচ হিচাপে ইয়াত ধৰা হৈছে। কিন্তু দেখুওৱা হোৱা নাই যে, কিয় আপোনালোকে পইচা পোৱা নাই।সেই পইচাটো

গৈ আছে। পইচাটো যাব ডি আৰ ডি লৈ। গতিকে প্ৰশ্নটো হৈছে কি ? যে আপুনি যিটো শংকা কৰিছে সেই শংকাটো নকৰিব। এই ডেৰমাহৰ ভিতৰত এই চিলিংখি নি সম্পূৰ্ণৰূপে যাব আপোনাক মই এটা কথা জনাওঁ যে, বৰ্তমান বিত্ত বিভাগে এটা ব্যৱস্থা কৰিছে, যে চিলিংটো আমাৰ ধৰক ৩১ৰ মাৰ্চৰ ভিতৰত যাব লাগে, কিন্তু ৩০ মাৰ্চত গ'ল। ৩০ মাৰ্চত গ'লে ৩১ মাৰ্চত চিলিংটো নিয়মমতে শেষ । আগৰ চিষ্টেম মতে। বিত্ত বিভাগে এটা কাম কৰিছে কি ,যে আজিকালি চিলিংটো যেতিয়া যাব, ৩০ তাৰিখে চিলিংটো গ'ল , তেতিয়াহ'লে আৰু তেওঁ এক মাহ সময় সেই চিলিংটো Draw কৰাৰ কাৰণে তেওঁলোকৰ হাতত সময় থাকিব। সেইটো বিত্ত বিভাগে সেই এক মাহ সময় এক্স্‌টেণ্ট কৰি দিছে। গতিকে সেই হিচাপত আমাৰ যিখিনি পইচা খৰচ নহ'ব বুলি আ পুনি আশংকা কৰিছে, সেইটো খৰচ হ'ব। আৰু আপুনি যে ইমান concern হৈছে সেইটো মই ভাল পাইছে। honestly ভাল পাইছো। এই কথাত। এইটোত আপুনি টেনচন নল'ব। খৰচ হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কিন্তু এটা কথা প্ৰায় আমি শুনা পাওঁ। বিভিন্ন ডিপাৰ্টমেণ্টৰ ফাইল বিলাক যেতিয়া ফাইনেন্সলৈ আহে, এইবাৰ যদিও অনলাইন কৰা হৈছে আৰু Procrument Act Deligation of Financial Powers এই যিটো পৰিক্ষণ তালিকা যোগে চিলিংখন মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰ পাছতো এতিয়ালৈকে বিভিন্ন বিভাগৰ ফাইল পাঁচ,ছয়, সাত মাহ finance department ত ঘুৰি থাকে আৰু এনেকুৱা এটা অনুভৱ হৈছে যে অন্যান্য ডিপাৰ্টমেণ্টৰ কাম-কাজ বিলাক আজি finance department গতিশীল নোহোৱাৰ কাৰণে যেন বিভিন্ন বিভাগৰ কাম কাজ স্থবিৰ হৈ গৈছে। অসমত কিছুদিন আগতে আমি যিটো অনুভৱ কৰিছিলোঁ যে উন্নয়নে এটা গতিশীল পৰ্য্যায় লাভ কৰিছে। এতিয়া আমি দেখিছো finance department ত গতিশীল নহ'লে বাকী department সকলো স্থবিৰ হোৱাৰ নিচিনা । গতিকে এই ক্ষেত্ৰত finance minister যদিও নাই, মই এটা অনৰোধ জনাম যে কেবিনেট বৈঠক যেতিয়া হয়, কেবিনেট বৈঠকত আমাৰ সকলো কেবিনেট মিনিষ্টাৰে এই কথাটোত খুব জোৰ দিব লাগে finance minister ক যাতে finance department ৰ গাফিলতিৰ কাৰণে যাতে বাকী বিভাগৰ কাম-কাজবোৰৰ গতিটো স্তব্ধ নহয়। নহ'লে কিন্তু আমি উন্নয়নৰ পথত অসমখন গৈ থকাটো এডভানটেজ বুলি আমি কব নোৱাৰিম। এইটো কেবিনেট বৈঠকত আপোনালোকে সকলো মন্ত্ৰীয়ে ধৰি এইটো কিন্তু finance department ক গতিশীল কৰিব লাগিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে, আমাৰ finance department ৰ ফাইল ৰিলিজ কৰি আছে আৰু তদুপৰি এটা কথা কৈছে কি যে কিছুমান চিলিং ইচ্ছ্যু কৰা হয়। কিন্তু ডি ডি অ' সকলে হয়তো ড্ৰ' কৰা নাই। সেইটো ইয়াত শ্বো নকৰে, একচুৰেলী চিলিংৰ পাৰচেণ্টটেজ কিমান হৈছে। কিছুমান চিলিং ড্ৰ হৈছে, কিন্তু ডি ডি অ' সকলে চিলিং কিছুমান ড্ৰ কৰিব পৰা নাই। ড্ৰ কৰিব পৰা নাই যে, তেওঁলোকৰ বিল, ইটো-সিটো সকলো ট্ৰেজাৰীত জমা দিব লাগিব। তেতিয়াহে ট্ৰেজাৰীয়ে পইচাটো দিব। গতিকে তেনেকুৱা এটা পাৰচেণ্টটেজে ইয়াতে হয়তো আমি দেখুৱাব পৰা নাই। গতিকে আপুনি যিটো কথা কৈছে, যে এইখিনি বিত্ত বিভাগৰ ফাইল, ঘূৰি থাকে। আজিকালি সকলো অনলাইন হৈ গ'ল। গতিকে ফাইলৰ মুভমেণ্টটো সকলোৱে গম পোৱা হৈছে আৰু বিত্ত বিভাগে যিটো ব্যৱস্থা লৈছে যে, প্ৰথম দুমাহত শতকত বিছ শতাংশ খৰচ হ'ব, পিথছৰ তিনিমাহত শতকৰা ত্ৰিছ শতাংশ, তাৰ পিছৰ তিনিমাহত ত্ৰিছ শতাংশ। গতিকে শতকৰা আশী শতাংশ পইচা খৰচ ডিচেম্বৰ মাহৰ ভিতৰত হোৱাৰ যিটো

এটা ব্যৱস্থা বিত্ত বিভাগে লৈছে, মই ভাৱো যে, এই ব্যৱস্থাটোৱে নিশ্চয় আপোনাৰ যিটো শংকা, এই শংকাটো আতৰাই বিত্ত বিভাগে ধন ৰিলিজ কৰাটো তৰান্বিত কৰিব পাৰিব। আৰু দ্বিতীয় কথাটো হৈছে, আমাৰ ই-ফাইল যিটো আছে, আজিকালিটো সকলো কম্পিউটাৰাইজ হৈছে, গতিকে ই-ফাইল যিটো আছে, প্ৰত্যেক সপ্তাহত বিভিউ কৰা হ'ব যে, কিমান ফাইল আচলতে অনলাইন, কিমান ফাইল কোন বিভাগৰ পৰা ক'ত আছে, সেইটো প্ৰতি সপ্তাহত এইটো বিভিউ কৰা হ'ব। আৰু ৰেভিউ কৰি আচলতে ফাইনেন্সে পইচাটো, finance department ত যিজন অফিচাৰেই নাথাকক কিয়, ফাইনেন্সে পইচাটো ৰিলিজ কৰোতে কিছুমান ৰুল্চ আছে। আৰু সেই rules বিলাক অতিক্ৰম কৰি কোনো ফাইনেন্স অফিচাৰে অতিক্ৰম কৰি যাব নোৱাৰে কিয় সেই rules বিলাক very strict rules। গতিকে ফাইনেন্সে এটা ডিপাৰ্টমেণ্টৰ পৰা চিলিং বিচাৰিব। চিলিংটো বিচাৰিলে তেওঁলোকৰ নিৰ্দিষ্ট এই চিলিংটোৰ কাৰণে তেওঁলোকৰ কোৱাৰী থাকিব নিশ্চয়। আৰু কোৱাৰী অন লাইন কোৱাৰী হ'ব। কিন্তু কোৱাৰীখিনি যদি department meet up কৰিব পাৰে, ফাইনেন্সে পইচাটো ৰিলিজ কৰিব। কোৱাৰী meet up কৰিব নোৱাৰে, তেতিয়াহ'লে ফাইনেন্সে পইচা কেতিয়াও ৰিলিজ কৰিব নোৱাৰে। গতিকে আপোনাৰ যিটো শংকা হৈছে, এই শংকাটো আমাৰ প্ৰতি সপ্তাহত যিহেতুকে ই-ফাইল আমাৰ অফিচত মনিটৰ হ'ব। প্ৰথম দুমাহত যিহেতুকে আমাৰ শতকৰা বিছ শতাংশ, তাৰ পিছৰ তিনিমাহত শতকৰা ত্ৰিছ শতাংশ, পিছৰ তিনিমাহত ত্ৰিছ শতাংশ। আশী শতাংশ ডিচেম্বৰৰ ভিতৰত যেতিয়া খৰচ হৈ যাব। শতকৰা বিছ শতাংশ পইচা ৩১ মাৰ্চৰ আগত খৰচ কৰাটো সম্ভৱ হৈ উঠিব। আৰু এইটো যিহেতুকে প্ৰত্যেক সপ্তাহত ই-ফাইলৰ যিটো মনিটৰ কৰা হ'ব, গতিকে মই ভাবো যে, আপুনি যিটো শংকা ৰাখিছে এই শংকাটো আঁতৰিব। আমাৰ যিটো বাজেটেড এমাউণ্ট সেই এমাউণ্টটো খৰচ হ'ব, আৰু ডেৰমাহ আমাৰ হাতত সময় আছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** সবলীকৰণ হ'ব লাগে। ফাইনেন্স নীতি নিয়মবোৰ ইমান জটিল। জটিলতাৰ কাৰণে আচলতে দেৰি হ'ব। সবলীকৰণ কৰিব লাগে চিষ্টেমটো। যাতে সোনকালে ফাইল বিলাকে ওলাই আহিব পাৰে। এইটো জৰুৰী আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীকমলেক্ষ্য

**শ্ৰীকমলেক্ষ্য দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে, ই-ফাইল হৈছে, অন লাইন হৈছে আমি ভাল পাইছোঁ, বেয়া পোৱা নাই। এই পবিত্ৰ সদনত আমাৰ বিত্ত মন্ত্ৰীয়ে কৈছিল যে, এটা এটা চিলিং চেংশ্যন ওলাওঁতে ৪৮ খন টেবুল ঘূৰিব লগা হয়। এইটো ক্ষেত্ৰত আমি কিবা এটা পৰিৱৰ্তন কৰিম। পৰিৱৰ্তন আহিব লাগিব। কিন্তু অধ্যক্ষ মহোদয়, আমি কাৰ্য্যক্ষমত কিন্তু একো পৰিৱৰ্তন দেখিব পৰা নাই। আগতে যিমান সময় লাগিছিল, আজিৰ দিনত কিন্তু সমান সময় লাগে। আগতে কম লাগিব বুলি কৈছিল, দুদিনৰ ভিতৰত হ'ব, কিন্তু দুদিন নহয়, একমাহ ডেৰমাহ লাগি যাব। অধ্যক্ষ মহোদয়, কথাটো হৈছে কি আমি যিখিনি এম এল এ আছে, আমি মন্ত্ৰী মহোদয়, বিষয়া বিলাকক চিঠি দি থাকো, সদায় দি থাকো। কাৰণ আমি ৰাইজৰ ওচৰত দায়বদ্ধ। কথাটো হৈছে কি, আমি জেনেৰেলাইজ কৰা নাই। বিষয়া সকলক জেনেৰেলাইজ কৰা নাই। মন্ত্ৰী সকলক জেনেৰেলাইজ কৰা নাই। কথাটো হৈছে কি আমি যিখিনি ৰিপ্লাই পাব লাগিছিল যে, কিমানখিনি একশ্যন লোৱা হ'ল, কিয় হ'ল যোৱা বিধান সভাত মই কৈছিলো। আনকি ৰিপ্লাইটোৱে নাপালোঁ। সেইটো ক্ষেত্ৰত যাতে কঠোৰ হ'ব লাগে আৰু মন্ত্ৰী মহোদয় বা চৰকাৰে কি ব্যৱস্থা লয়, আমি সেইটো জানিব পাৰো।

**माननीय अध्यक्ष ঃ** থেংক ইউ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এইটো যিটো চিষ্টেম মই কৈছো প্ৰথম দুমাহত যিহেতুকে শতকৰা বিছ শতাংশ, তাৰ তিনিমাহত শতকৰা ত্ৰিছ শতাংশ তাৰ তিনিমাহত শতকৰা ত্ৰিছ শতাংশ, শতকৰা আশী শতাংশ হ'ল ডিচেম্বৰ মাহলৈকে। গতিকে সেইটো প্ৰতি বিভাগে নিশ্চয় এই Norms টো আপুনি কোৱামতে follow কৰিব আৰু আমাৰ শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কোৱা মতে, যে এইটো সবলীকৰণ কৰা হৈছে। সবলীকৰণ বহুখিনি পৰিমাণে পৰা হৈছে আৰু আগতে আমাৰ বিত্ত মন্ত্ৰীয়ে যিটো কথা কৈছিল যে, কেইবাখনো টেবুল ঘূৰিব লাগে। গতিকে আজি আমাৰ গোটেই বিষয়টো খুব সবলীকৰণ কৰা হৈছে। গতিকে আজিৰ দিনটোত আমাৰ বিত্ত বিভাগত এইটো কথা আমি দেখিবলৈ পাইছো যে, আজি বিত্ত বিভাগত প্ৰিঞ্চিপাল চেক্ৰেটাৰী যদি আজি দিল্লীটো থাকে,তেওঁ দিল্লীৰ পৰাই আচলতে কম্পিউটাৰত গম পায় যে কিমানটা ফাইনেন্সত আছে। কিমানটা disburesd হ'ল, আৰু কিমানটা disburesdকি কাৰণে হব পৰা নাই। গতিকে তেওঁ যদি আজি দিল্লীতো থাকে, দিল্লীৰ পৰা তেওঁ সেইটো মণিটৰ কৰিব পাৰে। এতিয়া মন্ত্ৰী যদি আমাৰ বাহিৰতআছে মন্ত্ৰীয়ে হয়তো সেইটো মনিটৰ কৰিব পাৰে। গতিকে গোটেই বিষয়টো আচলতে সবলীকৰণ কৰা হৈছে। এতিয়া আমাৰ কথা হ'ল আপোনালোকেতো হোৱা নাই বুলি ক'বই। গতিকে সবলীকৰণ কৰা হৈছে। আৰু এইটো ক্ষেত্ৰত নিশ্চয় মাননীয় সদস্যসকলৰ যিটো concern সেয়া চৰকাৰে বিবেচনা কৰি চাব

**माननीय अध्यक्ष ঃ**-প্ৰশ্ন নং ৮৫। ৰেকিবুদ্দিন আহমেদ। মন্ত্ৰী

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন আছিল, দুটা প্ৰশ্নৰে জোৰশিমুলী হস্পিতেল, মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ হাতেৰেই উদ্বোধন কৰা হৈছিল। জোৰশিমুলী P H C ৰ অপেনিঙৰ পিছৰ পৰাই এনেকুৱা চলি আছে, আৰু বতাহদিয়া হস্পিতেল, মাননীয় অধ্যক্ষ মহোদয়, মোক যিটো উত্তৰ দিয়া হৈছে, এটা কেছুৱাই যেতিয়া কান্দে, তেতিয়া মাকে কয়, বাবা অ' না না নাকান্দিবা বাবা ল' চকলেট এটা খা, খা চকলেট খা, চুমা খাই দিয়ে। এনেকুৱাই অধ্যক্ষ মহোদয়, মোক উত্তৰটো দিয়া হৈছে। যে সময়ত প্ৰক্ৰিয়া চলি আছে। পদ পূৰণৰ প্ৰক্ৰিয়া পুৰা হলে এইটো কৰা হব। অধ্যক্ষ মহোদয়, জোৰশিমুলী প্ৰায় ১৬ হাজাৰ ভোটাৰ আছে, আৰু বতাহদিয়াত গোটেই ২১ খন ৰেভিনিউ ভিলেইজ আছে। অধ্যক্ষ মহোদয়, আৰু যেতিয়া এটা প্ৰেগনেন্সি কেচ হয়, অধ্যক্ষ মহোদয়, এখন নাৱত, বিশেষ অসুবিধা হয়, নাৱৰে লৈ ২ ঘণ্টা পানীৰেই উজাই আহিব লাগে। গতিকে এই উত্তৰটো অধ্যক্ষ মহোদয়ৰ জৰিয়তে পোনপতীয়া ভাবে দিব লাগে যে হস্পিতেলখন যিহেতু মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ হাতেৰে উদ্বোধন হৈছিল। তেওঁৰ বিশেষ দায়িত্ব আছে, আৰু এইটো কৰিব লাগে। লগতে মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰিছোঁ, দক্ষিণ কামৰূপত তিনিটা সমষ্টিত এখনো ১০০ বিচনা যুক্ত হস্পিতাল নাই। ছয়গাওঁ, গোৱৰধনত, ছয়গাওঁত P H C খন আছে। আজি কিমান বছৰ হৈ গ'ল ঠিক ছয়গাওঁ প্ৰাণ কেন্দ্ৰ অধ্যক্ষ মহোদয়, তাত এখন O P D আছে। ৭ বিঘা মাটিৰ এখন O P D চলি আছে। সেই খন উন্নীতকৰণৰ প্ৰশ্ন আছিল অধ্যক্ষ মহোদয় উত্তৰ আহিছে। সেইটো যাৱতীয় প্ৰপ'জেল পালেই দিয়া হ'ব। অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক পোনপতীয়া ভাবে কব বিচাৰিছো, এই দুখন হস্পিতাল, কেতিয়া উদ্বোধন কৰা হ'ব ? যাবতীয় কাম কেতিয়া সম্পূৰ্ণ হব। চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই অধ্যক্ষ মহোদয় যাতে এনেকৈ কৈ নিদিয়ে, যে পৰ্য্যায় চলি আছে। ধুনীয়াকৈ এনেকৈ বুজাই চাৰ

এখেতে। ৰিপ্লাইটো যাতে অধ্যক্ষ মহোদয়, পোনপতীয়াভাৱে হয়।

**মাননীয় অধ্যক্ষ ঃ**- প্লিজ, আপোনাৰ কোৱেশ্যনটোৰ উত্তৰ পাব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ**-প্ৰশ্নটো কৰিলো, উত্তৰটো যাতে অধ্যক্ষ মহোদয়, পোনপতীয়া ভাবে দিয়ে, কেতিয়া কৰিব আৰু সোনকালে কৰিবনে নাই?

মাননীয় অধ্যক্ষ ঃ- বহক, একেবাৰে চিধা-চিধি হলেও দিগদাৰ। আপুনি এতিয়া কোৱা নাই জানো, কেচুৱা ল'ৰাক মৰম কৰাৰ নিচিনা মইটো সেইটো Allow কৰিলোঁ। অলপ হাঁহি-চাহিও থাকিব লাগিব। হাস্যৰস থাকিব লাগিব তেখেতেও কেতিয়াবা হাস্যৰস কৰে, পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, আচলতে ছয়গাঁৱৰ বতাহদিয়া প্ৰাথমিক যিখন স্বাস্থ্যকেন্দ্ৰ, তাতে O P D ৰ বৰ্তমান কামখিনি চলি আছে। O P D টো চলি আছে বাকী গোটেই হস্পিতেল খন চলা নাই। O P D ৰ তাতে কাম চলি আছে। চাওঁক আপুনিও এই কথাখিনি জানে, যি কোনো এখন হস্পিতেল যেতিয়া হয়, হস্পিতেল বিলিডিংটোৰ কথাটো সহজ। কাৰণ পইচা থাকিলে বিলডিংটো হৈ যায়। কিন্তু post creat কৰাটো কঠিন। গতিকে post creat কৰিব লাগিলে, সেইটো প্লেনিং য়ে এপ্ৰোভেল দিব লাগিব। ফাইনেঞ্চে এপ্ৰোভেল দিব লাগিব, সেইটো ড্ৰিষ্টিকৰ পৰা আহিব লাগিব। এই কথাখিনি আপুনিও জানে। গতিকে এতিয়া তাতে পোষ্ট সৃষ্টিৰ কাৰণে, পোষ্ট ক্ৰিয়েচনৰ কাৰণে, ফাইলটো moov হৈছে। post creat হোৱাৰ লগে লগে আপুনি তাত পাৰমানেন্ট এগৰাকী ডাক্তৰ পাব। post creat নহলে তাত ডাক্তৰজনে দৰমহা নাপাব, এইটো ৰুল। এগেইনষ্ট পাৰমানেন্ট পোষ্টত যদি কোনোবা এগৰাকী ডাক্তৰ বা কোনোবা এগৰাকী নাৰ্চক এপইনমেন্ট দিয়া হয় তেতিয়া A G য়ে তেখেতৰ pay slip নিদিয়ে। তেতিয়া আপোনালোক সকলোৱে জানে। গতিকে এতিয়া আমাৰ কথা হ'ল কি, আমাৰ এই যিটো post creation ব্যৱস্থা এইটো হৈ আছে আৰু এইটো হ'ব। এইটো চিন্তা কৰিবলগীয়া নাই আৰু আমাৰ ৩০ খন বিচনাযুক্ত যি কেইখন হস্পিতাল বামুণিগাঁও, ছয়গাঁও, শিঙিমাৰী আৰু বতাহদিয়াত আছে, তাত post creat ব্যৱস্থা চলি আছে। post creation ৰ কাৰণে আপুনি অলপ ৰ'বই লাগিব। চৰকাৰে এজন ডাক্তৰ দি দিলো, কিন্তু পোষ্ট ক্ৰিয়েট নহলে তেওঁ দৰমহা নাপাব দৰমহা নাপালে তেওঁ চাকৰিৰ পৰা গুছি আহিব। গতিকে সেই কাৰণে পোষ্ট ক্ৰিয়েচনটো আমি সকলোৱে মানিব লাগিব। পোষ্ট ক্ৰিয়েচনটোত টাইম লাগে। কাৰণ সকলোৰে অভিজ্ঞতা আছে। আপুনিটো স্মাৰ্ট এম এল এ। আপুনিটো লৈ যাব সেইটো পোষ্ট ক্ৰিয়েট কৰি, মই জানো। সেইটো হৈ যাব। আপোনাৰ ক্ষেত্ৰত অসুবিধা নাই। এচেম্বলি কোৱেশ্যন আনিবই নালাগে। আপুনি এনেই পাৰে এই বিলাক। গতিকে আমাৰ এই পোষ্ট ক্ৰিয়েচনৰ কাৰণে অলপ সময় লব লাগিব।

**মাননীয় অধ্যক্ষ ঃ**- আপোনাৰ দক্ষিণ কামৰূপত ১০০ বিচনাযুক্ত হস্পিতেল

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়,

**মাননীয় অধ্যক্ষ ঃ**-১ মিনিট আপোনাক মই সহায় কৰি দিছো। দক্ষিণ কামৰূপত ভৱিষ্যতলৈ ১০০ বেডেড হস্পিতেল এখন,

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ**-এখনো নাই অধ্যক্ষ মহোদয়। এখনো ১০০ বেডেড হস্পিতেল নাই, দক্ষিণ কামৰূপক অলপ মৰম কৰক।

**মাননীয় অধ্যক্ষ ঃ**- দক্ষিণ কামৰূপত ১০০খন বেডেড এখনো হস্পিতেল নথকাৰ কাৰণে সেইফালে এখন ১০০ বেডেড হস্পিতেল হব পাৰে নেকি? তেখেতে সুধিছিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, ১০০ খন বিচনাযুক্ত হস্পিতেল দক্ষিণ কামৰূপত

নাই। কিন্তু অধ্যক্ষ মহোদয় এই কথাটো আচলতে আগতে স্বাস্থ্য বিভাগত নৰ্মচ আছিল যে যিবিলাকত ২৬ জনৰ হস্পিতেল সেই বিলাক ১০০ বেডেড আৰু যিবিলাক ডিষ্ট্ৰিক হস্পিতেল আছিল সেই বিলাক ২০০ বেডেড । আগতে নৰ্মচ সেইটো আছিল। অতিয়া আমাৰ নতুনকৈ আৰু কিছু কনচেপ্ট আহিল, যে আমাৰ এফ আৰ ইউ কিছু হ'ল। মডেল হস্পিতেল হ'ল। গতিকে তাতো গৈ আমাৰ হস্পিতেলৰ সংখ্যা বাঢ়িল। এতিয়া ছয়গাঁও বা দক্ষিণ কামৰূপত যিহেতুকে এখনো ১০০ বেডেড হস্পিতেল নাই। এই কথাটো আমাৰ মাননীয় সদস্য গৰকীয়ে যিহেতু কৈছে, এইটো চৰকাৰে বিবেচনা কৰি চাব পাৰিব। কিন্তু মই এচুৰেঞ্চ নিদিও।

**মাননীয় অধ্যক্ষ ঃ**-এইটো আনাদাৰ কনচিদাৰেশ্যন হ'লেও পিছত আমি কথা পাতিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক মই এটা কথাই অনুৰোধ কৰো যে ছয়গাওঁ, বকোৰ পৰা ৪৫ মিনিট- ১ ঘণ্টা ভিতৰত গুৱাহাটী পায়। কিন্তু আমাৰ বাক্সাৰ পৰা গুৱাহাটী আহিবলৈ এটা চিৰিয়াছ পেচেন্ট কিমান টাইম লাগিব। আজি যদি আমাৰ বিশ্বনাথ চাৰিআলিৰ পৰা আহিব লাগে কিমান টাইম লাগিব। গতিকে ইয়াতে গুৱাহাটীত আমাৰ কি আছে। গুৱাহাটীত মেডিকেল কলেজ আছে। ডাঙৰ ডাঙৰ হস্পিতেল আছে। গতিকে সেই কথাটো আমাৰ চৰকাৰে বিবেচনা কৰি চাব। কিন্তু কমিটমেন্ট দিব নোৱাৰে কাৰণ নিয়েৰেচটো গুৱাহাটী।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এক ছেকেণ্ড, অধ্যক্ষ মহোদয় ধন্যবাদ জনাইছো, আপুনি এইটো দৃষ্টিগোচৰ কৰিছে। দক্ষিণ কামৰূপৰ কাৰণে যাতে এইটো চিৰিয়াচলি লয়। চাৰিওফালে আছে ১০০ বেডেড হস্পিতেল, তিনিটা সমষ্টি আৰু বাকী কেইটা পোষ্ট ক্ৰিয়েচন হলে কৰিব কৈছে। চিৰিয়াচলি মনত ৰাখিব চাৰ। লিখি থব।

**মাননীয় অধ্যক্ষ ঃ**-হব হব, গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস,সদস্য ঃ**- ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈ অসামৰিক চিকিৎসালয়খন প্ৰায়৫-৬ টা সমষ্টিৰ প্ৰাণকেন্দ্ৰস্বৰূপ। যোৱা অধিবেশনতো মই এই কথাটো আনিছিলো, আৰু মন্ত্ৰী মহোদয়ক অৱগত কৰাইছিলো। আই চি ইউ ৰ ব্যৱস্থাকৰণ লোৱা হৈছে নেকি ? আৰু নাই যদি অতি সোনকালে ইয়াৰ ব্যৱস্থাকৰণ ল'লে ভাল হব, আই চি ইউ ৰ ।

**মাননীয় অধ্যক্ষঃ**- কোৱেশ্যনটো সমষ্টিৰ লগত নহয়, তথাপিও তেখেতে আই চি ইউ ৰ কথা কৈছে। ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয়. অধ্যক্ষ মহোদয়, এইটো আচলতে মঙ্গলদৈ আৰু এইটো আমাৰ বেলেগ হৈছে প্ৰশ্নটো। গতিকে যিহেতুকে এইটো বেলেগ হৈছে মই আমাৰ গুৰুজ্যোতি দাস ডাঙৰীয়াক মই অনুৰোধ কৰিম যাতে তেখেতে মোক লগ কৰিব। মই কথা পাতিম।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। নেক্সট কোৱেশ্যন ৮৬। তপন কুমাৰ গগৈ ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে, চৰাইদেউ জিলাৰ অন্তৰ্গত, যিবিলাক আমাৰ চিকিৎসালয় আছে, সেইবিলাক খুব জৰাজীৰ্ন। ঘৰ বিলাক একেবাৰে ভগ্নপায় অৱস্থাত আছে। ইয়াত মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে যোৱাবাৰ ১৭-১৮ বাজেটত যিখিনি পইচা দিছে আমাৰ তাত যিখিনি ঘৰ আছে, ঘৰখিনি এই পইচা কেইটাৰে কেতিয়াও মেৰামতি কৰিবৰ কাৰণে সম্ভৱ নহয়। ডাক্তৰ থাকিবৰ কাৰণে ঘৰ লাগে, সেই ঘৰৰ অৱস্থা একেবাৰে বেয়া। আৰু নতুনকৈ এইবাৰ ১৮-১৯ ৰ বাজেটত ধৰিম বুলি কৈছে। মই আশা ৰাখিম। যোৱাৰ লগে লগে, হস্পিতেলখনৰ যিটো অৱস্থা, তাত একেবাৰে ভগ্নপায় অৱস্থা, ভাগি আছে, এতিয়া বিভিন্ন জনৰ

পৰা বা বাগিচাৰ পৰা বা সেই বিলাকৰ পৰা পইচা লৈ বনোৱা হৈছে দুই এটা। আৰু চিকিৎসক থাকিবৰ কাৰণে তাত ঘৰ নাই। কাৰণ একেবাৰে জৰাজীৰ্ণ। ভাৰা কৰি চিকিৎসক থাকিব লগীয়া হয়। সেই ক্ষেত্ৰত যিটো বাজেট ধাৰ্য্য কৰিছে, বাজেটৰ ধনখিনিৰে আচলতে নহয়গৈ। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, এইটো ক্ষেত্ৰত গোটেই কথাটো বিবেচনা কৰি আমাৰ ৰাইজৰ সুবিধা হোৱাকৈ এইখিনি বনোৱাৰ ক্ষেত্ৰত ব্যৱস্থা লব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ মাননীয় সদস্য গগৈ ডাঙৰীয়াই যিটো কথা কৈছে যে যিখিনি পইচা ধৰা হৈছে ১৭-১৮ ত সেই পইচাখিনি বেছি পইচা নহয়। তেতিয়া হস্পিতেলখন যাতে, ভালকৈ অলপ ৰিপেয়াৰ কৰিব পৰা যায়, সেইখিনি পইচা দিয়া হৈছিল। এই হস্পিতেল কেইখন আপোনাৰ সমষ্টিত আছে। আপোনাৰ সমষ্টি বুলি নহয়, শিবসাগৰ জিলাত। সাপেখাইটি পি এইচ চি, ব্লক পি এইচ চি, বৰহাট মিনি পি এইচ চি, খৰিয়াভেটা মিনি পি এইচ চি, ঔগুৰি নুখুৰাখন মিনি পি এইচ চি আৰু বৰবৰুৱাখাট মিনি পি এইচ চি আৰু বামপথাৰ, বেঙেনাবাড়ী মিনি পি এইচ চি। এইকেইখন এইবাৰ ২০১৮-১৯ চনত আমাৰ বাজেটত ধৰা হব আৰু আপোনাৰ এইকেইখন হস্পিতেল ভালকৈ নিৰ্মান কৰাৰ ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব।

( মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় উপবিষ্ঠ)

- - - - - - - ক্ৰমশ - - - - - - -

----------POINT OF ORDER" -------

**মাননীয় অধ্যক্ষ ঃ** Now 'Point of Order'. Hon'ble Members, please raise your poitn of Order one by one. Hon'ble Member, Shri Abdul Khaleque.

**শ্ৰী আব্দুল খালেক (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০ৰ আৰু মেম্বাৰ্চ বিজিনেচ এই দুটা নতুন নিয়ম । চাৰ, প্ৰথম কথাটো হ'ল - ঃ ৩০১ ৰ এমেণ্ডমেন্ট কৰা হৈছে ৰোলখন বৰ্তমানলৈকে পোৱা নাই । ৰুলখন দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু মোৰ দ্বিতীয় কথাটো হ'ল - ৩০১ আৰু মেম্বাৰ্চ বিজিনেচৰ ক্ষেত্ৰত কোন কোন বিধায়কৰ নাম সন্নিবিষ্ট কৰা হৈছে, সেই তালিকাখন পালে ভাল হয় ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ , উত্তৰ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যি ট্ৰেন্সফাৰেৰি আৰু স্বচ্ছতাৰ কথা কৈছে , আমি শুনি ভালেই পালো । কিন্তু কালি প্ৰশ্নোত্তৰ শিতানত থকা দুটা প্ৰশ্নৰ মাজত যি বিসংগতি দেখা পালো, সেইটো দেখিহে আচৰিত হৈছো । ইমান ভয়ঙ্কৰ বিসংগতি কেনেকৈ হ'বলৈ পালে ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন দুটা কি কি ? ষ্টাৰ্ড নে আনষ্টাৰ্ড প্ৰশ্ন ?

**শ্ৰী কমলক্ষ দে পুৰকায়স্থ ঃ** মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ ষ্টাৰ্ড কুৱেশ্যন নং - ৭৩ আৰু ষ্টাৰ্ড কুৱেশ্যন নং - ৬৯ টো মই কৰিছিলো ।

**মাননীয় অধ্যক্ষ ঃ** Do not do this. We are improving. আমাৰো তো ভুল-ভ্ৰান্তি হ'ব পাৰে, এইখনেই যিহেতু সদন ,গতিকে ভুল বিলাকো ইয়াতেই শুধৰাব লাগিব । এতিয়া আপুনি বিষয়টো আমাক দিয়ক আৰু আমি ইয়াক চাই লৈ ইয়াত থকা বিসংগতিসমূহ শুধৰাব চেষ্টা কৰিম ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, বিষয়টোৰ ওপৰত অকণমান কওঁ নেকি কাৰণ বিষয়টো 'ডি' ভোটাৰৰ লগত জড়িত ।

**মাননীয় অধ্যক্ষ ঃ** নালাগে কব, মিছাকৈ সদনৰ সময় নষ্ট হ'ব । কথাটো মই বুজিব পাৰিছো ।

যিদিনাখন এই বিষয়টোৰ ওপৰত সদনত আলোচনা কৰা হ'ব,সেইদিনাখনেই মই লগে লগে সদনত উত্তৰটো শুধৰাই দিম ।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইবাৰ সদনত Digital Budget Laptop, Tabletৰ মাধ্যমেৰে দিয়াৰ বাবে প্ৰস্তুতি চলাইছে, মই ভাবো Ditigal Budget দিয়াৰ আগতে আমাৰ Rule খনৰ সংশোধনী এটা কৰি লোৱাটো ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Already process is going on and আমিওঁ আপোনালোক সকলোৰে সুবিধাৰ বাবে Demonstration এটা দিয়াৰ ব্যৱস্থা কৰিছো। এতিয়া মাননীয় সদস্য আবুল কালাম ৰচিদ আলম।

**শ্ৰী আবুল কালাম ৰচিদ আলম, গোৱালপাৰা পূৰ ঃ** মাননীয় আধ্যক্ষ মহোদয়, মই Question No. 174 ৰ আধাৰত গোৱালপাৰা জিলাত থকা Nursing Home সম্পৰ্কত এটা প্ৰশ্ন কৰিছিলো। তাত সৰ্বমুঠ কিমানখন Nursing Home আছে আৰু সেইবিলাকৰ proper rejistration আছেনে নাই ? মই এই সম্পৰ্কত বিভাগীয় Guide line বিচাৰিছিলো। প্ৰশ্নৰ শেষত লিখিছিলো তথ্য সহকাৰে জনাব। উত্তৰ বিলাক পাইছো কিন্তু তথ্য বিলাক নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, মই এইটো চাই দিম। কিন্তু মই এইখিনিতে অৱগত কৰিব বিচাৰিছো যে আমাৰ বহুতো সদস্যই সদনত তথ্য বিচাৰে, কিন্তু এই বাৰ ডিপাৰ্টমেন্ট বিলাকে তথ্য বিলাক C Dত দিব বিচাৰিছে, কিন্তু আমি ১২৬ খন C D লোৱা নাই। মাত্ৰ কেইখন মানহে লৈছো। তথ্য যদি নাই তাৰ ব্যৱস্থা লোৱা হ'ব।

**শ্ৰী আবুল কালাম ৰচিদ আলম ঃ** নহয় চাৰ, আমি তথ্য বিচাৰিলে তেওঁলোকে properly reply টো দিব লাগে। চৰকাৰী বিভাগ সমূহে এই তথ্যৰ বিষয়টো অতি তৰল ভাৱে লয়। গতিকে চাৰ বিভাগীয় বিষয়া সকলৰ ওপৰত এই ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষকৈ স্বাস্থ্য বিভাগটোৱে এই ক্ষেত্ৰত বেচি গাফিলতি কৰে, সেই কাৰণে মই এই কথাখিনি কবলগীয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** তথ্য যদি নাই তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব, সেইবুলি আপুনি কাকো দোষাৰোপ কৰি ক থা নকব। দ্বিতীয়তে, এইবাৰ বিভাগ সমূহে তথ্য সমূহ প্ৰথম বাৰৰ বাবে C Dৰ দ্বাৰা দিয়াৰ ব্যৱস্থা কৰিছে। কৰবাত হয়তো তথ্যটো নোসোমাবওঁ পাৰে, মই সেইটো চাই দিম। কিন্তু C D খনতেই আপুনি সকলো তথ্য পাব। গতিকে মই আপোনাৰ ১৭৪ আনষ্টাৰ্ড কুৱেশ্যনটো চাম বুলি আশ্বাস দিলো আৰু আপোনাক জনাম । এতিয়া আমি শেষৰটো 'Point of Order' লৈ যাম। শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দিত যোৱা ১৫ বছৰে কোৱাপশ্যন আছিলে ,এতিয়াও ছেইম অৱস্থাতে আছে ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কাইলৈ ৰাতিপুৱা ৩০১ ৰ ন'টিচ দিব, মই তাত আপোনাক কবলৈ দিম । এইটোৰ ওপৰতে ন'টিচ দিব । অনুগ্ৰহ কৰি আপুনি বহক । এতিয়া আমি এইবাৰ নতুন এটা বিষয় লব বিচাৰিছিলো মেম্বাৰ্চ আৱাৰ । মেম্বাৰ্চ আৱাৰটো আমি এই কাৰণেই কৰিছো যে-বিধায়ক সকল হ'ল ৰাইজৰ প্ৰতিবিম্ব। ৰাইজক আমি ৰিফ্লেক্ট কৰো ইয়াত । সেইকাৰণে বিধান সভাত ৰাইজৰ আশা-প্ৰত্যাশা প্ৰতিফলিত কৰাৰ বাবে চেষ্টা কৰাটো আমাৰ সকলোৰে মূল কৰ্তব্য । বিধান সভাৰ বিভিন্ন মাধ্যমৰ মাজেৰে এইসমূহ প্ৰতিফলিত কৰাৰ সুবিধা আছে যদিও আমি লক্ষ্য কৰিছো নতুনকৈ অহা বিধায়ক সকলতকৈ পুৰণি অভিজ্ঞ সকলে সাধাৰণতে ভাগ লোৱা বা কথা কোৱাৰ

বেছি সুবিধা পায়। এইটো নেচাৰেলি কেতিয়াবা কোনো এজন নতুন সদস্যই সদনত কথা নোকোৱাকৈয়ে পাঁচ বছৰ পাৰ হয়। মোৰ ইচ্ছা কাৰণ মইও এসময়ত নতুন বিধায়ক আছিলো। বহুত দিন আগতে মই দেখিছো এইটো কথা। মোক আপোনালোকে স্পিকাৰ পাতোটেই মই এই কথাটো ভাবিছিলো । মোৰ ইচ্ছা নতুন বিধায়ক সকলে প্ৰথম বাৰলৈ আহি তেখেতৰ সমষ্টিৰ মূল দুই-তিনিটা কথা অন্ততঃ কোৱাৰ এটা সুবিধা বিধান সভাত পোৱা উচিত । সদনত সাধাৰণতে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসুচক প্ৰস্তাৱৰ ওপৰত যি আলোচনা হয়,তাত নতুন বিধায়ক সকলে খুব কম সময় পায়,সেইকাৰণে মই ভাৰিছো , তেওলোকেওঁ অন্ততঃ দুই-এটা কথা কওঁক । আজি আমি এক্সপেৰিমেন্ট বেছিছত এই ব্যৱস্থাটো কৰি চাওঁ । যদি এইটো ভাল হয়, তেনেহ'লে পিছলৈ ৰোল এমেণ্ড কৰি এই ব্যৱস্থাটো ৰোলত ভৰাই দিম । গতিকে আজি আমি তিনিজনক এই সুবিধাটো দিছো । ৰোলখন হয়তো বহুত সদস্যই পঢ়ি ছোৱা নাই সেইবাবে কথাটো গম পোৱা নাই। খালেক ডাঙৰীয়াই কথাটো ঠিকেই কৈছে । নতুনকৈ এমেণ্ডমেন্ট কৰা ৰোলৰ ক'পিটো হয়টো আপোনালোকে পোৱা নাই। I will try to provide the amended copies of the respective Rule to you all. গতিকে ইচ্ছা কৰিলে আপোনালোকে কিতাপখনো চাব পাৰে । নাপালে আমাৰ Principal Secretary ৰ তাতো চাব পাৰে । এমেণ্ড কৰা কিতাপখন অৱশ্যে আপোনালোকক আমি সোনকালে দিয়াৰ চেষ্টা কৰি আছো । আমি আশা কৰিছো যে সাধাৰণ জনসাধাৰণেও গম পোৱা উচিত যে- তেওঁলোকৰ বিধায়কজনে অন্ততঃ দুই-তিনিটা সমস্যা সদনত উত্থাপন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে । সমষ্টি বিলাকতটো বহুত সমস্যা থাকেই,কিন্তু এই সমস্যা বিলাকৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাটো অত্যন্ত দৰকাৰী কথা । সেই কাৰণে মই আপোনালোকক সদনত কথা কওঁতে যিকেইটা বিভাগৰ ওপৰত কথা কব বিচাৰে, মই সেই বিভাগকেইটাৰ লগতে উত্থাপন কৰিবলগীয়া বিষয়বোৰো লিখিত আকাৰে বিচাৰিছিলো ।

আজি প্ৰথম আমাৰ সুমন হৰিপ্ৰিয়াই কব আৰু তেখেতে তিনিটা বিভাগৰ ওপৰত কব । বিভাগকেইটা হ'ল ঃ - i) Fishery, ii)Panchayat and iii) Rural Development and Industries Department. আজি তিনিওটা বিভাগৰে মন্ত্ৰী সদনত উপস্থিত আছে । কেতিয়াবা অৱশ্যে মন্ত্ৰী উপস্থিত নাথাকে , বিশেষ কামত বাহিৰলৈ যাবলগীয়া হয় । কোনো সদস্যই যদি মন্ত্ৰীৰ অনুপস্থিতিত কব নিবিচাৰে সেইটোত মই আপত্তি নকৰো । পিছৰ সময়ত কব । এতিয়া সুমন হৰিপ্ৰিয়াই কব । তাৰ আগতে মই শ্ৰী ৰমেন্দ্ৰ নৰায়ণ কলিতাই কিবা কব বিচাৰিছে, মই তেখেতক কবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী ৰমেন্দ্ৰ নৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এই যিটো পদক্ষেপ লৈছে,সেইটো এটা সুন্দৰ পদক্ষেপ । আমি সকলোৱে আপোনাক ধন্যবাদ জনাইছো । যদি ভাল হয়,এইটো কন্টিনিউ কৰিব লাগে । নতুনক প্ৰাধান্য দিয়াৰ বাবে ভাল লাগিছে । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সুমন হৰিপ্ৰিয়াই বক্তব্য ৰাখিব ।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ** আমাৰ চৰকাৰৰ দিনত বহু পৰিৱৰ্তন আহিছে। ৰাস্তা-ঘাটকে ধৰি , তাৰ বাবে মই মাননীয় পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক ধন্যবাদ জনাইছো। তথাপিও আৰু কৰিবলগীয়া বহুত আছে। এটা সমষ্টি যেনে হাজো যদি আমি উন্নতি কৰিবলৈ যাওঁ তেতিয়াহ'লে হাজোৰ যিখিনি নেচাৰেল ৰিৰ্চোচ সেই ৰিৰ্চোচ খিনি আমি কেনেকৈ ব্যৱহাৰ কৰিব পাৰো, তাৰ ওপৰতো বহুত উন্নতি প্ৰগতি নিৰ্ভৰ কৰে। কাৰণ বাহিৰৰ পৰা কোনেওতো কেপচুল খোৱাই দিব নোৱাৰে। আমি ভিতৰৰখিনিৰে সদ্ব্যৱহাৰ কৰিব লাগিব। আমাৰ যিখিনি ৰিৰ্চোচ, সেই ৰিৰ্চোচৰ যিখিনি জলসম্পদ

আছে তাৰ ভিতৰত যিখিনি ডাঙৰ ডাঙৰ বিল আছে, পিত্তনি আছে, বিল সদৃশ পুখুৰী আছে আৰু তাৰ লগত প্ৰতিখন পঞ্চায়তে চাৰি-পাঁচখনকৈ বিল আছে আৰু ২২ খন চৰকাৰী বিল আছে। গতিকে ইমানখিনি জলসম্পদ আছে। আমাৰ পানীখাইতী বিল, গৰ্জন বিল, ইত্যাদি বিল আছে। এই গৰ্জন বিলত অধ্যক্ষ মহোদয়, প্ৰায় ৪৭৬৪ বিঘা মাটি আছে। প্ৰায় ৭ কিঃমিঃ জোৰা। কিন্তু কথাটো হ'ল, আগৰ চৰকাৰৰ দিনৰ পৰা তেনেধৰণৰ কোনো উন্নয়ণ মূলক আঁচনি আমাৰ বিল বিলাকৰ কাৰণে লোৱা নহ'ল। যাৰ ফলত ইমান ডাঙৰ ডাঙৰ হাজাৰ হাজাৰ বিঘাৰ বিল মাটি-বালিয়েদি পোত খাই গ'ল, জংঘল ভৰি গ'ল। গতিকে প্ৰথমতে মই বিচাৰিম আমাৰ মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ। এই যিখিনি আমাৰ জলসম্পদ আছে সেই জলসম্পদ বোৰক ভালকৈ ব্যৱহাৰ কৰিব নোৱাৰিম জানো। এনেকুৱা এটা সময় আছিল আমাৰ হাজোৰ মাছেৰে গোটেই গুৱাহাটী বাসীক খুৱাইছিলো। আমাৰ হাজোৰ মাছ গোটেই গুৱাহাটীত বিখ্যাত আছিল। এতিয়া উৎপাদন কমি আহিছে, সেয়েহে সমস্যাটো হৈছে বিলসমূহ বোকাৰে পোত খাই গৈছে, বহুত দখলী কৰণ হৈছে যাৰ কাৰণে মাছৰ উৎপাদন কমি আহিছে। মাছৰ উৎপাদন অকল অসমতেই নহয়, গোটেই ভাৰতবৰ্ষতে কমি গৈছে। গোটেই এছিয়াৰ ভিতৰত ভাৰতে মাছৰ উৎপাদন মাত্ৰ ৯ শতাংশ কৰে। কিন্তু বহুত পানী আছে, য'ত জাপানে ৮০ শতাংশ কৰে আৰু চীনে ১৮ শতাংশ কৰে। আমাৰ অসমো ইয়াৰ ব্যতিক্ৰম নহয়। আমাৰ মাছৰ উৎপাদন কমি আহিছে। আমাৰ বেদখলীকৰণ হৈছে জলসম্পদবোৰত। চেষ্টা নোহোৱা বাবে পোত খাই গৈছে। আমাৰ কেন্দ্ৰীয় চৰকাৰে আজি এই সমস্যাবোৰ সমাধানৰ কাৰণে, মাছৰ উৎপাদনটো বঢ়াবৰ কাৰণে বহুত ধৰণৰ আঁচনি লৈছে। এই আঁচনি সমূহৰ ভিতৰত Indian Fishary and Aqua Culture যিটো Metro Mnagement Approch ৰ ক্ষেত্ৰত যিটো আঁচনি লৈছে, সেইটো খুব অভিলাষী আঁচনি। তাৰ লগত Green Revolution. টো আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে আমাৰ এই বিল সমূহৰ সংস্কাৰ কৰি তেনেকুৱা ধৰণৰ আঁচনি যদি আমি লওঁ তেতিয়াহ'লে এইটো আমাৰ এটা ভগৱান প্ৰদত্ত আৰ্শীবাদ স্বৰূপ হ'ব। কাৰণ আগৰ দিনত কি হৈছিল যেতিয়া জলে আৱৰি ৰাখিছিল, প্ৰলয় হৈছিল তেতিয়া ভগৱানে মাছৰ অৱতাৰ লৈ উদ্ধাৰ কৰিছিল যে "মৎস্য ৰূপে অৱতাৰ ধৰি প্ৰথমত, উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত"। গতিকে ভগৱানে যেতিয়া মাছৰ ৰূপ লৈ যদি জগৎ খন উদ্ধাৰ কৰিছিল, আমি যদি মাছটো বিশেষভাৱে লৈ হাজোৰ যিটো নিৰনুৱা সমস্যা আছে, অৰ্থনৈতিক অনগ্ৰসৰতা আছে, সেইটো যদি উদ্ধাৰ কৰিব নোৱাৰো, সেয়েহে ফিচাৰী ডিপাৰ্টমেণ্টৰ মাননীয় পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক আপোনাৰ হৈ অনুৰোধ কৰিব খুজিছো যে উপযুক্ত আঁচনি, উপযুক্ত ধন, স্পেচিয়েলি যদি আমি আঁচনি যুগুত কৰো অকল এই জল সম্পদৰ কাৰণে তেতিয়াহ'লে আমাৰ যিখিনি নিৰনুৱা যুৱক-যুৱতী আছে তেওঁলোকক অৰ্থনৈতিকভাৱে সুৰক্ষা দিব পাৰিম। হাজোৰ মাছ বিখ্যাত হৈ পৰিব বুলি মোৰ বিশ্বাস আছে। মাছৰ যিখন বজাৰ, সেইখন যথেষ্ট ডাঙৰ। এতিয়া আমাৰ উড়িষ্যা, অন্ধ্ৰপ্ৰদেশ, ফীনলেণ্ডত মাছৰ ব্যৱসায় কৰি ধনী হৈ গৈছে। আমাৰ হাজোত ইমান জলসম্পদ আছে, ইমান পানী আছে, গতিকে তেনেকুৱা ধৰণৰ আঁচনি গ্ৰহণ কৰি আমিও অৰ্থনৈতিক ভাৱে উন্নতি সাধন কৰিব পাৰো। সেইদিনা "এডভাণ্টেজ আসামত" বাংলাদেশে যিটো ক'লে যে শুকান মাছৰ বজাৰৰ কথা। গতিকে শুকান মাছৰ বজাৰখন আমিও চিন্তা কৰিব পাৰো হাজো সমষ্টিত। সেই শুকান মাছৰ বজাৰখনো সম্ভৱ আমাৰ হাজো সমষ্টিত। আমাৰ হাজোত যিহেতু বেলেগ ধৰণৰ কোনো ইণ্ডাষ্ট্ৰী নাই, গতিকে এই মাছটোকে যদি আমি মৎস্য উদ্যোগ হিচাপে গঢ়ি তুলিব পাৰো, Fish culture, Fish processing Unit হিচাপে কিবা আমি

চিন্তা কৰিব পাৰো নেকি ? তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰথমতে ধন্যবাদ দিব বিচাৰিছো যে তেওঁলোকে ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছৰ বহুত জাগৰণ আনিছে। সমষ্টিৰ প্ৰত্যেকজন বিধায়কে স্বীকাৰ কৰিব আৰু টি আৰ ডি এফ ৰ ফালৰ পৰা আমাৰ মাছৰ ফিছাৰী খান্দিবৰ বাবে ৫০ খনকৈ ফৰ্ম দিছে। অৱশ্যে ডিমাণ্ড বহুত আছে। সেইখিনিৰে আমাৰ ৫০ জন benificiary উপকৃত হৈছে আৰু তাৰ লগে লগে মই অনুৰোধ কৰিব বিচাৰিম আপোনাৰ বিভাগৰ পৰা হাজো সমষ্টিত উন্নতি হওক। তাৰ লগতে আমি এটা কথা ক'ব লগীয়াও আছে যে আমাৰ Fishary Department ৰ যিখিনি Officer, তেওঁলোকৰ লগত যাতে বিধায়ক সকলৰ এটা সু-সম্পৰ্ক হয়। তেওঁলোকে যদি কিবা এটা আঁচনি লৈ বিধায়ক সকলকো জনায়, বিশেষকৈ মই Fishary Department, co-oparation Department ৰ লগত আমাৰ হাজোত যোৱা বিগত session ত কিবা আঁচনি লৈছিল আৰু মই Question, Answer ত দেখা পাইছিলো। গতিকে বিভাগৰ ফালৰ পৰা মন্ত্ৰী, বিধায়ক সকলক জনাব লাগে আৰু কঠোৰ সকিয়নী মন্ত্ৰী মহোদয়ৰ ফালৰ পৰা দিব লাগে। এতিয়া দ্বিতীয় চেপ্টাৰত অধ্যক্ষ মহোদয়, মোৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গ্ৰামোন্নয়ন বিভাগ।

**শ্ৰী মতী সুমন হৰিপ্ৰিয়া, হাজো ঃ** আমাৰ গ্ৰামোন্নয়ন বিভাগৰ কথা ক'বলৈ হ'লে আমাৰ হাজো সমষ্টি, আমাৰ নলবাৰী, বৰক্ষেত্ৰী, জালুকবাৰী, কমলপুৰ এই চাৰি-পাঁচটা সমষ্টিৰ মাজত অৱস্থিত আৰু বিশেষকৈ যিহেতু গ্ৰাম্যপ্ৰধান সমষ্টি, সেয়েহে এই সমষ্টিটোৰ উন্নতি নিৰ্ভৰ কৰে যে আমি আমাৰ গ্ৰামোন্নয়নৰ যিখিনি আঁচনি সেই আঁচনি খিনি আমি কেনেকৈ ৰূপায়ণ কৰো এনেকুৱা ধৰণৰ সমষ্টিবিলাক যিবিলাক Rural Based, Basically যিখিনি 100 rural based সেই গ্ৰামোন্নয়ণ আঁচনিৰ ওপৰতে নিৰ্ভৰ কৰে। আমাৰ গ্ৰমোন্নয়ণ বিভাগত উন্নতিৰ বহুত স্কোপ আছে কেৱল সমষ্টিটোৰে নহয় আৰু নিবনুৱা যুৱক-যুৱতী আছে তেওঁলোকক সংস্থাপন দিয়াটো গ্ৰামোন্নয়ন আঁচনি বহুত আগ-ভাগ লব পাৰে। যিহেতু আমাৰ হাজো সমষ্টিতো Agricultural Based। আমাৰ লোকসকল কৃষি জীৱি আৰু মৎস্য জীৱি। গতিকে তেনেকুৱা ধৰণৰ বিভিন্ন আঁচনিৰ দ্বাৰা হাজো সমষ্টিতো লাভৱান হ'ব পাৰিলেহেঁতেন। কিন্তু বিগত চৰকাৰৰ দিনত বিভিন্ন গ্ৰমোন্নয়ণ আঁচনিৰ বাবে লাখ লাখ টকা (Block) উন্নয়ণ খণ্ডত আহে। কিন্তু(Block) উন্নয়ণ খণ্ডত থকা সেই পইচাখিনি আঁচনি সমূহত সদ্ব্যৱহাৰ নকৰিলে। আঁচনিখিনি যুগুত কৰোতে সমষ্টিটো যিখিনি প্ৰয়োজন সেই প্ৰয়োজন খিনি লক্ষ্য ৰাখি আঁচনি যুগুত নকৰাৰ ফলত আমাৰ আঁচনিখিনি লাভৱান হোৱা নাই। আঁচনিখিনিৰ দ্বাৰা ৰাইজ লাভৱান হোৱা নাই। তাৰ লগত দুৰ্নীতি আছেই। আপোনালোকে দেখা পাইছে যে গ্ৰামোন্নয়ণ বিভাগৰ বহু কেলেংকাৰী বিভিন্ন সমষ্টিত হৈছে। আমাৰ হাজোও ইয়াৰ ব্যতিক্ৰম নহয়। কালি মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত দেখা পাইছো যে তেঁও ৩০ জন পঞ্চায়তৰ সদস্য গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ দিছে। মই এই ৰিপোৰ্টটো চাইছো। গ্ৰামোন্নয়ণ বিভাগৰ ৩০ জন সদস্য এতিয়াৰ চৰকাৰৰ দিনতে যদি গ্ৰেপ্তাৰ হৈছে, তেন্তে আমাৰ নিশ্চয় ক'ৰবাত কিবা এটা সমস্যা আছে। কাৰণ অকল হাজোৰ নিচিনা সমষ্টি বৰক্ষেত্ৰী আৰু ৰঙিয়া সমষ্টি য'ত MGNREGA ত 14th Finance ৰ দৰে প্ৰজেক্টে বহুত উন্নতি সাধন কৰিব পাৰে। এম এল এ আৰু এম পি ফাণ্ডৰ প্ৰয়োজন নহয়। এনেকুৱা বাহিৰত বহু সমষ্টি আছে য'ত MGNREGA Rural Road বনোৱাৰ পৰা মথাউৰি বনোৱালৈকে বহুত কাম কৰিছে। পি এন ডি বিভাগক কৈ থাকো মথাউৰি বনাই দিবৰ কাৰণে। কিন্তু MGNREGAৰ ফালৰ পৰাই এইবিলাক Infra-

structure নিৰ্মাণ কৰাৰ সুবিধা আছে। গতিকে অত বছৰে বিগত চৰকাৰৰ দিনত কিয় নকৰিলে মই সেইটো নাজানো। দ্বিতীয়টো কৰ্ম-দক্ষতাৰে অভাৱ নেকি ? কিন্তু মই আমাৰ নতুন চৰকাৰ অহাৰ পিছত পাঁচজন বিষয়া এৰেষ্ট হৈছে বুলি শুনিবলৈ পাইছো। তথাপিও তেনেকুৱা ধৰণৰ এটা দুৰ্নীতি আছে। এই দুৰ্নীতিৰ কাৰণে যিমানে আমাৰ পঞ্চায়ত সদস্যক দোষ দিম, আমাৰো কিছুমান চৰকাৰী বিষয়া গাওঁ পঞ্চায়ত বা (Block) উন্নয়ণ খণ্ডত জড়িত হৈ আছে। মই মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম অত্যন্ত কঠোৰ হ'বলৈ আৰু এই দুৰ্নীতি আঁতৰ কৰিবলৈ । দৰকাৰ হ'লে অলপ ৰদ-বদল কৰক, কঠোৰ শাস্তি দিয়ক, তেতিয়াহে যাতে আমাৰ উপযুক্ত ভাৱে আমি আঁচনিখিনি ব্যৱহাৰ কৰিব পাৰো ৰাইজৰ ভালৰ নিমিত্তে। মই আৰু এটা কথা ক'বলৈ বিচাৰো মাননীয় মন্ত্ৰী মহোদয়ক যে আমাৰ হাজো সমষ্টিৰ এটা ভাগ হৈছে, পশ্চিম বড়িগোগ মৌজা। আমাৰ তাত চাৰিখন মৌজা আছে কিন্তু অতি দুখ লগা কথা এই চাৰিখন পঞ্চায়ত ৰঙিয়া Block ৰ পৰা কণ্ট্ৰোল হয়। আমাৰ হাজো সমষ্টিত ২০খন পঞ্চায়ত আছে, ২০খন পঞ্চায়তত দুটা Development Block easily হয়। জনসংখ্যা বৃদ্ধি হৈছে। কিন্তু ৰঙিয়া Block ত ৰঙিয়া সমষ্টি আছে। কমলপুৰ সমষ্টি আছে । তাৰ লগত আমাৰ এই চাৰিটা পঞ্চায়তো লগাই দিছে। তাৰ ফলত আমাৰ গুৰুত্বটো কম পাওঁ। ৰঙিয়া সমষ্টি, কমলপুৰ সমষ্টি কাম বেচিকৈ কৰে আৰু আমাৰ এই চাৰিটা পঞ্চায়তে কাম নকৰে। আৰু পইচাৰ ধনটো যদি আহে তাৰ সিংহভাগেই গুচি যায় বাকী কেইটা সমষ্টিত আৰু যোৱাবাৰ আমালৈ পইচাই নাটিল। কাজিয়া কৰোতেই গ'ল। সেইকাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম অতি সোনকালে আমাৰ হাজো সমষ্টিক দুটা (ব্লক) উন্নয়ণ খণ্ড দিয়ক, যাতে আমাৰ কাম-কাজ কৰাত সুবিধা হয় ।তৃতীয়তে মই আমাৰ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ক'ব বিচাৰো যে যেতিয়ালৈকে এটা সমষ্টিত উদ্যোগ নাহে , সমষ্টিটোৰ উন্নয়ণৰ ক্ষেত্ৰত বাধা হয়। আমাৰ মাননীয় গড় কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই ৰাস্তা-ঘাট যথেষ্ঠ বনাইছে। মোৰ হাজো সমষ্টিতো যেতিয়া ৰাইজক সুধিছো যে বিধান সভাৰ অধিবেশনত মই এই বাৰ কি ক'ম ? ৰাইজে কৈছে যে, ৰাস্তা-ঘাট এতিয়া হৈছে, বেলেগ সমস্যাৰ কথা কওঁক। এতিয়া সেই ৰাস্তাৰে যদি আমাৰ নিবনুৱা যুৱক-যুৱতীসকল খোজ কাঢ়ে মোৰ তেতিয়া কেনেকুৱা লাগিব কওঁকছোন ? সেই দিনাখন মই ৰাস্তা গৰ্বেৰে চাবলৈ গৈছিলো। তাত স্থানীয় দুজনমান নিবনুৱা যুৱকে মোক ক'লে বাইদেউ আমাৰ কি হ'ব আমিতো বেকাৰ হৈয়ে থাকিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া উদ্যোগ বিভাগৰ কথা কৈছে , নহয় জানো? উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ক'লেহে ভাল হ'ব।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজোঃ** হয়- হয়, অধ্যক্ষ মহোদয়, গতিকে মই ৰাস্তাৰে খোজ নাকাঢ়ি গাড়ীত বহিবলৈ বাধ্য হ'লো। গতিকে মহোদয়, আমাৰ হাজো সন্তষ্টিত স্মল স্কেল ইণ্ডাষ্ট্ৰী যদি কেইটামান আনে খুব ভাল হয়। ডাঙৰ ডাঙৰ ইণ্ডাষ্ট্ৰী আমাক নালাগে। যেনে আমাৰ হাজোত এগ্ৰো বেছ ইণ্ডাষ্ট্ৰী আমি কৰিব পাৰো, ফুড প্ৰচেচিং ইণ্ডাষ্ট্ৰী কৰিব পাৰো , ডায়েৰী বেচ ইণ্ডাষ্ট্ৰী কৰিব পাৰো। তেনেধৰণৰ যদি কেইটামান ইণ্ডাষ্ট্ৰী আনিব পাৰে তেন্তে আমাৰ সুবিধা হয়। হাজোত বহুত মাটি আছে , কিন্তু গ্ৰেজিং ৰিজাৰ্ভ আছে। হাজোৰ দুখনীয়া ৰিজাৰ্ভত ১২ হাজাৰ বিঘা গ্ৰেজিং মাটি আছে। কিন্তু এইবিলাক এনকোৰ্ছমেন্ট হৈছে। বহু চৰকাৰী মাটি, ৰিজাৰ্ভৰ মাটি , পি জি আৰ - ভি জি আৰ মাটি দখল হৈছে। আজি সদনত ইণ্ডাষ্ট্ৰী মিনিষ্টাৰ আৰু ৰেভিনিউ মিনিষ্টাৰ চাৰ একেলগে বহি আছে, মই ভাল পাইছো গতিকে মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো

যে, মোৰ হাজো সমষ্টিত যিখিনি চৰকাৰী ভি জি আৰ - পি জি আৰ মাটি বেদখল হৈ আছে সোনকালে দখল মুক্ত কৰি তাত নিবনুৱা সংস্থাপনৰ বাবে স্মল ইণ্ডাষ্ট্ৰী কেইটামান অনাৰ ব্যৱস্থা কৰিব লাগে। যদি মাটিখিনি এভেকচন কৰি খালি কৰি ৰখা হয়  তেতিয়া তাত আকৌ ইনকোৰ্ছমেন্ট হ'ব। গতিকে এভেকচন কৰি খালি মাটিখিনিত যদি কেইটামান ইণ্ডাষ্ট্ৰী অনাৰ ব্যৱস্থা কৰে তেতিয়া স্থায়ী সমাধান হ'ব। গতিকে হাজো সমষ্টিত আমাক স্মল স্কেল ইণ্ডাষ্ট্ৰী লাগে কিন্তু তাতো এটা সমস্যা আছে চাৰ, আমাৰ হাজো সমষ্টিত যিখিনি আন এমপ্লইড ইয়ুথ আছে তাৰে বহুতে মোক কয় যে , বাইদেউ আমাৰ কাষতে ইমামী ইণ্ডাষ্ট্ৰী হৈছে তাতে আমাক চাকৰিত সোমাই দিয়ক। মোৰ যথেষ্ট দুখ লাগে কাৰন তাতে সোমোৱাৰ পিচত তেওঁলোক আন স্কীলড লেৱাৰ হ'ব। আন স্কীলড লেৱাৰ হ'লে ৭০০০ টকা দৰমহা পাব। না সিঁহতৰ ফিউচাৰ , না প্ৰমোচন,  একো নাই, ভৱিষ্যত নাই। গতিকে তাতে জীৱনটো তেওলোকে কেনেদৰে কটাব , সেয়েহে আমি বিচাৰো যিখিনি ইণ্ডাষ্ট্ৰী মন্ত্ৰী মহোদয়ে আমাক দয়া কৰি দিব সেই ইণ্ডাষ্ট্ৰীখিনিৰ যিখিনি লাগতীয়াল স্কীলড লেবাৰ লাগিব। সেই স্কীল ট্ৰেইনিঙ প্ৰথমতে  স্থানীয় যুৱক-যুৱতীসকলক দি ল'ব লাগে তাৰ পিচতহে ইণ্ডাষ্ট্ৰীটো বহুৱালে ভাল হয়,যাতে তাৰ লৰা ছোৱালীখিনিৰ  ভৱিষ্যত যাতে সুৰক্ষিত হয়। গতিকে মই মন্ত্ৰী মহোদয়ক এই তিনিটা অনুৰোধ কৰিছো, এই তিনিটাই মোৰ সমষ্টিৰ  মূল সমস্যা। মাননীয় অধ্যক্ষ মহোদয় আপুনি মোক ক'বলৈ সুবিধা দিছে তাৰ বাবে ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ এটা পইন্ট থাকি গৈছে, মই আপোনাৰ স্পীছ পঢ়ি আছো। আপুনি তাত ৰবি শস্য বহুত হয় বুলি কৈছে, লগতে তাত ষ্ট'ৰেজ নাই বুলি কৈছিলে। সেই কথাটো কওঁক।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজোঃ** হয়- হয় অধ্যক্ষ মহোদয়, পুনৰ ধন্যবাদ জনাইছো আপোনাক মনত পেলাই দিলে ।মই আমাৰ হাজো সমষ্টিৰ বিষয়ে  এটা কথা  আমাৰ মাননীয় অধ্যক্ষ মহোদয়ক লিখিছিলো আমাৰ হাজোৰ পৰা ফুল আহি গুৱাহাটীৰ শুক্লেশ্বৰ ঘাট ভৰি পৰে। আপোনালোকে দেখিছে পুৱা ৪.০০ বজাতে হাজোৰ পৰা ফুল আহে। গতিকে ফুলখিনি শুকাই নোযোৱাকৈ কঢ়িয়াবৰ বাবে দুইখনমান এ. চি গাড়ীৰ যদি চৰকাৰে ব্যৱস্থা কৰে আমাৰ সুবিধা হয়। তাৰ লগতে আমাৰ হাজো অঞ্চলৰ ৰামদিয়া, কুলহাটি ইত্যাদি আপোনালোকে জানেই  এগ্ৰি বেছ অঞ্চল গতিকে তাত কোণ্ড ষ্ট'ৰেজৰ ব্যৱস্থা কৰিব লাগে। তাত এটাও কোল্ড ষ্ট'ৰেজ নাই। কোল্ড ষ্ট'ৰেজৰ বাবে বহু কাৰেন্টৰ দৰকাৰ, কাৰেন্টৰ অভাৱত বহু ষ্ট'ৰেজ বন্ধ হৈ গৈছে। আজি সদনত আমাৰ শক্তি মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে তেখেতকো অধ্যক্ষ মহোদয়ৰ জৰিয়তে জনালো। এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো আৰু অধ্যক্ষ মহোদয়, আপুনি মোক ক'বলৈ সুযোগ দিয়া বাবে হাজো বাসীৰ হৈ আপোনাক পুনৰ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** আপুনি বেছি সময় লোৱা নাই। ১৫-১৬ মিনিটেই লৈছে। ..... হাজো বিশেষকৈ এখন পৰ্য্যটন নগৰী গতিকে পৰ্য্যটন ৰিলেটেড যদি কিবা ইণ্ডাষ্ট্ৰী তাত হয়, সেইটো কৰিলেও তাৰ স্থানীয় লৰা ছোৱালীখিনিৰ সুবিধা হ'ব পাৰে। মই এনে ধৰণৰ কথাবিলাক হাইলাইট কৰাৰ বাবে মেইনলী দিছিলো। মন্ত্ৰীসকলে ইয়াৰ উত্তৰ আজিও দিব পাৰে বা পিছতো দিব পাৰিব। যদি আপোনালোকে ভাবে উত্তৰ পিছতো দিব পাৰিব কিন্তু ইমিডিয়েট ৰিয়েক্ট যদি কৰিব বিচাৰে কৰিব পাৰে। এতিয়া মই প্ৰথমে ফিচাৰীৰ পৰা আৰম্ভ কৰো।... মন্ত্ৰী ডাঙৰীয়া... । আজি এইটো ভাল কথা হ'ল ফুল বা ফিচাৰীৰ কথাটো মই জনা নাছিলো...।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানি, মীন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী আজি এই  মেম্বাৰচ আৱাৰত তেখেতৰ সমষ্টিৰ কিছুমান সমস্যা

আলোচনা কৰিলে, মই ভাল পাইছো। অধ্যক্ষ মহোদয়, মই বহুদিন আগতে এই বিধান সভাত আহিছিলো আৰু নতুনকৈ আহি যেতিয়া বিধান সভাত সোমালো তেতিয়া মনত ভাৱ আহিছিল যে আমি কথা ক'বলৈ নাপামে নেকি ? কিন্তু আজি ফাৰ্ষ্ট ডে এই মেম্বাৰছ আৱাৰত অংশ গ্ৰহণ কৰিবলৈ পোৱা বাবে আপোনাক ধন্যবাদ জনাও যে আপুনি সুন্দৰ এটা ডিভাইচ আনিছে যিটো ডিভাইচৰ দ্বাৰা আমাৰ বিধান সভাত নতুন অহাসকলে বা পুৰনি বিধায়কসকলেও ক'ব পাৰো, যে আমি আমাৰ মন কথাখিনি বা ৰাইজৰ কথাখিনিও আমি সদনত খুলি ক'ব পাৰো। সেই কাৰেনে প্ৰথমে আপোনাক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আপুনি কৈছে যে যদি নহয় , তেনেহ'লে কথাটো উঠাই দিয়া যাওক। মই ভাৱো ছাৰ যে, 'নহয়' কথাটো নহয়, কাৰন আপুনি আজি যিটো সুন্দৰ মন লৈ ডিভাইচটো আনিছে আৰু এই ডিভাইচত প্ৰথমে যি গৰাকী বিধায়িকা ডাঙৰীয়ানী প্ৰশ্ন উথাপন কৰিলে তেখেতৰ নাম শ্ৰীসুমন হৰিপ্ৰিয়া। সুমন- মানে সুন্দৰ মন- তেখেতে সুন্দৰ মনলৈ প্ৰশ্নটো উথাপন কৰিছে , আলোচনা কৰিলে, আপোনাৰো সুন্দৰ মন অধ্যক্ষ মহোদয়। তেওঁৰ নামৰ লগতে হৰিপ্ৰিয়া শব্দটো সংযোগ আছে গতিকে মই ভাৱো যে এই ডিভাইচটো ৰাইজৰ আশা আকাংখা পূৰণ কৰিব। তেখেতে মাছৰ ওপৰত কিছুমান কথা কৈছে আৰু বহু ভাল কথা কৈছে। এটা সময়ত হাজোৰ মাছ বিখ্যাত আছিল। হয় এটা গানত কলি আছিল-যে, " ৰান্ধনি পাগল মাছ হাজোৰ"--- গতিকে হাজোত ইমান ধুনীয়া মাছ আছিল যে ৰান্ধনী পাগল হৈ যায়। কাজেই সঠিক ভাৱে প্ৰথমে মীন বিভাগত আপুনি প্ৰশ্নটো উথাপন কৰিলে, প্ৰথম প্ৰশ্ন - নতুন ডিভাইচ আৰু মাছৰ কথা। আপোনালোকে জানে যে কিবা এটা মঙ্গল কামনাৰ আগেতে আমি মাছ দি পেলাই আমি মঙ্গলাচৰন কৰো। হাজো সমষ্টিত আমি মীন বিভাগৰ ফালৰ পৰা মই কিছু তথ্য সদনত দাঙি ধৰিব বিচাৰিছো। কামৰূপ গ্ৰাম্য জিলাৰ ৫৫ নং হাজো বিধান সভা সমষ্টি মীন পালন তথা মাছ উৎপাদন কেন্দ্ৰৰ উল্লেখযোগ্য সমষ্টি। ৮০ দশকৰ পৰা ইয়াত বিজ্ঞানসন্মত মাছ খেতি আৰম্ভ হৈছে। হাজোত অৱস্থিত চৰকাৰী মীন পামত থকা মীন পালন প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি বিভাগীয়ভাবে পৰ্য্যায়ক্ৰমে প্ৰশিক্ষন দি মীন পালকসকলক বিজ্ঞানসন্মতভাৱে মাছ পালনৰ অৰিহণা যোগাই আহিছে। হাজো বিধান সভা সমষ্টি অসমৰ মাছ উৎপাদনৰ ক্ষেত্ৰত এটা উল্লেখনীয় বৰঙণি যোগাই আহিছে। হাজো সমষ্টিৰ জলবায়ু মাছ উৎপাদনৰ বাবে অতিশয় উপযোগী। ইয়াত ব্যক্তিগত পুখুৰী বহুখিনি আছে, ৰাজহুৱা পুখুৰী আছে, জলাশয় আছে পতিত অঞ্চল আছে , পঞ্জীয়নভূক্ত কিছুমান বিল আছে। অপঞ্জীয়নভূক্ত কিছুমান বিল আছে। আধুনিক মীন পোনা উৎপাদন কেন্দ্ৰ ফিচাৰীও কিছুমান আছে। হাজো সমষ্টিত মীন ক্ষেত্ৰৰ উন্নয়ণৰ বাবে মীন বিভাগে বিভিন্ন সময়ত বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি আহিছে। ২০১৭-১৮ বৰ্ষত মীন বিভাগে সম্পূৰ্ণ কৰা আঁচনি কেইটামান থূল মূলকৈ আপোনালোকক গাই দিবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহাৰ পিচতে মাছ উৎপাদনৰ বাবে আমি অলপ চেষ্টা কৰিছো নীল বিপ্লৱৰ জৰিয়তে। আমাৰ কেন্দ্ৰীয় চৰকাৰে আৰু আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে গোটেই ভাৰতবৰ্ষতে মাছৰ উৎপাদনৰ বাবে এটা বিপ্লৱ অনাৰ চেষ্টা কৰিছে। মাছৰ উৎপাদন বিপ্লৱ সেই কাৰণে এইটোৰ নাম দিয়া হৈছে নীল পিপ্লৱ। নীল বিপ্লৱৰ জৰিয়তে যোৱাবাৰ আমি যিখিনি টকা-পইচা কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে পাইছিলো তাৰ পৰা আমাৰ ৰাজ্য চৰকাৰে এই হাজো সমষ্টিৰ বিধায়িকা মহোদয়াৰ অনুমোদন ক্ৰমে আমি ২০১৬-১৭ বৰ্ষত মুঠ ১১ টা ব্যাক্তিগত খণ্ডৰ নতুন পুখুৰী নিৰ্মাণ সম্পূৰ্ণ কৰিছে। ১১ টাৰ বেছি আমি কৰিব পৰা নাই । আমি ১১ টা কৰিছিলো।

বিজ্ঞানসন্মত পদ্ধতিৰে মীন পালন আৰম্ভ কৰিছে **১১** টা পুখুৰীত। প্ৰতিটো পুখুৰীৰ পানী কালি

০.১০ হেক্টৰ আৰু ৰাজ্যিক পৰিকল্পনা শিতানত হাজো সমষ্টিৰ বিধায়িকা মহোদয়াৰ অনুমোদন ক্ৰমে **২০১৭-১৮** বৰ্ষত মুঠ চাৰিটা ব্যক্তিগত খণ্ডৰ নতুন পুখুৰী নিৰ্মাণ কৰিছো। প্ৰতিটো পুখুৰীৰ পানী কালি ০.১৪ হেক্টৰ । RIDF আঁচনিৰ অধীনত মাননীয়া বিধায়িকা মহোদয়াৰ অনুমোদন ক্ৰমে **২০১৭-১৮** বৰ্ষত প্ৰথম তালিকাত মুঠ **৬৩** টা আৰু দ্বিতীয় তালিকাত মুঠ **১৮** টা সৰ্ব্বমুঠ **৮১** টা নতুন পুখুৰী খননৰ বাবে নিৰ্বাচিত কৰা হৈছে বিভাগৰ ফালৰ পৰা। চৰকাৰী নিৰ্দেশনা অনুসৰি পুখুৰী নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ধনৰ শতকৰা **৩০** ভাগ হিতাধিকাৰীৰ বেংকৰ একাউন্টত জমা দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। প্ৰতিটো পুখুৰীৰ পানী কালি ০.১৪ হেক্টৰ। মাননীয় অধ্যক্ষ মহোদয়, RIDF আঁচনিৰ অধীনত **২৩** এতিয়ালৈকে পোৱা নাই। আমাৰ গোটেই সন্মানীয় বিধায়ক, বিধায়িকা সকলে যি অনুমোদন দি পঠিয়াছে, গোটেই খিনি আমাৰ ফালৰ পৰা approve কৰি বিত্তীয় বিভাগত পঠিয়াইছো। যেতিয়া বিত্তীয় বিভাগৰ পৰা fund টো release হব, প্ৰথমে শতকৰা **৩০** ভাগ ধন হিতাধিকাৰীৰ বেংকৰ একাউন্টত DBT system ত যাব । আমি direct transfer কৰিম তেওঁলোকৰ একাউন্টত। তেওঁলোকে কাম আৰম্ভ কৰিলে পিছত আমি another 40% then 30% একেবাৰে তেওঁলোকে যেতিয়া কামটো সম্পূৰ্ণ কৰিব আমি 30% দিম। এনেকুৱা এটা নিয়ম নীতিৰ আধাৰে বিচাৰিছো যাতে আমাৰ হিতাধিকাৰী সকল উপকৃত হব পাৰে আৰু ইয়াতে যদি **৮১** টা পুখুৰী নিৰ্মাণ হৈ যায়, বিত্তীয় বিভাগে যদি অনুমোদন দিয়ে তেতিয়া হ'লে মই ভাৱো যে হাজো সমষ্টিত মৎস্য খণ্ডত এটা উন্নয়ন আহিব। আপুনি AFDC ৰ কথাও কৈছে, অসম মীন উন্নয়ন নিগম লিমিটেডতে কামৰূপ জিলাত মুঠ চাৰিখন বিল আছে । হাজো বিধান সভা সমষ্টিত AFDC ৰ মতে গৰজান - বুলটজান এখনে বিল আছে। এই গৰজান -বুলটজান ৰ ক্ষেত্ৰত কব পাৰিম RIDF **১৫** ৰ অধীনত **২০১১-১২** বিত্তীয় বৰ্ষত কামৰূপ জিলাৰ গৰজান -বুলটজান বিলৰ পুজেলি অংশ মুঠ **২৩৪.১০** লাখ টকা ব্যয়ৰে **৬** টা Stocking Tank নিৰ্মাণ কৰা হৈছিল। এটা Tank ৰ কালি ৪ হেক্টৰ। Rearing Tank হিচাবে গৰজান - বুলটজান বিলত বিগত **২০১৩-১৪** আৰু **২০১৪-১৫** বিত্তীয় বৰ্ষত মুঠ **৪০** লাখ টকা ব্যয়ৰে **০.৫১** হেক্টৰকৈ **২০** টা Rearing Tank নিৰ্মাণ কৰা হৈছিল। গৰজান -বুলটজান বিলত মাছৰ উৎপদান বৃদ্ধিৰ বাবে বিগত **২০১৩-১৪** আৰু **২০১৪-১৫** বিত্তীয় বৰ্ষত **৩.৭০** লাখ টকা ব্যয়ৰে **৫** টা PEN নিৰ্মাণ কৰা হৈছিল আৰু এই AFDC ত যি বিলখন আছে পট্টন সম্পৰ্কীয় তথ্য - গৰজান - বুলটজান বিলখনৰ **১** ম অংশ **২০১৭-১৮** ৰ পৰা **২০২৩-২৪** লৈ শ্ৰী সুৰেণ দাসক বাৰ্ষিক **৭,৪৫,১০০.০০** টকাকৈ **৭** বছৰ সৰ্বমুঠ **৫২,১৫,৭০০.০০** টকা ৰাজহত পট্টন দিয়া হৈছে। বিলখনৰ **২** য় অংশ শ্ৰী বিপিন চন্দ্ৰ দাসৰ নামত যোৱা **২০১১-১২** ৰ পৰা **২০১৭-১৮** বিত্তীয় বৰ্ষৰ **৩১-০৩-২০১৮** ইং তাৰিখলৈকে বাৰ্ষিক **২,৩৫,০০০.০০** টকাকৈ **৭** বছৰ সৰ্বমুঠ **১৬,৪৫,০০০.০০** টকা ৰাজহত পট্টন দিয়া হৈছিল কিন্তু পট্টনৰ ষষ্ঠ বৰ্ষত তেখেতৰ মৃত্যু হোৱাত সঞ্চালক মণ্ডলীৰ সভাৰ সিদ্ধান্ত মৰ্মে তেখেতৰ পুত্ৰ শ্ৰী সঞ্জয় কুমাৰ দাসক বিলখনৰ পৰিচালনাৰ দায়িত্ব দিয়া হয়। অহা **৩১-০৩-২০১৮** ইং তাৰিখে উক্ত অংশৰ পট্টনৰ ম্যাদ অন্ত পৰিব।

আনহাতে উক্ত মীনমহলখনত RIDF - IX ৰ অধীনত নিৰ্মাণ কৰা ৬ টা Stocking Tank তলত দেখুওৱা ধৰণে পট্টন দিয়া হৈছে।

| টেংক নং | মহলদাৰৰ নাম | ৰাজহ |
|---|---|---|
| **১,২,৩** | শ্ৰী ভাগ্যবন্ত কাকতি | **৩,১৫,০০০.০০** |
| ৪ আৰু ৬ | শ্ৰী অতুল চন্দ্ৰ দাস | **২,৭০,০০০.০০** |

৫ শ্ৰী সঞ্জয় কুমাৰ দাস ১,৬৫,২৮৫.০০

চলিত ২০১৭-১৮ বিত্তীয় বৰ্ষত RIDF - XXI আঁচনিৰ অধীনত মুঠ ২ হেক্টৰ মাটিকালিৰ ৬ টা Stocking Tank মুঠ ১২০.৯৫ লাখ টকা আৰু ৫০০ মিটাৰৰ এটা approach Road মুঠ ১৬.১০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰাৰ বাবে নিৰ্বাচিত ঠিকাদাৰসকললৈ নিৰ্দ্দেশ জাৰি কৰা হৈছে। উক্ত নিৰ্মাণ কাৰ্য্য ঠিকাদাৰসকলে আৰম্ভ কৰি ২৫ শতাংশ কাম সম্পূৰ্ণ কৰিছে আৰু সৰুকৈ কেইটা কথা private pond ৰ কথা কৈছে, private pond আছে হাজো সমষ্টিত ৩,৩৪৪ টা। পঞ্চায়ত আৰু চৰকাৰৰ pond আছে ১৫ টা, community pond আছে ১০৩ টা। river ৰে আছে ১৬ টা, paddy field (paddy cum fish culture) আছে ৫৬ টা । Low-lying area আছে ১০ টা, Un- Registered Beel Fisheries আছে ২৮ টা, Beels under AFDC আছে ১ টা। গতিকে দেখা যায় যে হাজো সমষ্টিৰ মৎস্য খণ্ডত যিসকল মাছমৰীয়া আছে তেওঁলোক উন্নত আৰু তেওঁলোকে চেষ্টা কৰিলে আমি চৰকাৰৰ ফালৰ পৰা যিমান খিনি আৰম্ভ কৰিছো আৰু যেনেকুৱা আৰম্ভ কৰিছো, যদি আমি ভালকৈ কৰিব পাৰো তেনেহলে হাজো সমষ্টিৰ মৎস্য খণ্ডত এটা বিপ্লৱ আহিব মই ভাৱো আৰু কিছুমান বিলৰ কথা আছে আমি দি দিম, সময় কম, যিহেতু আৰু অন্যান্য বিভাগো আছে । আমাৰ মাননীয়া বিধায়িকাই কৈছে যে অসমত মাছৰ উৎপাদন কমিছে। মই এই বিভাগৰ মন্ত্ৰী হিচাপে কম যে আমাৰ চৰকাৰ অহাৰ পিছতে আমি খুব চেষ্টা কৰি আছো যে মাছৰ উৎপাদন যোৱা এবছৰ প্ৰায় ২০ শতাংশ বাঢ়িছে। মাননীয় মুখ্যমন্ত্ৰী মাছৰ ক্ষেত্ৰত খুব গুৰুত্ব লয়। গতিকে তেওঁৰ নিৰ্দেশত যোৱা বাৰ আমি কিছুমান কাম কৰিলো , ban period টো যাতে আমি banned ৰাখিব পাৰো। কিছুমান আমি blue revolution ৰ জৰিয়তে pond নিৰ্মাণ কৰিছো। ঠিক তেনেকুৱা আমি AFDC ৰ বিল বিলাক উন্নত কৰিবৰ কাৰণে হাতত কাম লৈছে। এই কাৰণে এইবাৰ ভোগালী বিহুত অসমত থলুৱা মাছৰ আমদানি বহুত বাঢ়িলে। আমাৰ মাননীয় সদস্য-সদস্যা সকল আছে যে আপোনালোকে গোটেই অসমত খনত যদি চাই দেখিব যে থলুৱা মাছৰ উৎপাদন বাঢ়িছে। এইবাৰ মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে NABARD 23 ৰ জৰিয়তে ১০০ কোটি টকা পাইছো আৰু ১০০ কোটি টকা আপোনালোকৰ জৰিয়তে প্ৰায় ৭ হাজাৰ পুখুৰী নিৰ্মাণৰ কাৰণে আমি proposal accept কৰি Finance ত পঠিয়াছো। Finance য়ে মুকলি কৰি দিলে আমি DBT system ৰ জৰিয়তে যিসকল মাছমৰীয়া বন্ধুসকল আছে, তেওঁলোকৰ কাম খিনি যদি সুকলমে কৰিব পাৰো তেনেহলে ৭ হাজাৰ পুখুৰীত যদি দুই কুইন্টলকৈ মাছ হয় ১৪ হাজাৰ কুইণ্টল হব। গতিকে মাছৰ ক্ষেত্ৰত এটা বিপ্লৱ আনিব পাৰিম এই বিশ্বাসটো আমাৰ আছে আপোনালোকে সহায় কৰক । এই কামনা কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। পঞ্চায়ত মন্ত্ৰী আপুনি ব্লকটোৰ কথা আৰু কেইটামান কথা কৈছিলে। উত্তৰ দিব নেকি ?

**শ্ৰী নৱ কুমাৰ দলে, পঞ্চায়ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰীয়া ডাঙৰীয়ানী হাজো সমষ্টিৰ ধূহিবালা, বৰংহাটি, বিষ্ণুপুৰ, বালিসত্ৰ আৰু কয়া বৰপুল্লা গাঁও পঞ্চায়তলৈ নতুন গ্ৰামীণ উন্নয়ন ব্লক গঠন কৰাৰ সম্পৰ্কে মাননীয়া বিধায়িকা মহোদয়াই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়ম ২৩ (২) ৰ অধীনত উত্থাপন কৰা প্ৰশ্ন সম্পৰ্কে চৰকাৰ অৱগত।

হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ চাৰিখন পঞ্চায়তৰ লগত আৰু দুখন পঞ্চায়ত ক্ৰমে ডিমুডবক আৰু বড়িগোগ পঞ্চায়তক লৈ ডিমু নামেৰে এটি নতুন উন্নয়ন খণ্ড স্থাপনৰ চৰকাৰী

অধিসূচনা জাৰি হয়। চৰকাৰী অধিসূচনা নং পিডিবি **৯৬ /২০১৩**/পিটি/**২৭** দিনাংক **২৯ /২/ ২০১৬** ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল (পৰিশিষ্ট -'ক')। চৰকাৰী অধিসূচনা জাৰি হৈছে যদিও নতুনকৈ অধিসূচনা জাৰি কৰা মুঠ ৪৯ টা উন্নয়ন খণ্ডৰ বাবে Man Power আৰু গৃহ নিৰ্মাণ হোৱা নাই। বিষয়টো চৰকাৰৰ বিবেচনাধীন।হাজো সমষ্টিৰ অন্তৰ্গত ওপৰত উল্লেখিত চাৰিখন গাওঁ পঞ্চায়ত ক্ৰমে ধুহিবালা, বৰংহাটি, বিষ্ণুপুৰ, বালিসত্ৰ, কয়া বৰপুল্লা ৰঙিয়া মহকুমাৰ অন্তৰ্গত ৰঙিয়া উন্নয়ন খণ্ডৰ অন্তৰ্ভূক্ত গাওঁ পঞ্চায়ত কেইখনৰ প্ৰধান মন্ত্ৰী আৱাস যোজনা - গ্ৰামীন, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইন, চতুৰ্দশ বিত্তীয় আয়োগৰ জৰিয়তে উন্নয়নমূলক কামৰ বাবে পুঁজি যোগান ধৰাৰ উপৰিও ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য আঁচনিৰ জৰিয়তে ব্যক্তিগত হিতাধিকাৰীলৈ বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন আৰু বিশেষ ভাৱে সক্ষম লোকলৈ পেঞ্চন প্ৰদান কৰা হয়। উপৰোক্ত চাৰিখন পঞ্চায়তত বিত্তীয় বৰ্ষ ২০১৪-১৫, ২০১৫-১৬ ৰ মুঠ ৩০০ টা আই.এ. ৱাই গৃহ অনুমোদন দিয়া হৈছে আৰু ইতিমধ্যে আটাইকেইটা গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ঠিক সেইদৰে ২০১৬-১৭ আৰু ২০১৭-১৮ ত মুঠ ৩৮ টা পি.এম.ৱাই.-জি গৃহ অনুমোদন দিয়া হৈছে আৰু ইতিমধ্যে ৩৮ টা গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেনেদৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইনৰ জৰিয়তে ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত ২৫১ টা আঁচনি সম্পূৰ্ণ কৰা হয়, ৩৮২১৮৭ টা কৰ্মদিন সৃষ্টি কৰা হয় আৰু ৫১৬.৫৫ লাখ টকা খৰচ কৰা হয়। পুনৰ ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য আঁচনিৰ জৰিয়তে ব্যক্তিগত হিতাধিকাৰীলৈ বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন আৰু বিশেষ ভাৱ সক্ষম লোকলৈ পেঞ্চন প্ৰদান কৰা হয়। মুঠ ১০৭৮ গৰাকী হিতাধিকাৰীলৈ বৃদ্ধ পেঞ্চন, ৭২ গৰাকী হিতাধিকাৰীলৈ বিধৱা পেঞ্চন, ২১ গৰাকী বিশেষ ভাৱে সক্ষম হিতাধিকাৰীলৈ পেঞ্চন পুঁজি হিতাধিকাৰীৰ ব্যক্তিগত একাউন্টলৈ নিয়মীয়াকৈ যোগান ধৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে বিভিন্ন আঁচনি যেনে গৰাখহনীয়া প্ৰটেকশচন, অগ্ৰীবান্ধ নিৰ্মাণৰ কথা কৈছে। আমি জনাব বিচাৰিছো যে যোৱা বছৰ ২০১৭-১৮ বিত্তীয় বৰ্ষত আমাৰ গাওঁ আমাৰ আঁচনিৰ জৰিয়তে আমাৰ বিভিন্ন পৰিকল্পা প্ৰস্তুত কৰা হৈছে। মাননীয়া বিধায়িকা গৰাকীক মই অনুৰোধ জনাম যাতে ৰাইজৰ সুবিধা অনুযায়ি এই আঁচনি সমূহৰ ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে । অহা এপ্ৰিল মাহৰ পৰা আমি ২০১৮-১৯ বিত্তীয় বৰ্ষত আমাৰ গাওঁ আমাৰ আঁচনি ৰূপায়ণৰ কামৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছো। গতিকে আপোনাক অনুৰোধ জনাইছো তাত অংশগ্ৰহণ কৰি বা প্ৰতিনিধিৰ দ্বাৰা যাতে স্থানীয় গাওঁসমূহত অগ্ৰাধিকাৰ ভিত্তিত গাওঁসমূহত আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰে। যিহেতু হাজো সমষ্টিটো পৰ্য্যটনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ অঞ্চল । সেয়ে তাত ভাৰত চৰকাৰে RURBAN Missionৰ দ্বাৰা এটা প্ৰকল্প লৈছে, তাত বিশেষকৈ হাজো ব্লকৰ অন্তৰ্গত ১ নং হাজো, ২ নং হাজো আৰু কুলহাটিত এই তিনিখন পঞ্চায়তত cluster হিচাপে লৈ RURBAN Mission টো তাত implement কৰা হ'ব আৰু ইতিমধ্যে ভাৰত চৰকাৰে ত্ৰিশ কোটি টকা অনুমোদন দিছে। এই আঁচনিটো এশকোটি টকা মানৰ হ'ব কিন্তু ভাৰত চৰকাৰৰ অংশ হিচাপে আমাক ত্ৰিশ কোটি টকা দিছে। আমি আশা ৰাখিছো যিহেতু হাজো পৰ্যটনৰ বাবে উপযোগী স্থান, সেয়ে পৰ্য্যটনৰ দিশটোত গুৰুত্ব প্ৰদান কৰি আঁচনিসমূহৰ ডি.পি.আৰ প্ৰস্তুত কৰে এই বিষয়সমূহ আপুনি ভালদৰে চোৱা-চিতা কৰে তাৰ বাবেবাইদেউক অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী, সদস্যা গৰাকীয়ে কৈছিল যে, বৰ্তমানৰ চৰকাৰে গ্ৰামোন্নয়ন আঁচনিৰ দুৰ্নীতি বিৰুদ্ধে কঠোৰ হোৱা পৰিলক্ষিত হৈছে যদিও কিন্তু ৰাইজৰ মতামত পঞ্চায়তসমূহৰ ব্লকত নিয়োজিত বহুটো চৰকাৰী কৰ্মচাৰি বছৰ পিছত বছৰ ধৰি একেটা দায়িত্বতে এটা নিৰ্দিষ্ট অঞ্চলত

কাৰ্য্যনিৰ্বাহ কৰি থকাৰ ফলত দূৰ্নীতিৰ লগত সমভাগি হৈছে। এই কথাৰ ক্ষেত্ৰত আপোনালোকে এটা চেষ্টা কৰিছিল যে - সকলোকে অলপ অলপ আতৰাই দিব। সচাঁকৈ এজন মানুহ একে ঠাইতে বহুত দিন থাকিলে এনেকুৱা হয়, তেনেকুৱা হাজোতো হ'ব পাৰে নেকি?

**শ্ৰীনৱ কুমাৰ দলে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ত আমাক বিভিন্ন মাননীয় বিধায়কে অভিযোগ দিছে কিন্তু পঞ্চায়তৰ প্ৰায়বোৰ কৰ্মচাৰি এন.আৰ.চিৰ লগত জড়িত কৰি ৰখা বাবে আমি কৰিব পৰা নাই, সেয়ে অনাগত দিনত বিষয়টো সম্পৰ্কত গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় উদ্যোগ মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** আধ্যক্ষ মহোদয়, মাননীয়া সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাওৰীয়ানীয়ে উত্থাপন কৰা বিষয়টোৰ ওপৰত মই ক'ব বিচাৰিছো যে - হাজো সমষ্টিৰ প্ৰায়ভাগ জনসাধাৰণৰ বৃত্তিগত ব্যৱসায় পিতল শিল্পৰ উন্নয়নৰ কাৰণে চৰকাৰে যথেষ্ট আঁচনি হাতত লৈছে। সেই অনুসৰি বিগত ২০০৭ চনতে অসম চৰকাৰে ১৪২.৬৬ লাখ টকাৰ এক আৰ্থিক অনুদান কামৰূপ জিলাৰ উপায়ুক্তই মোকলাই দিছিল। এই ধনৰাশি সমূহীয়া সেৱা কেন্দ্ৰৰ গৃহ আদিকে ধৰি বিভিন্ন কামৰ বাবে খৰছ কৰাৰ পাছত কাৰিকৰ সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আৰু Cluster গঠনৰ জৰিয়তে কামৰূপ জিলাৰ উদ্যোগ কেন্দ্ৰ আৰু MSME-DI প্ৰতিষ্ঠানৰ তৰফৰ পৰা কেইবালানিও সজাগতামূলক কাৰ্য্যসূচী, প্ৰশিক্ষণ আৰু ৰাজ্যৰ বাহিৰত কেৰেলা, মোৰদাবাদলৈ প্ৰশিক্ষণমূলক ভ্ৰমণ আদি কাৰ্য্যসূচীও গ্ৰহণ কৰা হয়। পিছত মুঠ ৩৬২ গৰাকী কাৰিকৰি সংঘবদ্ধ কৰি বৃহত্তৰ হাজো প্ৰগতিশীল কাৰিকৰ সংস্থা নামেৰে এক পঞ্জীয়নভূক্ত সংঘ গঠন কৰা হয় আৰু শিল্প উদ্যোগ সুচাৰুৰূপে পৰিচালনা কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অতিৰিক্ত পুঁজিৰ বাবে আবেদন জনোৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ MSME-DI এ MSECDP (Micro Small Enterprise Cluster Development Program) ৰ অধীনত হাজোৰ পিতল শিল্পৰ উন্নয়নৰ কাৰণে ১০০.০০ লাখ টকাৰ এক অনুদান আগবঢ়ায়। এই অনুদান ব্যৱহাৰ কৰি হাজোৰ ফকিৰটোলাত এক সমূহীয়া সেৱা কেন্দ্ৰ গঢ়ি তোলা হয়, য'ত পিতল শিল্পৰ লগত জড়িত কাৰিকৰ সকলৰ বাবে এক আধুনিক কাৰিকৰী ব্যৱস্থা সম্বলিত সংহত সেৱা কেন্দ্ৰ গঢ়ি তোলা হৈছে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু কাৰিকৰ সংঘৰ প্ৰতিনিধিৰ স্বাক্ষৰিত এক ত্ৰিপাক্ষিক চুক্তিৰ আধাৰত উক্ত সেৱা কেন্দ্ৰ পৰিচালনাৰ ভাৰ কাৰিকৰ সংঘৰ হাতত অৰ্পণ কৰা হৈছে। সেৱাকেন্দ্ৰৰ যন্ত্ৰপাতি তথা কলকাৰখানাৰ ব্যৱহাৰিতা আৰু পিতলৰ আচবাব নিমাৰ্ণৰ ক্ষেত্ৰত আধুনিক ডিজাইন সম্পৰ্কে ২০১৬ চনৰ নৱেম্বৰ মাহত মোৰাদাবাদৰ ধাতু শিল্প সেৱা কেন্দ্ৰৰ দ্বাৰা এক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। বৰ্তমান এই সেৱা কেন্দ্ৰৰ পৰিচালনাৰ ভাৰ বৃহত্তৰ হাজো প্ৰগতিশীল কাৰিকৰ সংঘৰ হাতত ন্যস্ত কৰা হৈছে। অসম চৰকাৰে বৰ্তমান এই শিল্পৰ প্ৰসাৰ আৰু উন্নয়নৰ বাবে আৰু সেৱা কেন্দ্ৰ নিৰ্মাণৰ বাবে ইতিমধ্যে জিলা উপায়ুক্ত আৰু জিলা উদ্যোগ কেন্দ্ৰক মাটি চিনাক্ত কৰিবলৈ পৰামৰ্শ দিছে। হাজো সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত বৃহৎ উদ্যোগ স্থাপন হোৱা নাই যদিও ইয়াৰ সীমামূৰীয়া অঞ্চল পছৰীয়া, দদৰা, ডলাপথাৰ আদি অঞ্চলত M/s Emami কে ধৰি কেইবাটাও বৃহৎ আৰু মজলীয়া উদ্যোগ স্থাপন হৈছে। ইয়াৰ জৰিয়তে হাজে সমষ্টিৰ যুৱক-যুৱতীয়ে সংস্থাপনৰ সুবিধা নিশ্চয়কৈ পাব। M/s K.B. Conductor নামৰ এটা উদ্যোগ হাজোৰ মনাকুছিত প্ৰায় তিনি কোটি টকা ব্যয়ৰে স্থাপন হৈছে। ইয়াৰোপৰি, পিতল শিল্পৰ বাহিৰেও সৰু সৰু উদ্যোগ হাজো সমষ্টিৰ চুকে কোণে গঢ় লৈ উঠিছে। প্ৰধান মন্ত্ৰীৰ নিয়োগ সৃষ্টিকৰণ আঁচনি (PMEGP), Angel Fund আঁচনি আদিৰ জৰিয়তেও প্ৰায় ১৫০ গৰাকী যুৱক-যুৱতীয়ে বেঙ্কৰ যোগেদি ঋণ লাভ

কৰি সৰু উদ্যোগ গোট স্থাপনৰ দ্বাৰা স্ব-নিৰ্ভৰশীল হ'ব পাৰিছে। এই বছৰো মুখ্যমন্ত্ৰী Start up Sarathi আঁচনিৰ অধীনত পঁচিশ জন নিবনুৱাক ঋণ দিয়াৰ লক্ষ্য স্থিৰ কৰা হৈছে। বৰ্তমান Advantage Assamৰ জৰিয়তে অনুষ্ঠিত হৈ যোৱা বিশ্ব বিনিয়োগ সম্মিলনৰ পিছত ভালে সংখ্যক উদ্যোগীয়ে এই অঞ্চলবোৰত বিনিয়োগ কৰিব বিচাৰিছে। চৰকাৰৰ তৰফৰ পৰা জিলা উপায়ুক্ত আৰু উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া সকলক উপযুক্ত মাটি চিনাক্ত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। উৎপাদিত কৃষিজাত সামগ্ৰী আৰু ফুলৰ সন্দৰ্ভত PPC (Primary Processing Centre) আদি স্থাপন কৰি জনসাধাৰণৰ সামগ্ৰীক উন্নয়ন সাধন কৰিবৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগে কৃষি বিভাগৰ লগত যোগাযোগ কৰি জৰীপ কাৰ্য্য চলাই আছে।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া দ্বিতীয়জন সদস্য শ্ৰী নিজানুৰ ৰহমান, তেখেতে দুটা বিভাগ লৈছিল, Veterinary & Water Resources, জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী হঠাতে যাৱলগীয়া হোৱাত আজি অতুল বৰা ডাঙৰীয়াই তেখেতৰ হৈ এইখিনি কথাৰ উত্তৰ দিব।

**শ্ৰী নিজানুৰ ৰহমান ( মাননীয় সদস্য, গৌৰীপুৰ সমষ্টি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মই আজি প্ৰথমে জলসিঞ্চন বিভাগক দিছিলো কিন্তু মন্ত্ৰী যদিও উপস্থিতি নাই, তথাপি নতুন Process ৰ বাবে মই মোৰ বক্তব্যখিনি ৰাখিম আৰু মোৰ এটা বিভাগ আছে, Veterinary। মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত অৱস্থিত গংগাধৰ নদীত ব্যাপক গড়াখহনীয়াই প্ৰায় ৩ হাজাৰ হেক্টৰ অধিক মাটি এই বানপানীৰ সময়ত জাহ গ'ল। আমাৰ গংগাধৰ নদীখনে আমাৰ সীমামূৰীয়া অঞ্চল মোৰ সমষ্টিৰ Border এলেকাত যিটো BOP আছে, তাত BSF Camp এই বিলাকৰ ভাবুকিৰ সৃষ্টি কৰিছে আৰু এই নদীখনে যি তাণ্ডৱ লীলা যোৱাটো বানপানীত কৰিলে আৰু তাত সেই অঞ্চলত গড়াখহনীয়াই বহুতো বৃষ্টিত খেতি মাটি ক্ষতি কৰিলে লগতে এই অঞ্চলত থকা আমাৰ যিখিনি BSF Camp আছে, তাত ভাবুকিৰ সৃষ্টি কৰিছে আৰু তাত নতুনকৈ বনোৱা এটা ৰাস্তা আছিলে, কে ডি ৰোড বহুত ব্যায় বহুল ভাৱে Border এলেকাত বনোৱা হৈছিলে, এইটো ৰাস্তাৰ কিছু অংশ বানপানীয়ে খহায় নিলে, ইয়াৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা Departmentaly এতিয়া কৰা নহল আৰু এই নদীখনে আমাৰ ধুবুৰী সমষ্টিৰ কিছু অংশ ক্ষতি কৰিছে। গতিকে এই নদীখনত গতিবেগ সলনি কৰাৰ বাবে নিশ্চয় কৈ যিহেতু বিভাগীয় মন্ত্ৰী নাই, নিশ্চয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী এই সদনতে আছে, যিহেতু Border লগত জড়িত আৰু এই সমস্যাটো তাত এই নদীখনন কৰিলে আমাৰ এই গোৰৰ্ধন নদীত গতিবেগটো সলনি হব। লগতে আমাৰ তিনিখন সমষ্টিৰ ক্ষতিগ্ৰস্থ কৰিছে গোলকগঞ্জ, ধুবুৰী আৰু গৌৰীপুৰ, কুমাৰগঞ্জ আৰু তাত নদীটো এনেকৈ বেয়া ভাৱে ৩১ নম্বৰ National Highway চিঙি যোৱাত আমাৰ গৌৰীপুৰ সমষ্টিৰ লগত সংলগ্ন এই এলেকাতো বেয়াকৈ ক্ষতিগ্ৰস্থ হৈছে। গতিকে এই গুৰুত্বপূৰ্ণ বিষয়টো যাতে অতি সোনকালে ইয়াৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰে, তাৰ প্ৰতি বিভাগীয় ভাৱে তদন্ত কৰাৰ পিছত তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে মই অনুৰোধ কৰিম। লগতে একে সমস্যা টিপকাই নদীত মোৰ সমষ্টিত এইটো বৰাইবাৰী বজাৰৰ পৰা খাতৰানগা, বাঘমৰা আদি বিভিন্ন অঞ্চলৰ খেতি মাটি নদীয়ে উটুবাই নিয়াৰ লগতে বিভিন্ন গাওঁ বানপানীৰ গড়াখহনীয়াত জাহ গৈছে আৰু এই নদীৰ গড়খহনীয়াৰ ফলত বালিৰ প্ৰলেপ পৰি বিভিন্ন খেতি মাটি খেতিৰ উপযোগী হৈ থকা নাই। গতিকে ইয়াৰ ওপৰতো চৰকাৰী ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু যিহেতু বৰাইবাৰী বজাৰখন বানপানীৰ গড়াখহনীয়াৰ ফলত ধ্বংস হোৱাৰ উপক্ৰম হৈছে আৰু এইখন বজাৰে হৈছে, একমাত্ৰ বজাৰ চৰ অঞ্চলৰ বাবে, গতিকে এইটো ক্ষেত্ৰত এটা বান Procetion হব লাগে আৰু লগতে আমাৰ নালীয়া দাস পাৰাৰ

পৰা বেৰভাংগী লৈকে এটা মথাউৰি হব লাগে। যিহেতু বিভাগীয় মন্ত্ৰী নাই, গতিকে আপোনাৰ জৰিয়তে কোনোৱা মন্ত্ৰীক Report কৰিলে নিশ্চয় সু উত্তৰ পাম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী আছে, অতুল বৰা ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী নিজানুৰ ৰহমান ( মাননীয় সদস্য, গৌৰীপুৰ সমষ্টি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, লগতে BSF Camp ৰ ওচৰতে এই যিটো আমাৰ ৰাস্তা বনাইছে, আটক ধুনিয়াকৈ বহুত ব্যয় কৰি এই ৰাস্তাটো যদি Save কৰা নাযায়, আগন্তুক দিনত তাত আমাৰ BOP বিলাক নাথাকিব আৰু Border Fancing ৰ কাৰণে এটা ভাবুকি হ'ব। গতিকে আমাৰ আজি এই সদনত যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছে আৰু Border ৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু বহুত সক্ৰিয় গতিকে এইটোৰ ওপৰত যাতে নজৰ দিয়ে আৰু মোৰ এটা বেলেগ বিভাগ আছিল, Diary firm ৰ, আমাৰ গৌৰীপুৰ সমষ্টিৰ ওপৰত এটা চাইলিং প্লেন্ত আছিল।

**মাননীয় অধ্যক্ষ** ঃ আগৰটো আপোনাৰ Water Resources Department আছিল, এতিয়া Veterinary টো কৰিব চাগে। Veterinary টোৰ মন্ত্ৰী আছে।

**শ্ৰী নিজানুৰ ৰহমান ( মাননীয় সদস্য, গৌৰীপুৰ সমষ্টি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৌৰীপুৰ সমষ্টিৰ Veterinary Department ৰ দুৰাৱস্থাৰ কথা কৈছো মই, এইটো আমাৰ গৌৰীপুৰ সমষ্টিত একমাত্ৰ Ceilling plant এটা বনাইছিল ১৯৮৫ চনত অগপ চৰকাৰৰ দিনত। তাত কিবা Contractor ক অলপ পইচা পাতি লৈ Cancell হোৱাৰ কাৰণে দামি দামি মেচিনাৰি বিলাক এনেয়ে নষ্ট হৈ আছে, যিটো এই দুগ্ধৰ লগত জড়িত এই Ceilling plant টো তাত যথেষ্ট সম্ভাৱনা আছে, এইটো যিহেতু কৃষি প্ৰধান অঞ্চল ইয়াৰ লগত বহুত দুখীয়া মানুহ জড়িত হৈ আছে, এই Plant টো যদি আৰম্ভ কৰা যায় তেতিয়া হলে নিশ্চয় আগন্তুক দিনত এই অঞ্চলৰ মানুহখিনি যথেষ্ট উপকৃত হব আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত পানবাৰী Goat Firm ত যদি উন্নত মানৰ ছাগলী আৰু এই Firm খনৰ যদি আন্তঃগাঠনি উন্নত কৰা যায়, তেতিয়া হলে তাৰ ওপৰত যথেষ্ট সম্ভাৱনা আছে আৰু গৌৰীপুৰ চহৰৰ ওচৰতে থকা একমাত্ৰ ভেটেনাৰীটো আৰু দক্ষিণ গিৰামাৰী এইখিনি উন্নত হব লাগে আৰু যাতে ৰাইজে কম সময়ৰ ভিতৰত বিশেষকৈ আমাৰ খেতিয়ক মানুহখিনিয়ে পশুৰ চিকিৎসা যাতে সহজে লব পাৰে তাৰ কাৰণে যাতে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে, এইখিনি কৈ মোৰ বক্তব্যৰ সাঁমৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া আপোনাৰ যদি জলসম্পদৰ ওপৰত অসুবিধা হয়, এইখিনিৰ পিছত দিলেও হব উত্তৰটো আৰু এইটো আপোনাৰ নিজৰ বিভাগ।

**শ্ৰী অতুল বৰা (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ পৰিচালনাৰ নিয়ম ২৩ মতে ইয়াৰ সুৰুঙা লৈ বিশেষ ভাৱে যি বিলাক নৱ নিৰ্বাচিত বিধায়ক বিধান সভালৈ আহিছে, তেওঁলোকৰ সুবিধাৰ কাৰণে যি ব্যৱস্থা কৰিছে, তাৰ কাৰণে মই আপোনাক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমি দেখিছো যে বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ বিধিৰ মাজতে আপুনি কেতবোৰ সুবিধা উলিয়াই নিৰপেক্ষ ভাৱে সকলোৰে সুবিধাৰ স্বাৰ্থত এই ব্যৱস্থা গ্ৰহণ কৰিছে। মোৰ কথা হল যে সন্মানীয় সদস্য নিজানুৰ ৰহমান ডাঙৰীয়াই পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কেইটামান তেখেতৰ সমষ্টিত থকা স্কিমৰ কথা উল্লেখ কৰিছে, সন্মানীয় অধ্যক্ষ মহোদয়, Animal Husbundary & Veterinary Department টোত এটা সময়ত ডাঙৰ কেইটা মান দুৰ্নীতি হৈছিল, দুৰ্নীতি হোৱাৰ পিছত মই দেখিছো যে Department তে এতিয়াও এটা গতি লব পৰা নাই। এইটো এটা দুৰ্ভাগ্যৰ কথা ডাঙৰ বেমাৰ এটা যেতিয়া কাৰোৱাৰ

হয়, বেমাৰটো নিৰাময় নহয়, কিন্তু একেবাৰে নিশকতীয়া হৈ পৰে আৰু পৰিয়ালটো সেই নিশকতীয়া বেমাৰিক বেছি আৰু মনোযোগ নিদিয়ে, টকা পইচা খৰচ কৰি, মই দেখিছো Veterinary Department ৰ অৱস্থা তেনেকুৱা হৈছে, মই দায়িত্ব লোৱাৰ পিছত আমাৰ মুখ্যমন্ত্ৰী ডাঁঙৰীয়াই সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই, মাননীয় অধ্যক্ষ মহোদয়, Animal Husbundary & Veterinary জৰিয়তে ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ কি দৰে শক্তিশালী কৰিব পাৰি এই সম্পেৰ্কে বিভিন্ন সময়ত দিহা পৰামৰ্শ আমাক দিছে। তেখেতে এটা কথা কৈছে Re-opening of diary firm and Veterinary এইটো তেখেতৰ সমষ্টিতে আছে, অধ্যক্ষ মহোদয়,এইটো গৌৰীপুৰত দুগ্ধ উন্নয়ন প্ৰকল্প এটা দুগ্ধ শীতলীকৰণ কেন্দ্ৰ এটা স্থাপনৰ বাবে ১৯৮৫ চনত চৰকাৰে অনুমোদন দিছিল, তাৰ পিছতে দুগ্ধ শীতলীকৰণ কেন্দ্ৰ পৰিচালক আৱাস গৃহ, বিজুলি আৱাস গৃহ, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ আৱাস গৃহ, পানী যোগান আঁচনি গাড়ী থোৱা ঘৰ, ভড়াল ঘৰ, চাৰি সীমাৰ পকী বেৰ এই বিলাক ঠিক কৰি দিছে, দুগ্ধ শীতলীকৰণ কেন্দ্ৰ ৰ বাবে আৱশ্যকীয় যন্ত্ৰ পাতিৰে বাবে চৰকাৰৰ পৰা টকাৰ আবণ্টন নোপোৱাৰ বাবে ৯৪ বৰ্ষলৈ এই অনুষ্ঠানটো সম্পূৰ্ণ কৰিব পৰা নাছিল। ১৯৯৪-১৯৯৫ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ সংহত দুগ্ধ আঁচনিৰ অধীনত এই প্ৰকল্পৰ বাবে আৱশ্যক হোৱা যন্ত্ৰ পাতি ক্ৰয় আৰু স্থাপনৰ বাবে মুঠ ৩৫.১১ লাখ টকা কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়ে। কেন্দ্ৰীয় চৰকাৰে মোকলাই দিয়া প্ৰথম কিস্তিৰ ধন মুঠ ২৪.৫৯ লাখ টকাৰ যন্ত্ৰ পাতি ক্ৰয় কৰি স্থাপনৰ কামত আৰম্ভ কৰা হয়। লগতে গৃহটো আৱশ্যকীয় মেৰামতি তথা নতুন কথা এটি নতুনকৈ সংযোজন কৰা হয়, কিন্তু ২০০১ চনত দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ ২জন মান বিষয়া আৰু কৰ্মচাৰীয়ে মানে কংগ্ৰেছৰ আমোলত বিত্তীয় কেলেংকাৰী বাবে তেওঁলোকে আকৌ এটা বিত্তীয় কেলেংকাৰী কৰিলে, এই প্ৰকল্পৰ বাকী থকা ধন হৰলুকী হয় আৰু যাৰ ফলত প্ৰকল্পৰ বাকী থকা কাম সমূহ সম্পূৰ্ণ কৰিব পৰা নহল। এই সম্পৰ্কত বিভাগে ৰুজু কৰা গোচৰৰ ভিত্তিত গুৱাহাটীত অৱস্থিত বিশেষ আদালতত ২৬/২০১২ নং গোচৰত চলি আছে। ইতিমধ্যে ১০ ফ্ৰেব্ৰুৱাৰী ২০০৩ চনত ভাৰত চৰকাৰ আৰু BTC ৰ লগত হোৱা " Memorandum of Settlement on Bodoland Autonomous Council" ৰ অধীনত এই প্ৰকল্পটো BTC ৰ কোকৰাঝাৰ বৰ্তমান এই প্ৰকল্পটো BTC ৰ অধীনলৈ হস্তান্তৰ কৰিবৰ বাবে কৰ্তৃপক্ষৰ পৰা দুগ্ধ উন্নয়ণ সঞ্চালকে কেবাখনো পত্ৰ লাভ কৰে আৰু যোৱা ইং ০৫-১২-২০১৭ তাৰিখে পোৱা পত্ৰৰ ভিত্তিত উক্ত প্ৰকল্পটো হস্তান্তৰ কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু অনতিপলমে চৰকাৰে হস্তান্তৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব। সেই একে অঞ্চলৰে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অধীনত ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিৰ BTAD ৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ পৰ্ব্বতঝোৰা মহকুমাত থকা পানবাৰী চৰকাৰী ছাগলী আৰু ভেড়া পামখন ২০০৭ বৰ্ষৰ মে' মাহত ১৫ (পোন্ধৰ) জন বিষয়া আৰু কৰ্মচাৰীৰ সৈতে পশুপালন আৰু পশু চিকিৎসা বিভাগ আৰু প্ৰশাসনক চমজাই দিয়া হয়। উক্ত বিষয়া আৰু কৰ্মচাৰী সকলৰ দৰমহা আৰু অন্যান্য সুবিধাৰ লগতে বিত্তীয় বাজেটৰ ব্যৱস্থাও BTC প্ৰশাসনে কৰে।

পানবাৰী চৰকাৰী ছাগলী আৰু ভেড়া পামখন সুকলমে কাৰ্যক্ষম হৈ আছে বুলি মই কৈছো। সংখ্যা বহুত বেছি নাই। মুঠ ছাগলী আছে ৪৪ টা, তাৰে বিটেল ছাগলী ৪টা, বিটেল বৰ্ণসংকৰ ছাগলী ১২ টা, বিটেল বৰ্ণসংকৰ ছাগলী পোৱালী ১২ টা, স্থানীয় ছাগলী ১৮ টা আৰু মুঠ ভেড়া আছে ১১ টা। আমাৰ ৰাজ্য খনত বিভিন্ন ঠাইত এনেকুৱা পাম আছে যে যিমান জীৱ জন্তু থাকে তাতকে কৰ্মচাৰী ৰ সংখ্যা বেছি থাকে। এতিয়া আমি এইবোৰ হ্ৰাস কৰাৰ ব্যৱস্থা কৰিছো। ২০১৭-১৮ বিত্তীয় বৰ্ষত

পামখনৰ বিটেল বৰ্ণসংকৰ ছাগলীৰ দ্বাৰা স্থানীয় কৃষক পশুপালক সকলৰ মুঠ ১৬০ জনী স্থানীয় ছাগলীক প্ৰাকৃতিক প্ৰজনন কৰা হয়। পানবাৰী চৰকাৰী ছাগলী আৰু ভেড়া পামখনৰ ৮ (আঠ) বিঘা মাটিত ঘাঁহৰ খেতি কাৰ হয়। ২০১৭-১৮ বিত্তীয় বৰ্ষত ৪০০ কুইন্টল কেঁচা ঘাঁহ উৎপাদন হয় আৰু তাৰে ২০০ কুইন্টল কেঁচা ঘাঁহ বানপানীত আক্ৰান্ত হোৱা পশুধনক বিনামূলীয়াকৈ বিতৰন কৰা হয়। ২০১৬-১৭ বিত্তীয় বৰ্ষত মুঠ ২৭,২৪০.০০ টকা আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত মুঠ ২৫,০০০.০০ টকা ৰাজহ জমা দিয়া হয়। BTAD ৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ পৰ্ব্বতঝোৰা মহকুমাত Dairy Farm ৰ ব্যৱস্থা নাই। BTAD ৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ পৰ্ব্বতঝোৰা মহকুমাত থকা "Milk Chilling Plant" খন দুগ্ধ উন্নয়ণ বিভাগৰ আওঁতাত পৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো গড়াখহনীয়াৰ কথা কৈছিল সেইতো আজি আমাৰ মন্ত্ৰী নাই যদিও পাটোৱাৰী ডাঙৰীয়াক দায়িত্ব দিছে, সেইটো আমাৰ পাটোৱাৰী ডাঙৰীয়াই তেখেতৰ তথ্য আছে যদি দিব পাৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩ (২) নং নিয়ম অনুসৰি মাননীয় বিধায়ক শ্ৰীনিজানুৰ ৰহমানদেৱে তথ্য বিচৰা মতে " Erosion of Gangadhar & Tipkal River" বিষয়টোৰ ওপৰত আমাৰ দৃষ্টিগোচৰ হৈছে। আমি Water Resources বিভাগৰ মন্ত্ৰীৰ হৈ এটা চমু তথ্য দিব বিচাৰিছো। গঙ্গাধৰ নৈৰ গৰাখহনীয়া সম্পৰ্কে — গঙ্গাধৰ নৈ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ এখন মুখ্য উপনৈ। ইয়াৰ মূল উৎপত্তিস্থল হিমালয় পৰ্বতৰ নামনি অঞ্চল আৰু ই ভূটান দেশৰ মাজেৰে প্ৰায় ২১৪ কি.মি. বৈ আহি ভাৰত ভূটান সীমান্তৰ কালীখোলাত সোণকোষ নাম লৈ অসমত প্ৰবেশ কৰে। তাৰ পিছত এই নৈয়ে অসম বঙ্গ সীমান্তইদি আহি শ্ৰীৰামপুৰৰ ওচৰত ৰাষ্ট্ৰীয় ঘাইপথ ৩১(চি) পাৰহৈ গঙ্গাধৰ নামেৰে তামাৰহাট, আগমনি, কুমাৰগঞ্জ, ৰাতিয়াদহা, গোলকগঞ্জ আদি অঞ্চলৰ মাজেৰে বৈ আহি বালাডোবা বিন্নাচাৰা অঞ্চলত বাংলাদেশত প্ৰবেশ কৰে আৰু অৱশেষত ব্ৰহ্মপুত্ৰ নদীৰ লগত লগ লাগে। অসমত এই নৈৰ গতিপথৰ মুঠ দৈৰ্ঘ্য প্ৰায় ২০৭ কি.মি.।

গঙ্গাধৰ নদীৰ প্ৰথম গতিপথছোৱা থিয় ঢালৰ মাজেৰে খৰস্ৰোতা গতিৰে বৈ আহি অসমৰ সমভূমি অঞ্চলত ইয়াৰ গতি পথৰ ঢাল কম হোৱাৰ বাবে আৰু গতিবেগ তীব্ৰ হোৱাৰ বাবে গতি পথৰ বিভিন্ন অংশত গৰাখহনীয়াৰ সৃষ্টি কৰে, প্ৰচুৰ পৰিমাণে বালি কঢ়িয়াই আনি নামনি অঞ্চলত জমা কৰে আৰু গতিপথ সলনি কৰে।

যোৱা কিছু বছৰৰ পৰা গঙ্গাধৰ নৈৰ দুয়োপাৰে ভিন ভিন অঞ্চলত গৰাখহনীয়া অব্যাহত আছে। গৰাখহনীয়াৰ কবলত পৰা মুখ্য অঞ্চল সমূহ পৰ্য্যায়ক্ৰমে-

(ক) সোঁফাল- (১) বাগডোগ্ৰা, (২) তামাৰহাট, (৩) কুমাৰগঞ্জ, (৪) গাইখোৱা, (৫) বালাডোবা।

(খ) বাঁওফাল- (১) কইমাৰী, (২) লোহাজনী, (৩) শিঙিমাৰী, (৪) লক্ষীমাৰী, (৫) কানুৰী, (৬) পশ্চিম গাইখোৱা, (৭) নালিয়া, (৮) বিন্নাচাৰা, (৯) বেৰাভাঙ্গা ইত্যাদি।

গঙ্গাধৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে লোৱা বিভিন্ন আঁচনি সমূহৰ বিৱৰণ পৰিশিষ্ট 'ক' ত সন্নিবিষ্ট কৰা হৈছে। মই মাননীয় সদস্য গৰাকীক দি দিম।

টিপকাই নৈৰ গৰাখহনীয়া সম্পৰ্কত ঃ টিপকাই নৈ হিমালয় পৰ্বতৰ নামনিৰ ভূটান অঞ্চলত উৎপত্তি হৈ ভূটান দেশৰ মাজেৰে বৈ আহি অসমৰ কোকৰাঝাৰ জিলাৰ মহামায়া সংৰক্ষিত বনাঞ্চলত প্ৰবেশ কৰে আৰু কোকৰাঝাৰ জিলাৰ মাজেৰে বৈ আহি ধুবুৰী জিলাৰ আলমগোঞ্জৰ ওচৰত ব্ৰহ্মপুত্ৰ

নদীৰ লগ লাগিছে। টিপকাই নৈৰ প্ৰথম গতিপথ ছোৰা থিয় ঢালৰ মাজেৰে খৰস্ৰোত গতিৰে বৈ আহিছে। ইয়াৰ নামনিৰ গতিপথত ই কেবাখনো সৰু-সৰু উপনৈৰ লগত লগ লাগি বৈ আহোতে প্ৰচুৰ পৰিমাণ বালি-পলস কঢ়িয়াই আনি গতিপথত ভিন ভিন অঞ্চলত জমা কৰিছে আৰু গতিপথ সলনি কৰি গৰাখহনীয়াৰ সৃষ্টি কৰিছে। লগতে নৈৰ বুকু বাম হোৱাৰ বাবে বাৰিষা কালত ইয়াৰ গতিপথৰ দুয়োপাৰ জলমগ্ন হৈ উঠে।

টিপকাই নৈৰ দ্বাৰা গৰাখহনীয়া আক্ৰান্ত অঞ্চল সমূহ ঃ (১) সোঁফাল--- পনীনয়ানী, ফুলকাটাৰী বাজাৰ অঞ্চল। (২) বাওঁফাল-- বৰাইবাৰী।

টিপকাই নৈৰ গৰাখহনীয়াৰ প্ৰতিৰোধৰ বাবে এই সম্পৰ্কে বিতং অধ্যয়নৰ পিছত খহনীয়া প্ৰতিৰোধৰ আঁচনি কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদনৰ বাবে দাখিল কৰা হ'ব আৰু অনুমোদন আৰু পুঁজিৰ আবন্টন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যিখিনি আঁচনি ইয়াতে বিভিন্ন ধৰণে লোৱা হৈছে মাননীয় সদস্য গৰাকীক দি দিম।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কিবা আন্তৰ্জাতিক সীমাৰ ৰাষ্টা, আন্তৰ্জাতিক সীমাৰ কাটা তাঁৰ বেয়া হোৱা বা সীমান্তৰ ৰাষ্টাৰ প্ৰতি ভাবুকি এই কথাটো আপোনাৰ দৃষ্টিগোচৰ হৈছে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি দৃষ্টিগোচৰ হৈছে সেইবাবে আমাৰ যিখন কমিটি আছে, সেই কমিটিখনে এই গোটেই বস্তুটো তদন্ত কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ইয়াৰ পিছত মই শেষৰটো দিছো, সময় কম আছে, সত্যব্ৰত কলিতা। তেখেতে PWD, Tourism, Sport আৰু Cultural affairs এই চাৰিটাৰ ওপৰত কব।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আপোনালৈ ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ বিধায়কৰ সময় বুলি নতুন ডিভাইচৰ যোগেদি আমাৰ সমষ্টি সমূহৰ সমস্যা দাঙি ধৰাত আপুনি আমাক বিশেষ সুবিধা প্ৰদান কৰিছে। যদিও মই তিনিটা বিষয় উত্থাপন কৰিম বুলি জনাইছিলো

**মাননীয় অধ্যক্ষ ঃ** Stick to your principle.

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তিনিটাই দিম তাৰ লগে লগে কেইটা মান অতি গুৰুত্বপূৰ্ণ, যিটো আগৰ অধিবেশন সমূহত মই বাৰে বাৰে।

**মাননীয় অধ্যক্ষ ঃ** মই ট্ৰায় কৰিম, বৰ্তমান আপুনি তিনিটা বিষয় কওঁকচোন। বাকী পিছত। সময়টোৰ প্ৰতি লক্ষ্য ৰাখি কওঁক। You come to the line.

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম এটা কথা বহুদিন আগৰে পৰাই দাবী জনাই আহিছিলো। অলপ আগতে আমাৰ মাননীয়া সদস্যা সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে কথাটো উল্লেখ কৰা বাবে মই কব বিচাৰিছো। যে কমলপুৰ সমষ্টিটো সমষ্টি এটা কিন্তু, থানা প্ৰায় ছয়খন মান, কেতিয়াবা ৰঙিয়া সমষ্টিত কেতিয়াবা জালুকবাৰী সমষ্টিত, ব্লক আমাৰ তিনিটা, ব্লক তিনিটা হোৱাৰ ফলত।

**মাননীয় অধ্যক্ষ ঃ** কলিতা ডাঙৰীয়া আপুনি এতিয়া কোনটো বিভাগ লৈছে সেইটো প্ৰথমে কওঁক। বাকী পাছত ।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিচাৰিছিলো প্ৰথম কমলপুৰ সমষ্টিৰ প্ৰধান সমস্যা টো হ'ল।

**মাননীয় অধ্যক্ষ ঃ** কলিতা ডাঙৰীয়া মই আপোনাক বিভাগটো সুধিছো।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগটো পি ডব্লিউ ডি। কমলপুৰ সমষ্টিৰ প্ৰধান

সমস্যা টো আপোনালোকে যোৱা বিধান সভাত আমাৰ কমলপুৰ সমষ্টিলৈ ৰাজধানী সম্প্ৰসাৰণ কৰিছে, তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজধানী সম্প্ৰসাৰণ কৰাৰ লগে লগে আমাৰ মনত এনে এটা ধাৰণা হৈছিল যে আমাৰ যি উন্নয়নৰ গতি সেই গতি খুব দ্ৰুত গতিত হ'ব। পি ডব্লিউ ডি বিভাগৰ পৰা মই মাননীয় শ্ৰী পৰিমল শুক্লবদ্য মন্ত্ৰী ডাঙৰীয়া আছে, তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে যথেষ্টখিনি আমাক সহায় কৰিছে যথেষ্টখিনি উৎসাহিত কৰিছে। কিন্তু কমলপুৰ সমষ্টিত আজিৰ তাৰিখতো মন্ত্ৰী ডাঙৰীয়া প্ৰায় ৫০০ কি.মি মান ৰাষ্টা পকীকৰণ কৰিব বাকী আছে। আপুনি মোক দিছে, আপুনি মোক দিয়া হিচাপ খিনি মই লৈ আহিছো যে আমাক প্ৰায় ১০ কোটি টকা দিয়া হৈছে। আমাৰ প্ৰায় ১০ কোটি টকা ভি আই পি পেকেজৰ পৰা দিয়া হ'ল।৩ কোটি ২০ লাখ টকা আৰ আই ডি এফত দিয়া হৈছে, প্ৰায় ২২ কোটি টকা চি আৰ এফত পাইছো। বাইহাটা চাৰিআলিৰ পৰা ভূটান সীমান্তলৈকে ৰাস্তাৰ কাম সুন্দৰভাৱে চলি আছে। PMGSY প্ৰায় ৭২ কি: মি ৰাস্তা পাইছো। আগৰ তুলনাত যথেষ্ট দিছে আমাক। কিন্তু ইমানখিনি কাম কৰাৰ পাছতো জনসাধাৰণ সন্তুষ্ট হোৱা নাই। মানুহে কব খোজে, Sucess is a journey, not destination.আমাৰ এই এক বছৰ ন মাহ এই সময়খিনিৰ ভিতৰত যিখিনি কাম কৰিছো তাত জনসাধাৰণ সন্তুষ্ট হব লাগে বুলি ভাবিছিলো। কিন্তু প্ৰতিজন মানুহেই ভাৱে মোৰ ঘৰৰ আগৰ ৰাস্তাটো ঠিক হওঁক। প্ৰতিজন মানুহেই ভাবে মোৰ লৰা-ছোৱালী যাতে স্কুললৈ ভালকৈ যাব পাৰে। কেইদিনমান আগত মই সমষ্টিত চাইকেল বিলালো। চাইকেল বিলোৱাৰ পিছত অভিভাবকৰ মোলৈ ফোন আহিলযে, আ পুনি মোৰ ছোৱালীজনীক চাইকেল দিলে খুব ভাল পালো। মই ভাবিলো ধন্যবাদ দিয়াৰ কাৰণে মোলৈ ফোন কৰিলে। কিন্তু তাৰ পিছত তেওঁ কলে যে, চাইকেলখন চলাই যাব কেনেকে ? কাৰণ চাইকেলখন তিনিমাহ মানহে চলাব পাৰিব। তাৰ পাছত ৰাস্তাটো আমাৰ বন্ধ হৈ থাকে। মই যেতিয়া সমষ্টিলৈ যাওঁ ,অধ্যক্ষ মহোদয়, সচাঁকৈ দুখ লাগে যেতিয়া দেখো যে স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলে চেণ্ডেল হাতত লৈ আহে। অফিচলৈ আহিবলগা মানুহখিনিয়ে যেতিয়া বেলেগকে এযোৰ কাপোৰ লগত লৈ আহিবলগীয়া হয়। স্কুটাৰ বেলেগৰ ঘৰত থৈ আহিবলগীয়া হয়। গতিকে আজিকালি ৰাজধানীৰ পৰা বাইহাটা যাওঁতে প্ৰায় আধা ঘন্টা সময় লাগে। দিছপুৰৰ পৰা ৩০ মিনিট দুৰত থকা এই সমষ্টিটোত এতিয়াও প্ৰায় ৫০০ কি: মি ৰাস্তা পকীকৰণ কৰিবলৈ বাকী আছে। মোৰ বহু দীঘলীয়া তালিকা আছে ইয়াত।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই সেই তালিকা ইতিমধ্যে পাইছে। already we have sent the list.

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** গতিকে মোৰ আজি প্ৰধান অনুৰোধ হ'ল, মানুহক সভ্য কৰি তোলা প্ৰধান মাধ্যম হ'ল বিদ্যালয়। আমি সভ্য হলো। বিদ্যালয় হ'ল। কিন্তু বিদ্যালয়লৈ যাবলগা যোগাযোগৰ যি ব্যৱস্থা অৰ্থ্যাৎ উন্নয়ন এটা যদি হ'ব লাগে তাৰ প্ৰাথমিক স্বত্ব হ'ব লাগে যোগাযোগৰ ব্যৱস্থা। এতিয়া আমাৰ যিটো উদ্যোগ ঘোষণা কৰিছে, সেই হিচাবে আমি বহু সুখী। আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই কয় যে, আমাৰ তাত সব হৈয়েই যাব এতিয়া। মই মাজে মাজে বৰ উৎসাহিত হওঁ। কিন্তু যেতিয়া সমষ্টিলৈ যাওঁ, সেই উৎসাহটো নিৰুৎসাহ হৈ পৰে। এই কাৰণেই হয় যেতিয়া আপুনি জালুকবাৰীৰ পৰা পাটাছাৰকুচিলৈ যায়, দুয়োফালৰ ৰাস্তা মানুহে উদ্যোগৰ নামত অধিগ্ৰহণ কৰিছে। কিন্তু এই উদ্যোগ বিলাকে আমাক কেনেকৈ লাভান্বিত কৰিছে সেইটোও নিশ্চয় চাব লাগিব। গতিকে উদ্যোগপাতিয়ে খোজে ভিতৰলৈ যাবলৈ কিন্তু ভিতৰলৈ যোৱা ৰাস্তাটো নাই। এই গোটেই কথাবিলাক ইটোৰ লগত সিটো জড়িত হৈ আছে। উদ্যোগ পাতি লৈ মাটি আছে কিন্তু তাত যাবলৈ

ৰাস্তা নাই। মই বাৰে বাৰে কৈ আছো যোৱাবাৰ বিধান সভাতো কৈছো. লিখিতভাৱেও জনাইছো। আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াইও উত্তৰ দিছিলে বিবেচনা কৰিম বুলি যে, বাইহাটা চাৰিআলিত আমাৰ গড়কাপ্তানী বিভাগৰ এটা চাব ডিভিজন লাগে। এইটো বাৰু নহ'ল। কিন্তু আটাইতকৈ দুখ লাগে তেতিয়া যেতিয়া সন্মানীয় উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ লগতে বহু মন্ত্ৰী বাইহাটা চাৰিআলি হৈ পশ্চিম অঞ্চল যাব লগা হয়, কিন্তু জিৰণি লবলৈ বাইহাটা চাৰিআলিত পি ডব্লিউ ডি ৰ একো ব্যৱস্থা নাই। আপোনালোকে নিজে অনুভৱ কৰিব কথাটো। কাৰণ গলে ৰঙিয়াৰ ভিতৰলৈ যাব লাগে, কমলপুৰৰ ভিতৰলৈ যাব লাগে। আমাৰ যদি নৱ দলে ডাঙৰীয়া বা পল্লৱ লোচন ডাঙৰীয়া যায়, পদ্ম হাজৰিকা ডাঙৰীয়া বা ৰঞ্জিত দত্ত ডাঙৰীয়া যায় বাইহাটা চাৰিআলিত চাহ খাবলৈ ৰবলৈ এটা ঠাই নাই। এইটো এটা দুৰ্ভাগ্যজনক কথা। গুৱাহাটীৰ ইমান ওচৰৰ ঠাইত ৰেষ্ট পাবলৈ ঠাই নাই। গতিকে মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে, আপুনি আমাক বাইহাটা চাৰিআলিত এটা ঠাই দিয়ক। য'ত চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আপুনি গলে বহিব পাৰে। য'ত আমাৰ মন্ত্ৰী বিধায়ক সকল বা বিষয়া সকলে জিৰণি লব পাৰে। এতিয়া ফৰ লেন হ'ল। আমাৰ ৰাস্তাটো ধুনীয়া। কিন্তু এতিয়া বাইহাটা চাৰিআলিৰ পৰা মঙ্গলদৈ লৈ যাবলগা ৰাস্তাটো বেয়া। মই সন্মানীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়া আৰু পৰিবহণ মন্ত্ৰী ডাঙৰীয়াক অলপ আগতে কৈছো যে, বাইহাটা চাৰিআলিত এটা খুব সুন্দৰ প্লট আছে। পৰিবহণৰ এটা আস্থান আছে। কিন্তু আজিকালি বাছ বেছি নচলে। বহুখিনি ঠাই আছে, মই কৈছো , তাত হলেও ওপৰত এটা ব্যৱস্থা কৰক। য'ত জিৰণি লব পাৰি। এই মাটিবিলাক এনেই পৰি থকাতকৈ যদি আমি ব্যৱহাৰ কৰো মই ভাৱো চৰকাৰৰ নিশ্চয় লাভ হ'ব আৰু এটা পৰিৱেশো গঢ়ি উঠিব আৰু জনসাধাৰণৰ সুবিধা হ'ব। গতিকে মই বিধায়ক হোৱাৰ পিছত ৰাইজৰ মাজত যেতিয়া যাওঁ মই এই কথাই শুনো যে, বাপা আমাৰ ৰাস্তাটো কেতিয়া হ'ব ?আৰু আটাইতকৈ ডাঙৰ কথা অধ্যক্ষ মহোদয়, বহু ৰাস্তা আৰম্ভ হৈছে কিন্তু মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে কামবিলাক যথেষ্ঠ লেহেমীয়া হৈছে। এটা ৰাস্তা অলপতে মুক্তাপুৰৰ পৰা বালিকুছি বুলি কয় সেই ৰাস্তাটোৰ টেণ্ডাৰ কেনচেল কৰিবলগীয়া হ'ল। কণ্ট্ৰেকটৰজনে চাৰি মাহ পাচঁমাহ অৰ্ডাৰ কৰি লৈ বহি থাকিল। কিন্তু তেওঁ কাম আৰম্ভ নকৰিলে। আন এটা ৰাস্তাৰ কথা কব বিচাৰিছো। বিনন্দ শইকীয়া ডাঙৰীয়া থাকিলে ভাল আছিলে, জালুকবাৰী, কমলপুৰ আৰু ছিপাঝাৰ সমষ্টি স্পৰ্শ কৰি গৈছে দুটা ৰাস্তাই। বেজেৰা বালিকুছি সমষ্টি বুলি কয়। তাত ১২ কি: মি ৰাস্তা ১ কোটি ৭৭ লাখ টকা ৰিপেয়াৰিঙৰ কাৰণে দিছে। কেনেকৈ ইঞ্জিনিয়াৰ সকলে এই এষ্টিমেটটো বনালে মই বুজি নাপালো। অৱশেষত সেইটো নাকচ কৰিবৰ কাৰণে মই কব লগা হ'ল। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াকো মই কথাটো কলো যিহেতু তেখেতৰো এটা অংশ তাত পৰে। এতিয়া প্ৰায় তাত চাৰে চাৰি কোটি ৰিপেয়াৰিংৰ কাৰণে দিয়া গ'ল। কিন্তু আজিলৈকে ৰাস্তাটো ভাল নহ'ল। আজিকালি স্কুলীয়া লৰা-ছোৱালীয়ে সদায় Facebook, Whats up ত কয় যে, আমাৰ ৰাস্তাটো কেতিয়া ভাল হ'ব? আজিকালিতো ফটো মাৰি পঠায়। বাহিৰৰ মানুহবিলাকে কমেণ্ট কৰে। এই কথাবিলাকত কেতিয়াবা হীনমন্যতাত ভোগা যায় যে মই আচলতে স্কুলীয়া লৰা ছোৱালীবোৰক সুবিধাখিনি দিব পৰা নাই নেকি? গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সন্মানীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, ১.৭৭ এই পইচাৰ ঠাইত যি পৰবৰ্তী ধন দিয়া গ'ল তাৰ কাম তেতিয়া আৰম্ভ হ'ব? বেজেৰা,মুক্তাপুৰ, বালিকুছিৰ যে এই টেণ্ডাৰ কেঞ্চেল কৰা হ'ল, ঠিকাদাৰজনে কিয় কামটো নকৰিলে?PMGSY ৰ কামবোৰো যথেষ্ঠ লেহেম। তেওঁলোকে কিছুমানে কামবোৰ আৰম্ভ কৰিব খোজে কিছুমানে

নোখোজে। বাৰে বাৰে ইঞ্জিনীয়াৰক কোৱাৰ কোনো যুক্তি নাই। বাতৰিকাকতত ওলাই যায় যে, ইমান কি: মি কাম PMGSY য়ে পাইছে। কিন্তু বাস্তৱত যেতিয়া কামটো নহয়, তেতিয়া ৰাইজৰ গালি খাবলগীয়া হয়। গতিকে মই আশাঁ কৰো অধ্যক্ষ মহোদয়, আপুনি যি সুবিধা দিলে এই সুবিধাৰ দ্বাৰা পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই তেখেতে যথেষ্ট কষ্ট কৰিছে তাৰ কাৰণে তেখেতক ধন্যবাদ দিবই লাগিব। আমাক সুবিধা দিছে, দিয়া নাই বুলি মই নকওঁ। এই চৰকাৰখনে যথেষ্ট পৰিবৰ্তন আনিছে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আপুনি যিমানেই পৰিবৰ্তন নানক যদি ৰাস্তা ঘাট ঠিক নহয়, পৰিবৰ্তনটো মানুহৰ চকুত নপৰে। যদি গুৱাহাটী চহৰ বা গাওঁৰ ৰাস্তা -ঘাট ভাল হয় মানুহেপৰিবৰ্তনটো দেখিবলৈ পায়। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছো যে, গড়কাপ্তানী বিভাগক যিমান টকা দিছে তাতকৈ আৰু বেচি টকা দিব লাগে। তেতিয়া গড়কাপ্তানী বিভাগে পৰিবৰ্তনটো মানুহক দেখুৱাবলৈ সক্ষম হ'ব পাৰে। ইয়াৰ লগতে আন কেইটামান গুৰুত্বপূৰ্ণ বিষয়। মই কৈছিলো যে, কমলপুৰ সমষ্টিটো ৰাজধানীৰ অন্তৰ্ভুক্ত হয়। কিন্তুআমাৰ ইমান অভাৱ যে কৈ থাকিলে দিনটো কৈ থাকিব পাৰি।

**মাননীয় অধ্যক্ষ ঃ** অভাববিলাক পূৰণ কৰিব পৰাকৈ ক'ব। সেইকাৰণে স্পেচিয়েল দিয়া হৈছে।

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ তাত মদন কামদেব বুলি এখন ঐতিহ্যমণ্ডিত ঠাই আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া পি ডব্লিউ ডি শেষ কৰিছেনে ?

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** পি ডব্লিউ ডি টো শেষ কৰিছো। এতিয়া মই আপোনাৰ যোগেদি -------

**মাননীয় অধ্যক্ষ ঃ** মই কলো যে, already your all the written stakes I have sent to the depatrment.

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। মই পি ডব্লিউ ডিটো শেষ কৰিছো আৰু ইয়াৰ লগে লগে মই আন এটা গুৰুত্বপুৰ্ণ বিষয় উৎথাপন কৰিছিলো। গুৱাহাটী চহৰৰ নিচেই ওচৰত থকা বাইহাটা চাৰিআলি অঞ্চল। কমলপুৰ সমষ্টিত কেইবাটাও ঐতিহাসিক কেন্দ্ৰ আছে। তাৰ ভিতৰত বহুতেই জানে মদন কামদেৱ দেৱালয়। ঐতিহাসিক গুৰুত্বও তাত আছে। এই দেৱালয়লৈ যোৱাবাৰ বাজেটত কিছু ধন দিয়া বুলি উল্লেখ কৰা হৈছিলে । কিন্তু আজিলৈকে কিমান ধন গ'ল, কি গ'ল আমি গম নাপালো আৰু তাৰ কোনো কাম আৰম্ভ হোৱা আমি গম নাপালো। পুৰাতত্ব বিভাগৰ অতি গুৰুত্বপূৰ্ণ ঠাই পিংগলেশ্বৰ দেৱালয়। মই সন্মানীয় মুখ্যমন্ত্ৰী, সন্মানীয় বিত্ত মন্ত্ৰী আৰু পৰ্যটন বিভাগৰ মন্ত্ৰীক জনাইছিলো যে ইয়াক Tourism spot লৈ পৰিৱৰ্তিত কৰিব লাগে যাতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা পুৰাতত্ব সম্পৰ্কে অধ্যয়ন কৰিব অহা ছাত্ৰ-ছাত্ৰী তথা গৱেষক সকলে তাত গৱেষণা কৰিব পাৰে। কিন্তু, সেই ঠাইত থকাৰো কোনো ব্যৱস্থা নাই আৰু তাক আমি পৰিপাতিকৈ ৰাখিবও পৰা নাই। ইতিমধ্যে প্ৰায় ৮.৫ কোটি টকাৰ এটা project বনাই চৰকাৰক দাখিল কৰিছিলো। চৰকাৰে কৈছে যে, আমাৰ ইয়াত বহু সংখ্যক পৰ্যটকৰ ভিৰ হৈছে। গতিকে মোৰ কথাটো হ'ল যে সেই পৰ্যটক সকল আমাৰ ফালে গৈ আমাৰ ঠাই সমূহো যাতে চায়, যাৰ ফলত দুই-এখন দোকান-পোহাৰ, ধাবা, ল'জ গঢ়ি উঠে। সেইবাবে মই পৰ্যটন বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মই ইতিমধ্যে আপোনালোকৰ যোগেৰে ইয়াৰ তথ্য খিনিও দিছো। বুৰঞ্জীৰ যি গুৰুত্ব, এই গোটেইখিনি কথা যাতে পুৰাতত্ব বিভাগে চায়। এসময়ত ১৬৬১ চনত স্বৰ্গদেউ শিৱ সিংহ আহি পিংগলেশ্বৰ দেৱালয়ৰ গুৰুত্ব বুজি পাইছিল, গতিকে অধ্যক্ষ মহোদয়, সেই গুৰুত্বটো যদি আমি অনুভৱ নকৰো

সেইটো আমাৰ বাবে এক দুৰ্ভাগ্যজনক কথা হ'ব। গতিকে মই আশা কৰো পিংগলেশ্বৰ দেৱালয়ক এক পৰ্যটন স্থলীলৈ যাতে পৰিৱৰ্তিত কৰে। ভাৰতবৰ্ষ তথা অসমৰ মানুহে জানিব লগীয়া বহু সমলো তাত আছে। গতিকে এই কথা খিনিক অধিক গুৰুত্ব দিব বুলি মই আশা কৰিছো। মোৰ গাঁৱত কুৰ্ম মাধৱ বুলি এখন দেৱালয় আছে, যিখন দেৱালয়ৰ মাটি ১৭১৪ চনত স্বৰ্গদেউ ৰুদ্ৰসিংহই দিছিল। এই দেৱালয়খন এতিয়াও আছে। তাত মই MSDP scheme ৰ অধীনত কিছু কাম কৰিছো। কিন্তু সেই মাটি খিনি সংৰক্ষণ কৰাৰ কোনো ব্যৱস্থা নাই। ঐতিহাসিক ভাৱে গুৰুত্ব থকা এই কুৰ্ম মাধৱ দেৱালয়খন যাতে আমি tourism spot লৈ পৰিৱৰ্তিত কৰিব পাৰো। অলপতে, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে তেওঁৰ হাজো সমষ্টিৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ, পোৱামক্কাৰ কথা কৈছে। আনটো ফালে মদন কামদেৱ, অশ্বক্লান্ত দেৱালয়, দীৰ্ঘেশ্বৰী মন্দিৰ এই গোটেইখিনি ঠাইক চোৱাৰ বাবে যি সকল religious tourists আহে, সকলোৰে বাবে ই এক tourist zone লৈ পৰিৱৰ্তিত কৰাৰ সুযোগ পোৱা যাব। আমাৰ কমলপুৰ সমষ্টিৰ প্ৰায় ২০ খন মান সত্ৰ আছে আৰু এই সত্ৰ সমূহৰ কিছুমান সত্ৰ জহি-খহি যাবলৈ ধৰিছে। মই MLA fund ৰ পৰা কিছু সত্ৰ কিছু পৰিমাণে মেৰামতি কৰিবলৈ লৈছো। লেছাকুনীয়াৰ গোৱিন্দ আঁতাৰ ঘৰ কমলপুৰ সমষ্টিত। তেওঁৰ যি জন্ম ভেঁটি, সেইটোক সংৰক্ষণৰ কোনো ব্যৱস্থা নাই। গতিকে এই ঐতিহাসিক বুৰঞ্জীমূলকভাৱে প্ৰসিদ্ধ ঠাইসমূহক যদি আমি সংৰক্ষণ নকৰো, তেনেহ'লে অধ্যক্ষ মহোদয়, পৰৱৰ্তী পৰ্যায়ত নতুন প্ৰজন্মৰ দৃষ্টিত নিশ্চয় আমাৰ অপৰাধ বোধ থাকি যাব। এই কাৰণে মই আশা কৰিছো যে পৰ্যটন বিভাগে এই বিষয়টোৰ ওপৰত গুৰুত্ব দি যিকোনো প্ৰকাৰে এই ঠাইখিনিৰ সংৰক্ষণ তথা উন্নয়ন আৰু ইয়াক পৰ্যটন স্থলীলৈ পৰিৱৰ্তন কৰিব বুলি মই আপোনাৰ জৰিয়তে পৰ্যটন বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো। মই পৰ্যটন বিভাগক এইখিনি কথায়েই ক'ব খুজিছো।

আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে ক্ৰীড়া বিভাগ। এই বিষয়ে কেইটামান কথা মই সদনত উপস্থিত থকা আমাৰ মাননীয় ক্ৰীড়া মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব বিচাৰিছো। আগতে আমাৰ ঠাইত দুখনকৈ mini stadium আছিল, কৰৰা আৰু কমলপুৰ। আগতে যেতিয়া বৰদলৈ ট্ৰফীৰ খেল হৈছিল তাৰ কিছু সংখ্যক খেল কৰৰাত হৈছিল। খেলবোৰ চাই মানুহে ভাল পাইছিল। এতিয়াও তাত খেলবোৰ হয়। কিন্তু কৰৰাৰ ষ্টেডিয়ামখন যি পৰ্যায়লৈ নিব লাগিছিল সেই পৰ্যায়লৈ নিব পৰা নাই। তাত pavillion এ নাই। এইবাৰ মই তাত pavillion টো নিৰ্মাণ কৰিবলৈ ১০ লাখ টকা দিছো। আনহাতে কমলপুৰত এখন ষ্টেডিয়াম আছে যিখনৰ অলপো পৰিৱেশেই নাই আনকি তাৰ field খনো ভাল নহয়। মই ২-৩ লাখ টকা দি field খন ঠিক কৰিবলৈ লৈছো। তাৰোপৰি, এইবাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি ৫০০ খন খেল-পথাৰ ঠিক কৰিবলৈ দিছিল মই তাত দুখন খেল-পথাৰ যেনে এখন দগাঁও হাইস্কুলৰ খেল-পথাৰ আৰু আনখন পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল-পথাৰ, এই দুখন খেল-পথাৰ উন্নত কৰিবলৈ ইতিমধ্যে ক্ৰীড়া বিভাগত আৱেদন জনাইছো। এই দুখন খেল-পথাৰ উন্নত কৰাৰ লগতে কৰৰা ষ্টেডিয়াম আৰু কমলপুৰ ষ্টেডিয়াম দুখনো যাতে full-fledged stadium হ'ব পাৰে। আগতে যেতিয়া National Games হৈছিল তেতিয়া সোণাপুৰতো হৈছিল। কিন্তু এই ষ্টেডিয়াম কেইখন জালুকবাৰীৰ পৰা মাত্ৰ ২০-২৫ মিনিটৰ দূৰত্বত অৱস্থিত। গতিকে জালুকবাৰীৰ পৰা মাত্ৰ ২০-২৫ মিনিটত পোৱা ষ্টেডিয়াম কেইখনক যদি আমি develop কৰিব পাৰো তেনেহ'লে ই আমাৰ বাবে এক গৌৰৱৰ কথা হ'ব। এই ষ্টেডিয়াম কেইখন গুৱাহাটীৰে এটা অংশ। কাৰণ ৰাজধানী ক্ষেত্ৰ ইতিমধ্যে কমলপুৰলৈ সম্প্ৰসাৰিত হৈছে। গতিকে ৰাজধানী ক্ষেত্ৰত থকা এই ষ্টেডিয়াম দুখন যদি আমি develop কৰো,

তেনেহ'লে পৰৱৰ্তী সময় চোৱাত ই এক উৎসাহজনক কথালৈ পৰিৱৰ্তিত হ'ব। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমখনক Sports capital, কৰাৰ যি পৰিকল্পনা কৰিছে, এই পৰিকল্পনাটো তেতিয়াহে সফল হ'ব। অধ্যক্ষ মহোদয়, মই বেছি বিচৰা নাই, এই দুখন খেল-পথাৰৰ অৱস্থা যাতে ঠিক কৰি দিয়ে। মোৰ ওচৰত বহুত মানুহে Sports academy, football academy খুলিবলৈ মাটি বিচাৰি আহে কিন্তু উদ্যোগ ক্ষেত্ৰৰ লগতে বহুতো বাহিৰা মানুহে ইতিমধ্যে বহুত মাটি দখল কৰা বাবে, মাটি দিবলৈ নোহোৱা হৈছে। গতিকে মই Sports complex হোৱাৰ বাবে আশা কৰো আৰু তাৰ বাবে যদি মন্ত্ৰী মহোদয়ক কেতিয়াবা কোনোৱে অনুৰোধ জনাই, তেনেহ'লে আপুনি কমলপুৰ সমষ্টিকো চাব বুলি আশা কৰিছো যাতে আমি তাত Sports complex গঢ়ি নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালী সকলক উৎসাহিত কৰিব পাৰো।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ ওচৰত যি সকলে Sports academy, খোলাৰ proposal লৈ যায়, তেতিয়া আপুনি stadium ৰ site টোতেই কিয় নিদিয়ে ?

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, ইয়াতো এটা technical problem আছে যেনে কৰৰা ষ্টেডিয়াম যিখনৰ কথা কোৱা হৈছে, সেইখন ষ্টেডিয়ামৰ মাটিখিনি হ'ল কৰৰা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ মাটি।

**মাননীয় অধ্যক্ষঃ** মই এই কাৰণে জানিব বিচাৰিছিলো যে, ক্ৰীড়া ক্ষেত্ৰত privately investment কৰিলেও বেয়া নহয় ।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** আমি তেনেকুৱা একাডেমী খোলাৰ বাবে ভিতৰৰ মাটি দিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** আপুনি ইয়াত যি ৫ খন ষ্টেডিয়ামৰ তালিকা দিছে, তাত যদি Sports academy খোলাৰ বাবে ব্যৱস্থা কৰি দিয়ে, তেনেহ'লে এই যি সকলে সেই উদ্দেশ্যেৰে মাটি বিচাৰি আহে তেওঁলোকৰ লগত আলোচনা কৰি যিবোৰ mini stadium আছে তাৰ ক'ৰবাত Sports academy খোলাৰ ব্যৱস্থা কৰি দিব পাৰে। এতিয়া আপুনি Cultural affairs ৰ বিষয়ে কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** ক্ৰীড়াৰ লগত জড়িত এটা কথা মই আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অহা ২৩, ২৪ আৰু ২৫ মাৰ্চ তাৰিখে আমাৰ কমলপুৰ সমষ্টিত Inter District Kabaddi খেল হ'ব। যাৰ কাৰণে তেওঁলোকক থকা ঠাইৰ উপৰিও বিভিন্ন সুবিধাৰ দৰকাৰ হ'ব। আজি স্বাধীনতাৰ ৭০ বছৰ পাৰ হৈ যোৱাৰ পিছতো এটা কথা মই বৰ দুখেৰে ক'ব লগা হৈছে যে গুৱাহাটীৰ পৰা নিচেই ওচৰত থকা কমলপুৰ সমষ্টিত এতিয়ালৈ এটা auditorium নাই। এতিয়া মই বেলেগ fund ৰ পৰা দুটা auditorium ৰ কাম কৰিবলৈ দিব ওলাইছো। ইয়াৰ বাবে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই আধাৰ শিলা স্থাপন কৰাৰ বাবে ৰৈ আছো । বাইহাটা চাৰিআলিত ইতিমধ্যে MSDP scheme ৰ ১ কোটি ১০ লাখ টকাৰে auditorium বনাবলৈ দিয়া হৈছে। আমাৰ ক্ৰীড়া মন্ত্ৰী ডাঙৰীয়া যিহেতু Sports ৰ লগতে Cultural Affairs Minister গতিকে মই তেখেতক অনুৰোধ কৰিম যে তেওঁ এই auditorium টো উদ্বোধন কৰাৰ লগতে এই দুয়োটা auditorium পূৰ্ণাংগ পৰ্যায়ত পৰিৱৰ্তিত কৰিব পাৰো তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াৰ সহায় সহযোগ লাগিব। মই মন্ত্ৰী ডাঙৰীয়াক আন এটা কথা ক'ব বিচাৰিছো যে, বাইহাটা চাৰিআলিৰ যিখন মূল কেন্দ্ৰস্থল পূৱ কামৰূপ মহাবিদ্যালয়, তাত আমি Indoor stadium গঢ়ি তুলিছো আৰু এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়া বা মন্ত্ৰী ডাঙৰীয়াৰ সময় অনুযায়ী বিধান

সভাৰ অধিবেশনৰ মাজতে যিদিনা সময় হয়, সেইদিনা আমি উদ্বোধন কৰিবলৈ যাম। গতিকে এটা পৰিৱেশ সৃষ্টি কৰিবলৈ আমি চেষ্টা চলাইছো। আশা কৰো, আমাৰ এই পৰিৱৰ্তনৰ দায়িত্ব লৈ অহা চৰকাৰখনৰ এগৰাকী সদস্য হিচাপে অসমৰ মানুহক প্ৰতিশ্ৰুতি দিয়া মতে এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে মোক উৎসাহিত কৰিব। মই বেছিকৈ ক'ব খোজা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যথেষ্ট মোক মৰম কৰে। তেখেতক মই বেছি দায়িত্ব দিয়াই নাই, মাত্ৰ এটা কথা মোক উদ্যোগমন্ত্ৰী ডাঙৰীয়াই বাৰে বাৰে দিছে কিন্তু কামটো হোৱা নাই বাবে ক'বলৈ বাধ্য হৈছো। এইটো হ'ল যে আপোনালোক থাকোতেই মোৰ সমষ্টিত, আমাৰ গাঁওত এটা industry আছিল SAIL বুলি। SAIL industry টো হৈছিল ১৯৯৮ চনত। মই অতি দুখেৰে কৈছো যে অধ্যক্ষ মহোদয়, তাত ২৭ বিঘা মাটি আছিল ৯৯ বছৰৰ কাৰণে লীজত লৈ ফাৰ্ম খুলিছিলো। industry টো হোৱাৰ স্বাৰ্থত মই মাটিখিনি এৰি দিলো। মোৰ লগতে আন কেইজনমান যুৱকেও মাটি এৰি দিছিল। কিন্তু মাটিখিনি গ'ল industry টো নহ'ল। এতিয়া এই ৭৫ বিঘা মাটি ৭ জন home guard এ কিছুবছৰ ধৰি ৰখি আছে আৰু তাত কেইটামান ঘৰ আছিল কিন্তু টিনবিলাক কোনোবাই কাটি নিলে। মাননীয় পাটোৱাৰী ডাঙৰীয়াই অনানুষ্ঠানিক ভাৱে মোক সিদিনা কৈছে যে তিনিমাহৰ ভিতৰত কৰিম। SAIL industry কৰাৰ প্ৰতি মোৰ গুৰুত্ব নাই অধ্যক্ষ মহোদয় কিন্তু মাটি আজি ইমান গুৰুত্বপূৰ্ণ হৈ গৈছে যে যদি তাত SAIL এ industry টো নকৰে মাটিখিনি অসম চৰকাৰকে গতাই দিওঁ কাৰণ industry কৰা মানুহ বহুত আছে। কিন্তু তেওঁলোক আহি ২০ বছৰ ধৰি মাটিখিনি occupy কৰি আছে। industry টো নকৰিব এতিয়া, কেতিয়াও হ'ব নোৱাৰে। কাৰণ যদি পাঁচবছৰ ধৰি এটা মাটি ইউটিলাইজ নকৰাকৈ থাকে তেওঁলোকক কিয় মাটিটো দি ৰখা হয়। চৰকাৰে এই বিষয়টো লৈ এটা কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। Appollo industry যদিও ৰঙিয়া সমষ্টিৰ অন্তৰ্গত তাত কমলপুৰ সমষ্টিৰ বহুতো মানুহে কাম কৰি আছে। গতিকে এই industry টো যিহেতু ৰঙিয়া আৰু হাজো সমষ্টিৰ অন্তৰ্গত Rangia Sub division ৰ এটা চলি থকা industry আছিল গতিকে এই Appollo ৰ প্ৰতি এটা সুদৃষ্টি হ'ব লাগে। ইতিমধ্যে সমবায় বিভাগৰ পৰা পইচা ৰিলিজ কৰি দিম বুলি কৈছে। গতিকে সোনকালে পইচাটো মোকলাই দিব লাগে আৰু উদ্যোগটো কাৰ্য্যক্ষম কৰি তুলিব বুলি মই দৃঢ় বিশ্বাস ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতেই মই PWD অন্তৰ্গত ৰাস্তাৰ তালিকা ৰ কৰিবলগীয়া কামখিনি আপোনাৰ যোগেদি বিভাগৰ মন্ত্ৰী মহোদয়লৈ পঠিয়াম কাৰণ নিৰ্দিষ্ট সময়ৰ ভিতৰত কমলপুৰ সমষ্টিৰ অভাৱ অভিযোগখিনি আপোনাৰ আগত দাঙি ধৰাটো সম্ভৱপৰ নহয়। কিন্তু যিখিনি কৰিলো আপুনি সুযোগখিনি দিয়াৰ বাবে কৰিলো। আশা কৰো আমাৰ মাননীয় উদ্যোগমন্ত্ৰী, মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগ PWD Minister আছে আপোনালোকৰ সুদৃষ্টি কমলপুৰ ৰাইজৰ ওপৰত পৰিব বুলি আশা ৰাখিছো আৰু এদিন আপুনি মিটিঙত কৈছে যে আমি ভাৰতীয় জনতা পাৰ্টীৰ সদস্য। আপোনালোকৰ সমষ্টিটোৰ নাম "কমল"। যদি বি জে পি চৰকাৰ থাকোতে কমলটো ভালকৈ নুফুলে, বাকী কেনেকৈ হ'ব। গতিকে শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া, মই আপোনাৰ ভাষাৰে কৈছো যে আপুনি কমলটো অলপমান ঠিকঠাক কৰি লওঁক। আপোনালোকৰ বাবে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Hon'ble Minister Shri Parimal Suklabaidya.

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক বন্ধু শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়াই খুব সুন্দৰকৈ PWD সম্পৰ্কত কিছুমান আলোচনা দাঙি ধৰিছে। মই নিজেও তেওঁৰ সমষ্টিত

গৈছো আৰু হয় কমলপুৰ সমষ্টিৰ উন্নয়ন আৰু যোগাযোগ ব্যৱস্থাৰ এটা খুব প্ৰয়োজনীয়াতা আছে। অধ্যক্ষ মহোদয়, উন্নয়ন পৰিক্ৰমা সেই সমষ্টিত আৰম্ভনি হৈছে। মই এই বিলাক দীঘলীয়াকৈ ক'ব বিচৰা নাই। তথাপি চৰকাৰৰ ফালৰ পৰা যাতে এই সমষ্টিৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন হয় সেই পৰিক্ৰমাটো আমি আৰম্ভ কৰিছো আৰু আপোনাক এই কথাটো ক'বলৈ পাই ভাল লাগিছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি চেষ্টা কৰি যাম যাতে আপোনাৰ মোৰ কাৰ্য্যকালৰ ভিতৰত এটা সুস্থ যোগাযোগ ব্যৱস্থা আমি কমলপুৰ ৰাইজক উপহাৰ দিব পাৰো। এই চেষ্টা আমাৰ অব্যাহত থাকিব। যোগাযোগ ব্যৱস্থাটো হৈছে আমাৰ উন্নয়নৰ এটা মাধ্যম। যিকোনো বিভাগেই যেতিয়া এটা অনুষ্ঠান- প্ৰতিষ্ঠান পাতে তেতিয়া আমাৰ যোগাযোগ ব্যৱস্থা লাগিবই। আমাৰ চন্দ্ৰমোহন পাটোৱাৰী দাই একেবাৰে successful মন্ত্ৰী হিচাবে মুখ্যমন্ত্ৰীৰ নেতৃত্বত প্ৰায় ১ লাখ কোটি টকাৰ investment কৰিছে যিবোৰ আমাৰ ইয়াত আহিব। গতিকে investment হ'লেই নহ'ব। আমাক যেতিয়া ফেক্টৰী লাগিব তেতিয়া ফেক্টৰী যোৱা ৰাস্তা লাগিবই। যেতিয়া আমাৰ স্কুল, কলেজ, চিকিৎসালয় হ'ব তেতিয়া আমাৰ ৰাস্তা বিলাক লাগিব। ৰাস্তা লাগিলে টকা পইচাৰ কথাও আছে। আমাৰ মাননীয় বিধায়ক সকলে আমাক কয় যে ৰাস্তা বিলাক ভাল হ'ব লাগে। মই এইটো কথা জানো কাৰণ ময়ো এটা সমষ্টিৰ পৰা নিৰ্ব্বাচিত হৈ আহিছো। এতিয়া মই মন্ত্ৰী হোৱাৰ পিছতো আমাৰ ওপৰত চাপ যে আপুনি মন্ত্ৰী, কিন্তু ৰাস্তাটো বেয়া কিয়? কথাটো সঁচা কিন্তু ইচ্ছা কৰিলেও মই আটাইখিনি ৰাস্তা কৰিব নোৱাৰিম। এই সমস্যাটো আমাৰ আছে। আপোোলোকে দেখিছে যে আমাৰ চৰকাৰ গঠন হোৱাৰ পিছতে মই ভাৱো যে maintainance ত আটাইতকৈ বেছি পইচা দিয়া হৈছে। তিনিবছৰৰ ভিতৰত প্ৰথম বছৰত দিয়া হৈছে ৬০০ কোটি, তাৰপিছত ৮০০ কোটি। এইবাৰ আকৌ আমি ৬০০ কোটি টকা পাম। গতিকে আমি ক'ব পাৰো যে আমাৰ যিমান দাবী আছে, প্ৰয়োজন আছে সেই প্ৰয়োজনৰ তুলনাত আমাৰ সিমানখিনি পুঁজি নাই। তথাপিও আমি খুব কম পুঁজিৰে যিমানখিনি পাৰো পৰিক্ৰমা আৰম্ভ কৰিছো আৰু আপোনাৰ ইয়াত দিয়া তথ্য হিচাবে মই ক'ব পাৰিম যে আমি আপোনাৰ সমষ্টিত প্ৰায় প্ৰত্যেকটো Head ৰ ফালৰ পৰা আমি কাম আৰম্ভ কৰিছো। Annual Plan, RIDF, SRP ইত্যাদি conversion ৰ বাবে আমি চেষ্টা লৈছো। ঠিক তেনেকে CRF ৰ কাম PMGSY ৰ কাম গোটেইখিনি মিলি আমি কাম আৰম্ভ কৰিছো আৰু মই ভাৱো যে এই কামৰ জৰিয়তে আমি কিছুমান ৰাস্তা যোৱা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিছো আৰু সচাঁকৈ আপুনি এটা কথা কৈছে যে আমাৰ কাম বিলাক যেনেকুৱা স্পীডত হ'ব লাগিছিল তেনেকুৱা স্পীডত হ'ব পৰা নাই। এই কথাটো হয় এই কথাটো মই মানি লৈছো যে যি গতিত কাম চলিব লাগিছিল সেই গতিত হোৱা নাই। এই ক্ষেত্ৰত মই কাকো জগৰীয়া কৰিব বা আগৰ চৰকাৰৰ লগত তুলনা কৰিব বিচৰা নাই। কিন্তু কথাটো হ'ল এনেকুৱা যে আমি যেতিয়া চৰকাৰ গঠন কৰিলো তেতিয়া দেখিলো যে কিছুমান ঠিকাদাৰৰ এটা work culture আছে। এই work culture টো এনেকুৱা যে কিবা কৰি অলপ কাম কৰি যাম আৰু মাজে মাজে আমি running bill পাম এনেকুৱা ধৰণৰ এটা স্থিতি আছে। এই স্থিতিৰ পৰা হঠাৎ আমি যিখন গাড়ী ৪০ কিঃমিঃ speed ত চলে আমি হঠাৎতে ১২০ কিঃমিঃ ল'ব নোৱাৰো। অলপ speed লাগিছে। আমি যাতে speed ত লৈ যাব পাৰো তাৰ কাৰণে প্ৰয়াস চলি আছে। আপোনালোকে জানে যে ৰাস্তা পদূলি নিৰ্মাণৰ কাৰণে শিলগুটিৰ প্ৰয়োজন আছে। মাজতে Supreme Court ৰ order এইবিলাক কিবা কিবি লৈ শিলগুটিৰো অলপ problem হৈছিল। এতিয়াও যে প্ৰত্যেকখন ঠাই ঠিক হৈছে এনেকুৱা নহয়। শিলগুটিৰ দামো বাঢ়িছে। বিভিন্ন সংবাদ মাধ্যমত আপোনালোকে দেখে

যে ৰাস্তাৰ কাম  কৰি আছে, উঠি গৈ আছে। গোটেই অসমত যোৰা এবছৰত আমি  প্ৰায় ৭,৫০০ কিঃমিঃ ৰাস্তা পকীকৰণ কৰিলো। কিন্তু কিছুমান ঠাইত এৰি গৈছে। এৰি যোৱাৰ কাৰণটো হৈছে যিটো bitumen দিয়া হয় সেইটো duplicate কিন্তু কিবা কাৰণত তেওঁলোকে ভাল quality ৰ bitumen দিব পৰা নাই। গতিকে গোটেইখিনি এই স্থিতিৰ ভিতৰত আহি আমি এবছৰ খুব চেষ্টা কৰিলো।  এতিয়া মই ভাবো যে অলপ চেঞ্জ হৈছে আৰু বাকী আমাৰ বহুত কৰিবলগীয়া আছে। সেই কথাটো সচাঁ। আৰু আমি চেষ্টা চলাইছো মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত। যেতিয়াই মুখ্যমন্ত্ৰীৰ লগত মোৰ কথা হয়, এই কথাটো কোৱা হয়। মাননীয় মুখ্যমন্ত্ৰীয়ে কয় যে পি ডব্লিউ ডি মানে পাব্লিক ৱৰ্ক ডিপাৰ্টমেণ্ট। তেওঁ প্ৰত্যক্ষভাৱে আৰু কয় যে, আপুনি ভাল কাম কৰি যাওঁক, অধ্যক্ষ মহোদয়, আমি খুৱ চেষ্টা কৰি আছো।কিবা কৰি হলেও কামখিনি যাতে কৰি লব পাৰো। আপোনালোকে দেখিছে, মই এঘাৰ, বাৰটালৈকে অফিচত থাকো যিমানখিনি পাৰো। এইটো মই নিজৰ প্ৰশংসাৰ কাৰণে কোৱা নাই। কিন্তু আমি চেষ্টা কৰি আছো। এতিয়া মাজতে আমি সিদিনা উত্তৰ দিলো ৪৬ খন ব্ৰীজে পৰি আছে, এনেকুৱা স্থিতি আজি দুই বছৰে পেলাই ৰাখিলে। কিন্তু এই ৪৬ খন ব্ৰীজ নিৰ্মাণ কৰাৰ কাৰণে প্ৰায়  ২৫৩ কোটি টকা। আৰ আই ডি এফত কিবা কৰি হলেও মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত sanction দি যাতে আমি সোনকালে কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। সেইটো প্ৰশ্নৰ আপোনালোকৰ জৰিয়তে আহিছে আমাৰ ইয়াত। আমি ইয়াতে আৰু দীঘলীয়াকৈ কথা নকওঁ। কাৰণ আমাৰ মাননীয় মন্ত্ৰীসকলে উত্তৰ দিব। কিন্তু আপুনি যি ইয়াতে ১৭৬ ৰাষ্টা পদুলিৰ কথা কৈছে, হয়, গোটেইখিনি প্ৰয়োজনীয় ৰাষ্টা। আমি কৈ সময় নষ্ট নকৰো। কিন্তু ১৭৬ দুৰত্ব প্ৰায় ৪৬২কিঃমিঃ হয় আৰু এই ৪৬২কিঃমিঃ ৰাষ্টা সঁচাকৈআপুনি কোৱাৰ মতে বা আমাৰ যিটো ৰিপোৰ্ট আছে, বি ভাগে যিটো  দিছে এই ৪৬২কিঃমিঃ ৰাষ্টা ভাল নহয়। কিন্তু এটা কথা আপোনাক আমি জনাম যে, মাননীয় অধ্যক্ষৰ জৰিয়তে যে চাৰ আমাৰ গোটেইকিনি ৰাষ্টা আমাৰ পি ডব্লিউ ডি ৰ নহয়। ৰাস্তা মানে এনেকুৱা, ৰাইজে ভাৱে ৰাস্তা মানেই পি ডব্লিউ ডি ৰ। কিন্তু প্ৰেক্‌টিকেলি পি ডব্লিউ ডি বুকত নাই এই ৰাস্তাবিলাক । ইয়াৰ ভিতৰত কিছুমান ৰাস্তা আমাৰ আছে। তাৰে কিছুমান ৰাস্তা পঞ্চায়ত আৰু ৰুৰেল ডেভেলপমেণ্টৰ আছে। ইয়াতে মই দেখিছো যে ১৭৬ ৰাস্তা প্ৰায় বে্ছি ভাগ ৰাস্তাই পঞ্চায়তৰ হয়। পঞ্চায়তৰ লগত যদি kindly যোগায়োগ কৰে। মই ভাবো যে আমাৰ খিনিৰ দায়িত্ব নিসন্দেহে আমি লব লাগে। বাকী যিখিনি আছে, পঞ্চায়তেও কাম কৰি আছে। আপোনালোকে দেখিছে।  আজিৰ দিনত আমাৰ চৰকাৰ অহাৰ পাছত আই চি বি পি ব্লকৰ জৰিয়তে বহুতো পঞ্চায়তৰ ৰাস্তা আমাৰ সমষ্টিটো হৈছে। বিভিন্ন সমষ্টিতো হৈছে। আপোনালোকৈ কৰিছে।  এইটোত পইচাৰ অভাৱ নাই। মই ভাৱো যে আপুনি এইটো কৰিলে ১৭৬ ৰাস্তাহয়তো  হব আৰু পাৰ্টিকুলাৰলি আপুনি তিনিটা ৰাস্তা সম্পৰ্কত কৈছে। উত্তৰটো দিবলৈ মোৰ অলপ অসুবিধা লাগে। কিন্তু তথাপিতো যিহেতু প্ৰশ্নটো উত্থাপন কৰিছে, আমি কবই লাগিব। যোৱা বছৰ হোৱা অত্যাধিক বৰষুণৰ বাবে বেজেৰা চকৰ পৰা কমলপুৰ সমষ্টিৰ মাজেৰে ছিপাঝাৰ দলঙলৈ যোৱা বালিকুছি পথটো যথেষ্ট ক্ষতি হৈছে। হয়। পথটোৰ মেৰামতিৰ বাবে এতিয়ালৈকে কোনো পুঁজি অনুমোদন পোৱা নাই।  আৰু এতিয়ালৈকে হোৱা নাই। পুঁজি অনুমোদন পালে পথটোৰ মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হব। সেই কথাটো যেতিয়া মই মন্ত্ৰী হিচাপে কওঁ, মোৰো খুৱ ভাল নালাগে, একেবাৰে  সঁচাকৈয়ে কৈছো । পূঁজিৰ সাপেক্ষে আমি ব্যৱস্থা লম। এতিয়া কথাটো হৈছে যে, পুঁজি আমাক লাগিব। যিহেতু ফ্লাডে বিনষ্ট কৰিলে এতিয়া আমাৰ পি ডব্লিউ ডি ত যদি এচ. ডি. আৰ. এফ এ দিয়ে তে নেহ'লে কৰিম, নহলেতো আৰু কৰিব নোৱাৰো। যিমানখিনি ফ্লাডে বিনষ্ট

কৰে আপোনালোকে দেখিছে যে , এইবাৰ চাৰিবাৰ ফ্লাড হ'ল ।ৰাস্তা-পদুলি বহু ঠাইত বেয়া হৈছে। কিন্তু আমি এতিয়ালৈকে শতকৰা চল্লিছ শতাংশ অনুমোদন পাইছো আৰু পয়ত্ৰিছ কোটি , মুঠ পসত্তৰ কোটি। এইটোৱেই আটাইতকৈ বেছি পইচা নেকি আমাৰ চৰকাৰৰ কাৰ্য্যকালত আমি এচ ডি আৰ এফৰ পৰা অনুমোদন পাম। যিটো আশা আছে, এই পসঁত্তৰ কোটিয়ে আমাৰ চাৰে চাৰিশ, পাচঁশ কোটি য'ত নষ্ট হৈছে, সেইটো আামি ঠিক কৰিব নোৱাৰো। আমাৰ হাতত ইমান পুঁজি নাই। এইবিলাক আপোনালোকে জানে বা বুজে। আৰু দ্বিতীয়তে, আপুনি ইণ্ডিকেট কৰি দিছে, হৰদত্ত আৰু বীৰদত্ত পথৰ কলাজল জাতীয় বিদ্যালয়ৰ পৰা কলাঠাকুৰ মন্দিৰ হৈ কলাজল নদীৰ ওপৰত দলং সহ দিল্লী পাব্লিক স্কুলৰ কাষেৰে একত্ৰিছ নং ৰাষ্ট্ৰীয় ঘাই পথলৈ যোৱা পথটোৰ নিমাৰ্ণৰ বাবে এতিয়ালৈকে কোনো পুঁজি আমি অনুমোদন পোৱা নাই। সেই পুঁজি সাপেক্ষে আমি পুঁজি পালে কৰি দিম। আমাৰ চেষ্টা থাকিব। বিহ'দীয়াৰ, চেপ্তিপথাৰ বিহ'দীয়া জাজীখণ্ড উন্নয়ন খণ্ডৰ পৰা মিছাচুবা, মহন্তচুবা তথা মুকুন্দপুৰ হৈ গুৱাহাটী গোৰেশ্বৰ পথৰ আদৰ্শ জাতীয় বিদ্যালয়লৈ যোৱা পথটোৰ নিৰ্মাণৰ বাবে এতিয়ালৈকে কোনো পুঁজি অনুমোদন পোৱা নাই। পুঁজি সাপেক্ষে অনুমোদন পালে পথটোৰ মেৰামতিৰ ব্যৱস্থা আমি কৰিম। আৰু ছখন দলংৰ প্ৰস্তাৱ আমি..........

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি ইমান ডিটেইল্চ নালাগে। উত্তৰটো আমি তাত দি দিম তেখেতক, পাই যাব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, ( মন্ত্ৰী ) ঃ** হব চাৰ। আৰু তেওঁ পি ডব্লিউ ডি ৰ আমাৰ বিল্ডিং ডিভিজনে কৈছে, আমি বিল্ডিং ডিভিজনৰ কথাটো কৈ যোৱাৰ আগতে মই এই কথাটো কম যে আপুনি ছখন দলংৰ কথা কৈছে, তিনিখন হৈছে আৰু পি এম জি এচ ৱাইটো কিছুমান দলং হ'ব। এই ছয়খন দলং প্ৰেক্টিকেলি আমাৰ চৰকাৰে এহেজাৰ এচ পি টি ব্ৰীজকনভাৰশ্যন আমি কৰিম। সেইটোৰ ভিতৰত আমি দুশখন দলং এইবাৰ আৰম্ভণি কৰিবলৈ গৈ আছো। অহা বছৰ যাতে এই ছখনৰ ভিতৰত কিছুমান আমি লব পাৰো তাৰ কাৰণে আমি চেষ্টা কৰিম। চাৰ, স্বাস্থ্য বিভাগৰ অধীনত আমি পুঁজি পাইছো কিছুমান ঠাইত ।এই পুঁজিটো আমি আমাৰ গড়কাপ্তানিগৃহ বিভাগে কৰে। যদি চাৰ, আপুনি অনুমতি দিয়ে, তেতিয়াহ'লে অলপ পঢ়ি দিম নে এনেকৈ দিম ? পি ডব্লিউ ডি বিল্ডিং ডিভিজনৰ প্ৰশ্ন আছে ইয়াতে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতক দি দিলে হ'ব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, ( মন্ত্ৰী ) ঃ** অলপ দিঘলীয়া চাৰ। উত্তৰ আছে আমাৰ হাতত ।

**মাননীয় অধ্যক্ষ ঃ** তেখেতক দি দিলে হ'ব। Place the paper. আমি তেখেতলৈয়ো পঠিয়াম আৰু ৰাখি দিম।

**শ্ৰী সত্যব্ৰত কলিতা, (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, মোক উত্তৰ নালাগে। মই মন্ত্ৰী মহোদয়ক এটা ইনফৰমেশ্যন দিছো যে, যিটো বেজেৰা বালিকুছি ৰোড, তাত যেতিয়া চেংশ্যন লেটাৰখন মোৰ ওচৰলৈ আহিছিলে দেখিছিলো যে ১.৭৭ দিয়া হৈছে। এক কোটি সাতসত্তৰ লাখ টকা ৰিপিয়াৰিংৰ কাৰণে দিয়া হৈছে। যেতিয়া সেই সময়ত মই কমিশ্যনাৰক জনাইছিলো যে বাৰ কিলোমিটাৰ ৰাষ্টা এককোটি সাতসত্তৰ লাখ টকাত আপুনি কেনেকৈ বনাব? ঠিক আছে এইটো বঢ়াই এটা নতুন প্ৰজেক্ট আমি চাৰে কোটি মানকে দিয়া হ'ব। আপুনি এবাৰ ফাইনেন্স মিনিষ্টাৰক কব। ফাইনেন্স মিনিষ্টাৰে মোক নিজে ক'লে সেই কথাটোহে মই জানিব বিচাৰিছো যে, চেংশ্যন হোৱাৰ পিছত ৰাষ্টাটো কিয় নকৰিলে। মোক উত্তৰটো নালাগে। অলপমান চাই যাতে এই ৰাষ্টাটোৰ কামটো সোনকালে কৰি দিয়ে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, ( মন্ত্ৰী ) ঃ** পাৰ্টিকুলাৰলি আপুনি যি ৰাষ্টাৰ কথা কৈছে, সেই ৰাষ্টাটো মেৰামত কৰাৰ কাৰণে প্ৰায় দুই কোটি দিছো আগতেই। কিন্তু আপুনি কোৱা মতে কথাটো সঁচা যে কম পুঁজিতে আমি যেনেকুৱা কৰিব লাগে, তেনেকুৱা আমি কৰিব নোৱাৰিম। ইয়াতে পইচা আমি অলপ দি আৰু কামখিনি ভালকৈ কৰিব পাৰো নেকি চাই দিম। আৰু বিল্ডিংৰ সেইটো আমাৰ অধ্যক্ষ মহোদয়ৰ আদেশ ক্ৰমে আপোনাক দি দিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Sports and Culture Minister.

**শ্ৰী নৱ কুমাৰ দলে ( মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়াই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কমলপুৰ সমষ্টি ষ্টেডিয়াম নিৰ্মাণ সম্বন্ধে তেখেতে কিছু আৱাস দাঙি ধৰিছে। মাননীয় অধ্যক্ষ মহোদয়, কৰৰা ষ্টেডিয়ামখন পূৰ্ণ পৰ্য্যায়ৰ ষ্টেডিয়াম ৰূপে গঢ়াৰ বাবে উত্তৰ পূৰ্বাঞ্চলীয় পৰিষদত উক্ত আঁচনিৰ বাবে ২০১৫-১৬ বিত্তীয় বৰ্ষত ধাৰ্য্য কৰিছিল আৰু সেই মৰ্মে গড়কাপ্তানি বিভাগ অসমে কৰৰা মিনি ষ্টেডিয়াম চাৰি কোটি ছয়লাখ সাতসত্তৰ হাজাৰ টকাৰ প্ৰাক্কলনৰ আৰু নক্সা ইতিমধ্যে গুৱাহাটীৰ দিশপুৰস্থিত পৰিকল্পনা আৰু উন্নয়ন বিভাগলৈ প্ৰেৰণ কৰিছিল। পৰিকল্পনা আৰু উন্নয়ণ বিভাগে উত্তৰ পূৰ্বাঞ্চলীয় পৰিষদ চিলঙলৈ যাবলৈ বিত্তীয় অনুমোদনৰ বাবে মিনি ষ্টেডিয়ামৰ প্ৰাককলন আৰু নক্সা প্ৰেৰণ কৰিছিল। কিন্তু বৰ্তমানলৈকে উত্তৰ পূৰ্বাঞ্চলীয় পৰিষদৰ চিলঙৰ পৰা কোনো ধৰণৰ বিত্তীয় অনুমোদন পোৱা হোৱা নাই। উত্তৰ পূৰ্বাঞ্চলীয় পৰিষদ চিলঙৰ বিত্তীয় অনুমোদন সাপেক্ষে ষ্টেডিয়ামখন পূৰ্ণ পৰ্য্যায়ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব আৰু দ্বিতীয়তে কমলপুৰ মিনি ষ্টেডিয়ামৰ কথাটো উল্লেখ কৰিছে। কমলপুৰ মিনি ষ্টেডিয়ামখন MGNREGA আঁচনিৰ অধীনত উন্নয়নৰ কাম কৰা হৈছিল। জিলা ক্ৰীড়া বিষয়া, কামৰূপৰ পৰা পোৱা তথ্য অনুযায়ী, উত্তৰ দিশৰ গোলপোষ্ট আৰু গেলাৰীৰ মাজৰ অংশ অপেন জিমৰ বাবে লোৰ পাইপ মাটিৰ সমান্তৰালকৈ ঢালাই দি প্লেটসহ লগোৱা হৈছে। এই কামৰ বাবদ স্থানীয় সাংসদ পুঁজিৰ ১০.০০ লাখ টকা ব্যয় কৰা হৈছিল বুলি স্থানীয় ক্লাব সভাপতিৰ পৰা জানিব পৰা হৈছে। বাকী থকা অসম্পূৰ্ণ কাম সমুহ ২০১৮-১৯ বিত্তীয় বৰ্ষত পুঁজি আৱন্টনৰ সাপেক্ষে কামখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হব। তৃতীয়তে মিনি ষ্টেডিয়াম কমলপুৰ সমষ্টিৰ অন্তৰ্গত দলগাওঁ মিনি ষ্টেডিয়াম, ডাকঘৰ- দলগাওঁ, কামৰূপ আৰু মধুকুছি মিনি ষ্টেডিয়াম, ডাকঘৰ মধুকুছি, কামৰূপ মিনি ষ্টেডিয়াম দুখন খেলপথাৰৰ উন্নয়ণৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে মাননীয় মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনা অসম যুৱ উন্নয়ণ অভিযান সমিতি ৰ অধীনত অন্তৰ্ভূক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। আৰু বাকী থকা তিনিখন মিনি ষ্টেডিয়াম ক্ৰমে ১ সোনেশ্বৰ মিনি ষ্টেডিয়াম, আৰু ৩ বিহদিয়া মিনি ষ্টেডিয়াম, পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে উন্নীতকৰণৰ ব্যৱস্থা বিভাগৰ তৰফৰ পৰা হাতত লোৱা হব। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে সাংস্কৃতিক বিভাগৰ দুটা বিষয় আছিল। সেই বিষয়টো মাননীয় বিধায়ক সত্যব্ৰত কলিতাই অনুৰোধ কৰা কমলপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহ কলাভূমি নিৰ্মান আৰু বাইহাটা চাৰিআলিৰ এটি অতিথিশালা নিৰ্মানৰ বাবে অতিৰিক্ত পুঁজি বিচৰা হৈছে। পুঁজি আৱন্টন সাপেক্ষে ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু অতিথিশালা নিৰ্মাণৰ বাবে বিবেচনা কৰা হ'ব আৰু ইতিমধ্যে ইয়াৰ বাবে অতিৰিক্ত পুঁজিৰ বাবে বিত্ত বিভাগলৈকে এইটো প্ৰেৰণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ**-ইণ্ডাষ্ট্ৰি মিনিষ্টাৰে শেষত কব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সত্যব্ৰত কলিতা ডাঙৰীয়াই আমাৰ ট্যুৰিজিম বিভাগৰ ওপৰত আৰু ইণ্ডাষ্ট্ৰি বিভাগৰ ওপৰত দুটামান কথা উত্থাপন

কৰিছে। মই উত্তৰ কেইটা দিছো। তেখেতৰ সমষ্টিৰ যিটো মদন কামদেৰ মন্দিৰ আছিল এইবাৰ আৰ্কলজি বিভাগে ১ কোটি টকা তাত ধাৰ্য্য কৰিছিল। এইবাৰ ১ কোটি মদন কামদেবত আৰু পিংগলেশ্বৰ দেৱালয়ত এতিয়ালৈকে পইচা তেনেকে ধাৰ্য্য কৰা নাই কিন্তু আৰ্কলজি বিভাগৰ পৰা এই সম্পৰ্কত আমি তথ্য বিচাৰিছো যে তেওঁলোকে এই ক্ষেত্ৰত কিবা ব্যৱস্থা লৈছে নেকি? মদন কামদেৱত ১ কোটি টকা ধাৰ্য্য কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, এইটো কথা ঠিক যে ট্যুৰিষ্ট পইণ্ট হিচাপে প্ৰতিষ্ঠা কৰাৰ কথাটো মূল লক্ষ্য আছিল আপোনাৰ নহয় জানো। ট্যুৰিষ্ট পইণ্ট হিচাপেএইটো গঢ়ি তোলাৰ কাৰণে ট্যুৰিজিম বিভাগে, গোটেই কথাখিনি চাব আৰু চালি জাৰি চাই,তাত টুৰিষ্ট এট্ৰেকশ্যনৰ কাৰণে কি ব্যৱস্থা লব পাৰে এই গোটেইখিনি কথা বিবেচনা কৰি চাব আৰু ইতিমধ্যে ট্যুৰিজিম বিভাগৰ পৰা কিছু অঞ্চলত আমাৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছেই। ট্যুৰিজিম বিভাগৰ যিবিলাক ব্যৱস্থা লোৱা হৈছে, সেই বিলাক মই দীঘলীয়াকৈ গাই নিদিও। কিন্তু আপোনাৰ এই অঞ্চলকেইটাৰ টুৰিজিমৰ কাৰণে এট্ৰেকশ্যন পইণ্ট হব পাৰে নেকি? এইটো কথা ট্যুৰিজিম বিভাগে পৰীক্ষা কৰি চাব। গতিকে বৰ্তমানলৈকে কিন্তু টুৰিজিম বিভাগৰ পৰা কোনো আঁচনি লোৱা হোৱা নাই। গতিকে সেইটো এতিয়া পৰ্য্যালোচনা কৰি তেওঁলোকে চাব। আৰু বাকী কথাটো হ'ল যে ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত আপুনি যিটো কথা কৈছে, ষ্টীল উদ্যোগৰ যিটো কথা আছে, অধ্যক্ষ ডাঙৰীয়া এই ষ্টীল উদ্যোগটো আচলতে হয়, আজি ইমান মাটি তাত ষ্টীল উদ্যোগৰ নামত ৰৈ থাকিল,চেইলৰ এটা উদ্যোগ হোৱাৰ কথা আছিল তাত। সেই উদ্যোগটো যি কি কাৰণতে নহল, তাৰ পাচত মাননীয় সদস্য সত্যব্ৰত কলিতা ডাঙৰীয়াই মোক কৈ থাকে, ভবেশ কলিতাই, এপ'ল ফ্ৰেব্ৰিকৰ কথাটো কৈ থাকে। এতিয়া এপ'ল ফ্ৰেব্ৰিকটো হ'ল কো- অপাৰেশ্যন ডিপাৰ্টমেন্টৰ আণ্ডাৰত। ষ্টীলটো হ'ল আমাৰ ইণ্ডাষ্টিৰ আণ্ডাৰত। এতিয়া দুয়োজনে মোক লগ পালে কৈ থাকে, দাদা কি হ'ব? সেই দুজনে কৈ থকাৰ ফলত মই মাজতে সময় উলিয়াই মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিলো, যে এপ'ল' ফ্ৰেব্ৰিকটো আমাৰ আণ্ডাৰত আছে হয় কো-অপাৰেশ্যনে চলাওক নহলে আমাক দিয়ক। তেতিয়া কো- অপাৰেশ্যন মিনিষ্টাৰে কলে নহয়, আমি আপোনাক দি দিওঁ, এই গোটেই দায়িত্বটো। সেইটো এতিয়া কেবিনেটত কিবা এটা আলোচনা হ'ব। আলোচনা হোৱাৰ পাছত এইটো এটা নিশ্চিতভাবে সিদ্ধান্ত হব। কেবিনেটত পঠাইছে। কেবিনেটত আলোচনা হোৱাৰ পাছত আমাৰ এপ'ল ফেব্ৰিকটো এটা নিশ্চিত কিবা এটা হব। কিন্তু এই ষ্টীলৰ যিটো উদ্যোগ অধ্যক্ষ মহোদয়, বীৰেন বৈশ্য ডাঙৰীয়া কেন্দ্ৰীয় মন্ত্ৰী থাকোতে এইটো কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ**- তেখেতক ধন্যবাদ দিছো ৮০ বিঘা মাটি ৰক্ষা কৰি আছে বুলি কৈছে। কিবা এটা ভাল কাম কৰিলেই হ'ল আৰু মাটিখিনিযে আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ কি হৈছে? মই সত্যব্ৰত কলিতা ডাঙৰীয়াই কোৱাৰ পাছত মই মাজতে ভাবিছিলো , কেইবাটাও উদ্যোগৰ ইনভেষ্টৰে মোক লগ পাইছিল যোৱা ডেৰ বছৰত। গতিকে মই সেই মাটিখিনি উদ্যোগক দিয়াৰ কথাটো বিবেচনা কৰিছিলো. আৰু তাতে যাবলৈ ভালো পায় উদ্যোগৰ যিবিলাক ইনভেষ্টৰচ আৰু তেতিয়া ষ্টীল বিভাগৰ লগত still Govt of India, Ministry of still ত মই কথা পাতিলো, তেওঁলোকে মোক তেনেকৈ কলে যে নহয়, আমি সেইটো আকৌ ৰিভাইভ কৰিম। কৈ দিয়াৰ পাছত, কৰিম বুলি যিহেতুকে কলে, আৰু সেইটো যদি চেইলে কৰে, আমাৰ কাৰণে ভাল হয়। গতিকে তেওঁলোকে কলে যে আমি এইটো কৰিম। এতিয়া কৰিম বুলি কৈ কৰা নাই। এতিয়া আজি যিহেতুকে কথাটো ডিচকাশ্যন হয়, আজিৰ ৰেফাৰেঞ্চত মই দুই এদিনৰ ভিতৰতে Ministry of still লৈকে এই

সম্পৰ্কত অধ্যক্ষ ডাঙৰীয়া, আজি সদনত হোৱা আলোচনা মৰ্মে এই ৰেফাৰেঞ্চটো দি Ministry of still মই চিঠি এখন লিখিম আৰু চিঠিখন লিখাৰ পাছত কি উত্তৰ আহে, মই সত্যব্ৰত কলিতা ডাঙৰীয়াক মই কথাখিনি জনাম। আৰু যদি তেওঁলোকে মিলটো কৰে ভাল, আৰু যদি নকৰে, তেতিয়াহলে আমাক তেওঁলোকে মাটিখিনি হেণ্ডওভাৰ কৰক আৰু কৰিলে তাতে ইনভেষ্টৰ ৰেডি আছে। তাত যাবৰ কাৰণে বহুত ইনভেষ্টৰ ৰেডি আছে। কাৰণ আমাৰ যিটো এতিয়া কমলপুৰ সমষ্টিৰ হওক ৰঙিয়া সমষ্টিৰে হওঁক এই বিলাক সমষ্টি এতিয়া ইণ্ডাষ্টিৰ কাৰণে ফাৰটাইল এৰিয়া। তাত যাবলৈ মানুহ এতিয়া ৰেডি আছে। ইণ্ডাষ্টি কৰিবলৈ। গতিকে যদি নকৰে তেতিয়া হলে আমি আমাৰ তৰফৰ পৰা আমি কৰিম। গতিকে মই আজিৰ ৰেফাৰেঞ্চ দি দুই এদিনতে Ministry of still ক এখন চিঠি লিখিম। আৰু তেওঁলোকৰ উত্তৰ পোৱাৰ পাছত এইটো আমি ব্যৱস্থা লম। এইখিনিটো কথা আৰু টো নাই?

**মাননীয় অধ্যক্ষ ঃ**-ধন্যবাদ, মই মাননীয় সদস্য সকলক এটা কথা কওঁ যে আমাৰ তিনিজন সদস্যই আজি তেখেতসকলৰ নিজৰ নিজৰ সমষ্টিৰ মূল কিছু বিষয় আজি উত্থাপন কৰাৰ সুবিধা পালে ,মই আশা কৰিম তেখেত সকলৰ সমষ্টিৰ আজি উত্থাপিত মূল সমস্যা খিনিৰ ক্ষেত্ৰত সংশ্লিষ্ট মন্ত্ৰীসকলে বিভাগৰ বাৰ্ষিক পৰিকল্পনা সমুহ প্ৰস্তুত কৰোতে গুৰুত্ব আৰোপ কৰি সমষ্টিটোৰ মুল সমস্যাসমূহৰ উপশমৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। মেম্বাৰ্চ আৰাৰত উত্থাপিত বিষয় সমুহ অন্যতকৈ কিছু সুকীয়া কাৰণ এশ এবুৰি আপোনালোকৰ সমস্যা থাকে। তাৰ মাজত কেইটামান মই ক'বলৈ সুযোগ দিছো। আজি যি ডিচকাচন হৈছে আজি তাৰ টেক্সট আমি সংশ্লিষ্ট বিভাগ সমূহৰ মন্ত্ৰীসকললৈ আৰু আপোনালোকলৈ পঠিয়াম। বিভাগলৈ এই কাৰণে পঠিয়াম যাতে সমস্যা সমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু যদি এইটো সম্ভৱ হয়, নিশ্চয়কৈ সদস্যসকলৰ সুবিধা হব।

এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ্যই কিবা এটা কৈছিল, আৰু তাৰ পাছত নেক্সট চাবজেক্টলৈ যাম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ্য, সদস্য ঃ**- অধ্যক্ষ মহোদয়, মই এতিয়া বহি কাউন্ট কৰি আছো। আজিৰ যিটো প্ৰশ্ন আছিল, ষ্টাৰ ১৬ টা কোৱেশ্যন, আৰু আনষ্টাৰত ৪২ কোৱেশ্যন। মানে আমাৰ বিত্ত মন্ত্ৰীৰ আছিল। ইমান দিনে আমি কথা কোৱা নাই, অধ্যক্ষ মহোদয়, ঠিক আছে, তেওঁ NEDAৰ গৈছে আৰু যদিও ৰেচপনচিবিলিটি নাই । কিন্তু আজি ইমান কোৱেশ্যন, আজি ভালকৈ ৰিপ্লাইখিনি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ**- মই সেইটো কথা বুজিছো আৰু আই এম ট্ৰায়িং মাই লেভেল বেষ্ট টু মেনেজ দে এফেয়াৰ্চ। মই আপোনাক কৈছো, মই কথা বিলাক বুজিছো ।

**এতিয়া কাৰ্য্যসূচী নং ৩ - স্থগিত সংকল্প প্ৰস্তাৱ।** আমি যোৱাবাৰ এই প্ৰস্তাৱটো আলোচনা কৰোতে কেইজন মানৰ নাম দিছিলো যে, আমি এই কেইটাই আলোচনা কৰিলে। কিন্তু মাননীয় সদস্য তপন গগৈয়ে বক্তব্য সম্পূৰ্ণ হোৱাৰ পূৰ্বে সদন স্থগিত হ'ল। গতিকে তেখেতৰটো কমপ্লিট কৰিবনে তাৰ আগতে তেখেতে মানে আৰম্ভ কৰোতে শেষ হ'ল, আমি ৰাখি দিলো। পবিন্দ্ৰ ডেকাৰ নাম আছিল, শুকুৰ আলিৰ আছিল, সত্যব্ৰত কলিতা আছিল। গতিকে তেখেত সকলক আমি যোৱাবাৰ কৈছিলো যে তেখেতসকলক বক্তব্য দিয়াৰ পাছত আমি এইটো সামৰণি পেলাম। সেইকাৰণে যিহেতু তপন গগৈয়ে জাষ্ট আৰম্ভ কৰোতেই বন্ধ হৈছিল এতিয়া কিন্তু, পবিন্দ্ৰ ডেকাই মোক এটা অনুৰোধ কৰিছে তেখেতেৰ স্বাস্থ্যৰ কিবা এটা অসুবিধাৰ কাৰণে অকনমান আগতে কৰিব খুজিছে। তেখেতক সেই কাৰণে মই প্ৰথমে কবলৈ অনুৰোধ কৰিছো। পবিন্দ্ৰ ডেকাই কৰিব।

তেখেতে জাষ্ট আৰম্ভ কৰোতে মই বহাইছিলো সেইবাৰ। পবিন্দ্ৰ ডেকা তাৰ পাছত তপন গগৈ।

**( মাননীয় সভাপতিৰ আসনত মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা মহোদয় উপবিষ্ট)**

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ বোধকৰো ২০১৭ চনৰ জুলাই অধিৱেশনত মাননীয় সদস্য শ্ৰী আব্দুল খালেক ডাঙৰীয়াই আমাৰ সদনৰ ১১৫ নং নিয়ম অনুসৰি এটা প্ৰস্তাৱ উত্থাপন কৰিছিল ।এই প্ৰস্তাৱৰ ওপৰত ইতিমধ্যে দুখন অধিৱেশনত আলোচনাও হৈ গৈছে । ভালেকেইজন মাননীয় সদস্যই ইয়াত অংশগ্ৰহণ কৰি তেখেত সকলৰ অভিমত ব্যক্ত কৰিছিল ।প্ৰস্তাৱটো হ'ল - "অসম বিধান সভাৰ পৱিত্ৰ সদনে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে -কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ ৬ নং দফাৰ কোনো ধৰণৰ সংশোধন হ'ব নালাগে ।এনে সংশোধনৰ ফলত সমগ্ৰ চুক্তিখনকেই অৱমাননা কৰা হ'ব । " মাননীয় সভাপতি মহোদয়, অসম আন্দোলনৰ আৰম্ভণিৰ পৰা শেষলৈকে আন্দোলনকাৰী নেতা হিচাপে আমি ইয়াত কেইবাজনো আছো আৰু চুক্তিৰ সময়ত উপস্থিত থকা মই আছো, মহন্ত ডাঙৰীয়া আছে (তেখেতেও চুক্তিত চহীও কৰিছিল), আমাৰ মাননীয় উদ্যোগ মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াও আছে । মাননীয় সদস্য উৎপল দত্ত , আমাৰ বৰ্তমানৰ সভাপতি, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, মাননীয় সদস্য প্ৰদীপ হাজৰিকা অসম আন্দোলনৰ এজন অন্যতম আগশাৰীৰ নেতা, , কিন্তু তেখেত চুক্তিত নাছিল । চুক্তিত অসম গণ পৰিষদ আৰু সদৌ অসম গণ পৰিষদৰ প্ৰতিনিধিৰ দলেহে যোগদান কৰিছিল । তাত মহন্ত ডাঙৰীয়া, মই, উৎপল দত্ত আৰু চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া উপস্থিত আছিলো। সেই সময়ত বৃন্দাৱন গোস্বামী নাছিল ।বৰ্তমানৰ সদস্য নৰেন তাঁতীও আছিল ,যি সকল আজি বিধান সভাত আছে । অসম আন্দোলনৰ সময়ত জন্মলাভ নকৰা আৰু আন্দোলনৰ সময়ত জন্মলাভ কৰি ৫,৬ বছৰ হোৱা ভালেকেইজন মাননীয় সদস্য ইয়াত উপস্থিত আছে । গতিকে অসম আন্দোলন সম্পৰ্কে তেখেত সকলে প্ৰত্যক্ষভাৱে দেখাও নাই । পিচত তেখেতসকলে স্কুল বা কলেজত পঢ়ি হয়তো শুনিছে । দশম শ্ৰেণীৰ ছাত্ৰইও আন্দোলনত অংশ লৈছিল আৰু উল্লেখযোগ্য কথা এইটোৱে যে অসম আন্দোলন, মই কোৱাই নহয়, সেই সময়ৰ প্ৰাভদা, বি বি চি,দেশ-বিদেশৰ সংবাদ-পত্ৰটো প্ৰচাৰিত হৈছিল । সেই সময়ত আমাৰ ইয়াত টি ভি চেনেল আৰম্ভহে হৈছিল । বিভিন্ন ইলেকট্ৰনিক মাধ্যমে এই কথা কৈছিল যে -পৃথিৱীত বিপ্লৱ হৈছে বহুত,কিন্তু এনেকুৱা গণতান্ত্ৰিক আন্দোলন ,অসম আন্দোলনৰ নিচিনা এনেকুৱা mass participation কৰা গণতান্ত্ৰিক আন্দোলনপৃথিৱীৰ কতো হোৱা নাছিল বুলি বি বি চিয়ে বহুত দিন ধৰি এই কথাটো কৈছিল। ১৮ শতিকাৰ প্ৰথম ভাগতে ফৰাচী বিপ্লৱ হৈছিল । সেই একেই সময়তে আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ হৈছে,ৰুচ বিপ্লৱ হৈছে, তাৰ আগতে ভাৰতৰ স্বাধীনতা আন্দোলন হৈছিল। আন্দোলন বুলি যদিও কোৱা হৈছে, আচলতে ভাৰতত স্বাধীনতা বিপ্লৱ হ'ব লাগিছিল। বিপ্লৱ আৰু আন্দোলনৰ পাৰ্থক্য এয়ে যে য'ত স্থিতাৱস্থাক বাহাল ৰাখিবলৈ কৰা হয়, সেইটো হ'ল আন্দোলন আৰু স্থিতাৱস্থাক উঘালি নতুন ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হয় সেইটো হ'ল বিপ্লৱ। যেনেঃ- ৰুচ বিপ্লৱ। ৰাজতন্ত্ৰক উৎখাত কৰা প্ৰজাতন্ত্ৰ। যেনেকৈ আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ, বৃটিছ সকলৰ শাসন উৎখাত কৰি আমেৰিকাবসীৰ শাসন প্ৰৱৰ্তন কৰা। ভাৰতৰ স্বাধীনতা আন্দোলন মোটা-মোটি ১৮৫৭ চনৰ পৰা আৰম্ভ হৈছিল। বৃটিছ সকলক খেদি, বিদেশী শাসন খেদি স্বদেশী শাসন ইয়াত প্ৰতিষ্ঠা কৰা হৈছিল। গতিকে সেইফালৰ পৰা এইবোৰ আছিল বিপ্লৱ। তাত জনসাধাৰণৰ পাৰ্টিচিপেশ্যন আছিল। কিন্তু অসম আন্দোলনত জনসাধাৰণৰ যিধৰণৰ পাৰ্টিচিপেশ্যন আছিল, আনকি ভাৰতৰ স্বাধীনতা

আন্দোলনতো ইমান পাৰ্টিচিপেশ্যন নাছিল। গতিকে সেই ফালৰ পৰা এই আন্দোলনটো ১৯৭৯ পৰা ১৯৮৫ চনৰ ১৪ আগষ্টলৈকে চলিছিল সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত। আৰু মূল নেতৃত্বৰ পৰা বাহিৰত থাকিলেও সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃত্বও আছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ দৰে গুৰুত্ব দিব লগীয়া তেওঁলোকৰ ভূমিকা। সদৌ অসম গণ পৰিষদৰ লগত বহুকেইটা সংগঠন আছিল। দুটা ৰাজনৈতিক দল-পি এল পি আৰু জাতীয়তাবাদী দল, অসম সাহিত্য সভা, অসম ইয়ং লয়াৰ্চ ফ'ৰাম জনজাতি ছাত্ৰ সন্থা, যুৱ সন্থা আৰু উল্লেখযোগ্য আৰু চন্দ্ৰমোহন পাটোৱাৰীৰ -অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ইত্যাদি সংগঠন বিলাক আছিল। ১৯৭৯ চনৰ প্ৰথম ভাগত অতুল কোঁচ তেতিয়া সদৌ অসম ছাত্ৰ-সন্থাৰ এজন নেতা আছিল আৰু তেওঁৰ নেতৃত্বতে এখন সভা হৈছিল, কানৈ কলেজত। য'ত মই আৰু অতুল বৰা উপস্থিত আছিলো আৰু তাতেই গঠন হৈছিল সদৌ অসম গণ সংগ্ৰাম পৰিষদ এই আন্দোলনটোৰ কাৰণে। যাহওক এনধৰণৰ ইতিহাস আছে। এইখিনি কোৱাৰ প্ৰয়োজন আছে যে আমাৰ অসম আন্দোলনৰ এখন প্ৰামাণ্য দলিল বা প্ৰামাণ্য ইতিহাস ৰচনা কৰা নহ'ল। যাৰ ফলত এতিয়া বিভিন্নজনে অসম আন্দোলনৰ বিষয়ে লিখে। উপন্যাসও লিখিছে। যেনে মোৰ উপন্যাসবিলাকত অসম আন্দোলনৰ বিষয়ে আছেই। যিবোৰ উপন্যাস মই ইতিমধ্যে লিখিছো আৰু বহুতে লিখিছে, বহুতেই এতিয়া বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰিছে। কিন্তু দুৰ্ভাগ্যবশতঃ তাত অসম আন্দোলনৰ প্ৰকৃত ছবি ফুটি উঠা নাই। যেনেকৈ অসম চৰকাৰৰ শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া অসমৰ মুখ্য মন্ত্ৰী হৈ থকাৰ আগলৈকে এখন অতি প্ৰমাণ্য দলিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ অসমৰ ভূমিকা সম্পৰ্কে নাছিল। বিভিন্নজনে বিভিন্ন কথা লিখিছিল। "Political History of Assam" তিনিটা Volume ত শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া নেতৃত্বত সেইখন হৈছিল। সেইখনেই হৈছে ভাৰতৰ স্বাধীনতা আন্দোলনৰ অসমৰ অংশ, অসমে লোৱা অংশৰ বা অসমৰ ইতিহাসৰ আন্দোলনৰ এক প্ৰামাণ্য দলিল হিচাপে গণ্য কৰা হৈছে। ছয় বছৰ এই আন্দোলন চলিছিল। ৮৫৫ জন আমাৰ আন্দোলনকাৰী নেতা শ্বহীদ হৈছিল। হাজাৰ হাজাৰ জন ঘূণীয়া হৈছিল আৰু গুলীবিদ্ধ হৈছে। হাজাৰ হাজাৰ জনে কাৰাবাস খাতিছিল। জৰিমনা ভৰিছিল। জৰিমনা ভৰা আমাৰ এজন নেতা তেজপুৰৰ বেছেৰিয়াৰ বাবধন কোঁচ, তেওঁ ইতিমধ্যে ঢুকাল। গতিকে এই আন্দোলনটোৰ যি অংশ সৰ্বস্তৰৰ লোকৰ গ্ৰহণযোগ্য, সেইখিনি আছিল অভূতপূৰ্ব। ১৯৮৩ চনত এই আন্দোলনটোৰ লগতে অসমৰ ৰাইজক উপেক্ষা কৰি অসমৰ ৰাইজৰ বিৰুদ্ধে গৈ ভাৰত চৰকাৰ আৰু নিৰ্বাচন আয়োগে ১৯৮৩ চনত নিৰ্বাচন অনুষ্ঠিত কৰিছিল। সেই নিৰ্বাচনত আমাৰ বহু কেইজনে প্ৰাণ দিব লগীয়া হৈছিল। মই সেইবোৰৰ এতিয়া পাতনি নেমেলো। মই মূল বিষয়টোত আহিব বিচাৰিছোঁ। এই আন্দোলনৰ ফলশ্ৰুতিত বহুবাৰ আলোচনা হৈছিল। ১৯৮০ চনত প্ৰথম আলোচনা আৰম্ভ হয়। বহুবাৰ আনকি বহুকেইটা গোপন আলোচনা হৈছিল, য'ত মই নিজে উপস্থিত আছিলো আৰু গোটেইবিলাক আলোচনাত মই অংশ গ্ৰহণ কৰিছিলো। এই আলোচনা বিলাকৰ ভিত্তিত ১৯৮৫ চনৰ ১৪ আগষ্টৰ দিনা মাজনিশা ২.৪৫ বজাত ভাৰত চৰকাৰ, অসম চৰকাৰ, সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ মাজত এখন চুক্তি হৈছিল। অৱশ্যে কোৱাটো উচিত হ'ব যে চুক্তিখনৰ প্ৰতি মোৰ এটা Deservation আছে। কাৰণ তাত ১৯৮৩ চনত এখন আইন কৰিছিল 'বিদেশী ৰখা আইন'। I.M.D.T Act বুলি কয়। Illegal Migrant (Determination by Tribunal)Act 1983 | পিছত অৱশ্যে ২০০৫ চনত আমাৰ বৰ্তমান মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই (তেখেত তেতিয়া অসম গণ পৰিষদ দলত আছিল)। উচ্চতম

ন্যায়ালয়ত কেচ কৰিছিল আৰু কেচ কৰাৰ ফলত ২০০৫ চনত উচ্চতম ন্যায়ালয়ে সেইখন বাতিল কৰিছিল কাৰণ সেইখন সংবিধান বিৰোধী আইন। গতিকে ইয়াত কোনো পথ্যে মানি ল'ব নোৱাৰি। এনে পৰিস্থিতিত অসম চুক্তিখন হৈছিল। মই অসম চুক্তিৰ মুখ্য দুই-তিনিটা মান কথা পাঠ কৰি দিছো। কাৰণ আমাৰ বহু কেইজন মাননীয় সদস্য আছে যিসকলে অসম আন্দোলন দেখা নাই বা অসম আন্দোলনৰ সম্পৰ্কে নাজানে আৰু বহুতৰ জন্মই হোৱা নাই। চল্লিশ বছৰৰ তলৰ সকলৰতো প্ৰশ্নই নুঠে। কাৰণ অসম চুক্তি হোৱা আজি তেত্ৰিশ বছৰ হ'ল। এইখন যদিও ফটো কপি এই খনেই মূল চুক্তি। ইয়াতে প্ৰথমতে লিখা আছে — Government has all along been most anxious to find a satisfactory solution to the problem of foreigners in Assam. The All Assam Students Union (AASU)and the All Assam Gana Sangram Parisad(AAGSP) have also expressed their keenness to find such solution, Being fully alived to the genuine apprehension of the people of Assam, the then Prime Minister initiated the dialogue with the AASU/AAGSP....এই আলোচনাৰ সময়ত শ্ৰীমতী ইন্দিৰা গান্ধী প্ৰধান মন্ত্ৰী আছিল। Subsequently ,talks were held at Prime Minister's and Home Minister Levels during the period 1980-83. Several rounds of informal talks were held during the period 1984. Formal discussions were resumed in March,1985 সেইবিলাকত আমি আছিলো। Keeping all aspects of the problem including constitutional and legal provision, international agreements, national commitments and humanitarian consideration , it has been decided to proceed as follows. মানে ইয়াত আছে For purposes of detection and deletion of foreigners, 1.1.1966 shall be the base date and year . All persons who came to Assam prior to 1.1.1966, including those amongst them where names appeared on the electoral rolls in 1967 eleections, shall be regularised. অৰ্থাৎ 1.1.1966 চনৰ পৰা 1967 চনৰ ভোটাৰ তালিকাত যিবিলাক নাম আছে, সেই সকলক exclude কৰা হৈছে। Exclude কৰি মূল দফা তিনিটা আহিছে। 1.1.1966 পৰা 1971 চনৰ 24 মাৰ্চলৈ যিসকল বিদেশী আহিছিল সেই সকলক ডিটেক্ট কৰা হ'ব, সেইটো চুক্তিৰ মূল কথা। ডি এম্ফেচাইজ কৰা হ'ব। অৰ্থ্যৎ ভোটাধিকাৰৰ পৰা বঞ্চিত কৰা হ'ব আৰু তাৰ পিছত তেওঁলোকক নাগৰিকত্ব দিয়া হ'ব। মূল কথা হ'ল, Foreigners who came to Assam after 1.1.1966 (inclusive )and upto 24th March 1971 shall be detected in accordance with the provisions of the Foreigners Act 1946 and the Foreigners (Tribunals ) Order 1964. Names of Foreigners so detected will be deleted from the electoral rolls in force. Such persons will be required to register themselves before the Registration Officers of the respective districts in acccordance with the provisions of the Registrations of Foreigners Act, 1939 and the Registrations of Foreigners Rules1939.

For this purpose , Govt.of India will take suitable strengthening of Governmental machinary এইটো হ'ল মূল কথা। এইটো Rule 5.3 আৰু 5.8 আছে । Foreigners who came to Assam on or after March 25,1971 shall continue to be detected তাৰ মানে ডিটেকশ্যন প্ৰচেচ তেতিয়াও চলি আছে under the Forigners Act 1946.সেই মতে চলি আছে। Detected and expelled in accordance with law.Immediate and practical steps shall be taken to expel such foreigners. এইটোৰেই হ'ল অসম চুক্তিৰ মূল কথা যে ১৯৭১চনৰ ২৫ মাৰ্চ ৰ পিছত যিসকল আহিছে তেওঁলোকক Detect কৰা হ'ব, Delete কৰা হ'ব ইলেক্ট'ৰেল পৰা আৰু তেওঁলোকে বহিষ্কাৰ কৰা হ'ব। এইটোৰে হ'ল বিদেশী সম্পৰ্কীয় মূল content of the Assam Accord.তাত তেখেতে উল্লেখ কৰিছে ছয় নং দফাৰ বিষয়ে আৰু এই দফাত আছে Safegurd and Economic Development . Next আহিল Safegurd and Economic Development তাৰে ছয় নং দফাৰ মূল কথাটো হ'ল-Constitutional, legislative and administrative safeguards, as may be appropriate, shall be provided to protect, preserve and promote the cultural,social ,linguistic identity and heritage of the Assamese people. আমাৰ সন্মানীয় সদস্য আব্দুল খালেক ডাঙৰীয়াই ৬ নং দফাটো বিশেষভাৱে উল্লেখ কৰি কৈছে যে ইয়াত কোনোধৰণৰ সংশোধন হ'ব নালাগে। ইয়াত সংশোধনৰ কোনো প্ৰশ্নই নাহে।

**শ্ৰী আব্দুল খালেক (জনীয়া)** ঃ সংশোধনৰ প্ৰশ্নটো আহিছে কাৰণ কিছুমান লোকে. সংশোধন কৰিব বিচাৰিছে।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)** ঃ ইয়াত সংশোধনৰ প্ৰশ্নটো নাহে কাৰণ এই চুক্তিখন হোৱাৰ প্ৰায় পোন্ধৰ দিনমান পিছত ভাৰতৰ সংসদত ইয়াক rectify কৰিছে আৰু এই সদনতো এই চুক্তিখন ৰেটিফাই কৰা হৈছে অৰ্থ্যাৎ এই চুক্তিখন সকলোৱে সমৰ্থন কৰি ইয়াক মানি লৈছে। গতিকে এইখনৰ ওপৰত সংশোধনীৰ প্ৰস্তাৱটো আহিব নালাগিছিল কিন্তু তথাপিতো এই প্ৰস্তাৱটো আহিছে। কিন্তু এই প্ৰস্তাৱটোৰ ৰূপায়ণ হোৱা নাই সম্পূৰ্ণভাৱে। অলপ অচৰপ ৰূপায়ণ হৈছে। ৰূপায়ণ হোৱাৰ প্ৰথম বাধাটো আছিল আই এম ডি টি এক্ট। ২০০৫ চনতে সেইখন এক্ট বাতিল হ'ল। অসম চুক্তি ৰূপায়ণৰ দ্বিতীয় বাধাটো এতিয়াও আছে- ইয়াত লাষ্টত লেখা আছে এই চুক্তিখন ৰূপায়ণ কৰা নোডেল মিনিষ্ট্ৰি হ'ল চেন্ট্ৰেল গৰ্ভমেন্ট, ভাৰত চৰকাৰ। তাৰ মানে চেন্ট্ৰেল গৰ্ভমেন্টে আই এম ডি টি এক্ট সম্পৰ্কে আছু , গণ সংগ্ৰাম পৰিষদে কোৱা অসুবিধাবিলাক চাব। কিন্তু তাত বাতিল কৰা কথা নাই, তথাপিও আপোনালোকে জানিব খুজিছে মই কৈ দিছো। কাৰণ The Government will give due consideration to certain difficulties expressed by the AASU / AAGSP regarding the implementation of the illegal migrants ( Determination by Tribunal) Act, 1983 গতিকে ইয়াত বাতিলৰ কথা নাই । ৬ নং দফাটোৰ কথা মই কৈছো, এতিয়া এই চুক্তিখনৰ নোডেল মিনিষ্ট্ৰি ভাৰত চৰকাৰ, অসম চৰকাৰ নহয়। ইয়াত কাইটীয়া তাঁৰৰ বেৰৰ কথা কোৱা হৈছে, কাইটীয়া তাঁৰৰ বেৰ ভাৰত চৰকাৰে দিব অসম চৰকাৰে নহয়। তাৰৰ বেৰ দিয়াটোৰ দায়িত্ব সম্পূৰ্ণভাৱে ভাৰত চৰকাৰৰ। আৰু সমগ্ৰ চুক্তিখন ৰূপায়ন কৰাৰ নোডেল মুখ্য শক্তি হ'ল ভাৰত চৰকাৰ। এই দুটা কাৰনত চুক্তিখন নহ'ল বুলি হয়তো আমি কওঁ। কিন্তু ৰাইজে সেইটো স্বীকাৰ নকৰে। আমাৰ কিছু

বাধ্যবাধকতা যে আছিলে এইটো স্বীকাৰ নকৰে। যি নহওঁক এতিয়া এই চুক্তিখনৰ কথালৈ পিচত আহিম , এতিয়া ৬ নং দফাটোৰ কথা কওঁ, কি ক'লে যে এডমিনিষ্ট্ৰেটিভ (প্ৰশাসনিক), কনষ্টিটিউচনেল - (সাংবিধানিক ), - লেজিছলেটিভ- (বিধায়িনী ) এডমিনিষ্ট্ৰেটিভ চেভ গাৰ্ড। যিহেতু আছামিছ পিপুল বুলি ক'লে - অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ভাষিক, (আইডেনটিটি) - পৰিচয় ৰক্ষাৰ কাৰনে কনষ্টিটিউচনেল, লেজিছলেটিভ আৰু এডমিনিষ্ট্ৰেটিভ চেভ গাৰ্ড কিছুমান দিয়া হ'ব। তাৰ পিচত ১৯৮৫ চনত নিৰ্ব্বাচন হ'ল, তাৰ পিচত ডিচেম্বৰৰ ১৬ তাৰিখে নিৰ্বাচনত প্ৰায়বোৰ নেতা আমি এম এল এ - মন্ত্ৰী হ'লো। আছু থাকি গ'ল, গণ সংগ্ৰাম পৰিষদ ভঙ্গ কৰি দিয়া হ'ল। তাৰ পিচত এটা ন্যাস গঠন কৰি দিছে। এই সদৌ অসম ছাত্ৰ সন্থা, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত বহুলানি আলোচনা এই ৬ নং দফা সৰ্ম্পকে হ'ল যে কিধৰনে ইয়াক ৰূপায়ন কৰা যায়। আছুয়ে প্ৰস্তাৰ দিয়ে , অসম চৰকাৰে প্ৰস্তাৰ দিয়ে কিন্তু এটা কথাত গোটেই বস্তুটো ৰৈ যায়, সেইটো হ'ল 'আছামিছ' পিপুল। হু আৰ আছামিছ পিপুল। এই প্ৰশ্নটো নোডেল বিষয়াসকলে কৰে- যে, হু আৰ আছামিছ- হু আৰ গোয়িং টু বি বিলিভ আছামিছ পিপুল। এই প্ৰশ্নটো সদৌ অসম ছাত্ৰ সন্থাৰ লগত বহু বছৰ ধৰি আলোচনা হৈছে। কিন্তু অসমীয়া কোন, এই প্ৰশ্নটোৰ সমাধান আমি উলিয়াব নোৱাৰা কাৰণে এই বিষয়টো আজিলৈকে সমাধান বা ৰূপায়ন হোৱা নাই। এই প্ৰশ্নটো সম্পৰ্কে বিভিন্ন অনুষ্ঠানৰ পৰা ভাৰত চৰকাৰে চিঠি দি দি অনুষ্ঠানবিলাকক সুধিছিল যে আপোনালোকে অসমীয়া কোন আমাক কওঁক ? তেতিয়া আমি এই বিষয়টো উলিয়াব নোৱাৰা বাবে, এই বিষয়টো আজিলৈকে আমাৰ সমাধান হোৱা নাই বা ৰূপায়ন হোৱা নাই। এই এডমিনিষ্ট্ৰেটিভ বিষয়টোত - ৮০ শতাংশ- ১০০ শতাংশ ছিট বিধান সভাত আমি ৰিৰ্জাভেচন বিচাৰিছিলো, আলোচনা হৈছিল। কিন্তু এই কথাটোৰ কাৰনে এই বিষয়টো আজিও থমকি আছে। আজিও এই ৬ নং দফাটো ৰূপায়ণ কৰা সুবিধাজনক অৱস্থা এটালৈ আমি আহিব পৰা নাই ? আমাৰ সাহিত্য সভা বা অসম চৰকাৰক বহুতে চিঠি দিছে, কিন্তু অসম চৰকাৰে চিঠি দিছে যে অসমীয়া কোন ? দুই এক জনগোষ্ঠীয়ে আপত্তিও কৰিলে মাননীয় অধ্যক্ষ মহোদয়। আপত্তি কৰাৰ কাৰনে গোটেই বিষয়টো তেনেকৈ পৰি থাকিল। এতিয়া বিভিন্ন মহলত বিভিন্ন সময়ত বিভিন্ন ধৰনে অসমীয়াৰ সুত্ৰ নিদিয়া নহয়। আমাৰ জ্যোতি প্ৰসাদ আগৰৱালা দেবে দিছে পৰৱৰ্ত্তী সময়তো বহুজনে দিছে কিন্তু সৰ্ব্বজন গ্ৰাহ্য সুত্ৰ এটা এতিয়ালৈকে ওলোৱা নাই। এই অসম বিধান সভাত আমাৰ মাননীয় শ্ৰীপ্ৰণৱ গগৈ ডাঙৰীয়া অধ্যক্ষ থাকোতেও এই বিধান সভাত আলোচনা হৈছিল। বিভিন্ন জনৰ লগত বিভিন্ন ধৰনে আলোচনা হৈছিল, আগতে বিধান সভাতো আলোচনা হৈছিল কিন্তু কোনেও সমাধান সুত্ৰ দিব নোৱাৰা বাবে তেখেতে নিজে দায়িত্ব লৈছিল। তেখেতে বহু সংগঠনৰ লগত নিজে আলোচনা কৰিছিল। সেই সময়ৰ মাননীয় অধ্যক্ষ মহোদয়ে ৩১-০৩-২০১৫ তাৰিখে এই সদনত প্ৰতিবেদন দিছে। তেখেতে ইয়াত অসমৰ ৫৩ টা সংগঠনৰ লগত আলোচনা কৰিছে, তাত ছাত্ৰ সংগঠন আছিল, বিভিন্ন ৰাজনৈতিক দল আছিল, অৰাজনৈতিক সংগঠন আছিল, বিভিন্ন জাতীয় সংগঠন আছিল, বিভিন্ন জনগোষ্ঠীয় সংগঠনবিলাক আছিল, সেই গোটেইবিলাকৰ লগত আলোচনা কৰিছিল। আলোচনাৰ সাৰমৰ্ম থুল-মূলকৈ অলপ কথা পঢ়ি দিছো।

'মাননীয় সদস্যসকল, চলিত বিধান সভা অধিবেশৰ ৪ মাৰ্চ, ২০১৫ তাৰিখ বুধবাৰে মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই বিধান সভাৰ কাৰ্য্য আৰু পৰিচালনা নিয়ম-৩০১ৰ আধীনত "নিয়মীয়া বাৰ্ত্তা কাকত " ৰ ১৭ ফেব্ৰুৱাৰী তাৰিখৰ সংখ্যাত প্ৰকাশিত অসমীয়া জাতি সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত, জাতীয় জীৱনৰ পৰিধি নিৰ্ণয় সাহিত্য সভাৰ" শিৰোনামাৰে প্ৰকাশিত বাতৰিটোৰ

আঁত ধৰি অসম চুক্তি বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে উক্ত দিনৰ কাৰ্য্যতালিকাত নিয়মানুসৰি অৰ্ন্তভূক্ত কৰা হৈছে'। চলিত বিধান সভা অধিবেশনৰ যোৱা ইংৰাজী **৪** মাৰ্চ, **২০১৫** তাৰিখ বুধবাৰে মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই বিধান সভাৰ কাৰ্য্য আৰু পৰিচালনাৰ নিয়ম **৩০১** ৰ আধাৰত 'নিয়মীয়া বাৰ্তা' নামৰ কাকতখনৰ **১৭** ফেব্ৰুৱাৰী সংখ্যাত প্ৰকাশিত **"অসমীয়া জাতি সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত জাতীয় জীৱনৰ পৰিধি নিৰ্ণয় সাহিত্য সভাৰ"** শিৰোনামেৰে প্ৰকাশিত বাতৰিটোৰ আঁত ধৰি অসম চুক্তি বিভাগৰ মাননীয় মন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিবৰ বাবে উক্ত দিনাৰ কাৰ্য্যতালিকাত নিয়মানুসৰি অন্তৰ্ভূক্ত কৰা হৈছিল।

যদিও সদন পৰিচালনাৰ প্ৰচলিত নিয়মৰ আওঁতাত উক্ত বিষয়টো সেই দিনাৰ কাৰ্য্যসূচীত অন্তৰ্ভূক্ত হৈছিল, সদনৰ অভিভাৱক হিচাপে মই বিশেষভাৱে অনুভৱ কৰিছিলোঁ যে এনে এটা গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ বিষয় যিটোৰ লগত অসম তথা অসমীয়া লোকৰ স্বাৰ্থ নিহিত হৈ আছে, এনে এটা বিষয় মাত্ৰ কেইমূহুৰ্তমানৰ আলোচনাৰে পৰিসমাপ্তি ঘটালে তাৰ পৰা আশানুৰূপ ফল লাভ কৰিব পৰা নাযাব।

মাননীয় সদস্য সকল অৱগত যে অসম ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ মিলন ভূমি বুলি কোৱা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু আজান ফকিৰৰ দেশ বুলি খ্যাত এই পবিত্ৰভূমি, বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ আগৰে পৰাই বিভিন্ন জাতি-জনগোষ্ঠী তথা সম্প্ৰদায়ৰ লোকে সমিল মিলেৰে বসবাস কৰি আহিছে। প্ৰাগঐতিহাসিক যুগ বা প্ৰত্নতাত্তিক যুগতে ৰচিত হোৱা মহাভাৰতকে আদি কৰি বিভিন্ন বহুমুলীয়া কাব্যত এই অঞ্চলৰ বিষয়ে উল্লেখ আছে। আহোম স্বৰ্গদেও চাওলুং চুকাফাই বিভিন্ন জাতি-জনগোষ্ঠী - সম্প্ৰদায়ক ঐক্যবদ্ধ কৰি অসম নামাকৰণেৰে গঠন কৰা এই দেশখন অনৈক্যতাৰ মাজত ঐক্যতাৰ চিহ্ন হিচাবে পৰিগণিত হৈ আছে।

এই ঐক্যবদ্ধ বৰ অসমখন পৰৱৰ্ত্তী কালত বিভিন্ন কাৰকৰ পৰিপ্ৰেক্ষিতত কেইবাটাও ভাগত বিভক্ত হ'ল। অসম আৰু অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰশ্নত ভাষা আন্দোলনকে ধৰি কেইবাটাও গণ আন্দোলনৰ সৃষ্টি হ'ল, ঐতিহাসিক অসম আন্দোলনৰ সূচনা হ'ল। সৰ্বশেষত **৬** বছৰীয়া অসম আন্দোলনৰ ফলশ্ৰুতিত **১৯৮৫** চনত অসম চুক্তি সম্পাদিত হ'ল। ঐতিহাসিক অসম চুক্তিত উল্লেখিত **৬** নং দফাটো ৰূপায়ণ কৰিবলৈ লওঁতে ভূল বুজা-বুজিৰ সৃষ্টি হ'ল আৰু অসমীয়াৰ ধাৰণা বা সংজ্ঞা সম্পৰ্কে যোৱা ত্ৰিশ বছৰে কোনো এটা স্পষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। বিপৰীতে ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ মাজত মত ভেদৰ সৃষ্টি হোৱাটোহে পৰিলক্ষিত হ'ল।

এনেবোৰ কথা উ পলব্ধি কৰি মই উক্ত বিষয়টো সমিল মিলেৰে সমাধান কৰিবৰ উদ্দেশ্যে ৰাজ্যখনৰ সকলো ধৰ্ম-বৰ্ণ, জাতি, জনগোষ্ঠী, দল-সংগঠন, তথা অসম চৰকাৰৰ প্ৰতিনিধিকে আদি কৰি বিশিষ্ট চিন্তাবিদ, বুদ্ধিজীৱি আৰু বিশিষ্ট ব্যক্তি সকলৰ সৈতে সুকীয়াকৈ মিলিত হৈ মতামত গ্ৰহণ কৰি এটা গ্ৰহণযোগ্য সমাধানৰ সূত্ৰ উলিয়াব পৰিম নেকি তাৰ প্ৰচেষ্টা চলাই বিধান সভাৰ মাজতে সদনক অৱগত কৰিম বুলি উক্ত দিনা ঘোষণা কৰিছিলো।

সেই অনুসৰি বিগত দিনকেইটাত অসমৰ প্ৰায় সকলো গোষ্ঠী জনগোষ্ঠীৰ জাতীয় সংগঠনক প্ৰতিনিধিত্ব কৰা ঘাইকৈ

১) বড়ো সাহিত্য সভা,

২) সদৌ অসম ট্ৰাইবেল সংঘ,

৩) দুলাৰাই বড়ো সমাজ,

৪) বড়ো সমাজ,
৫) সদৌ অসম ট্ৰাইবেল যুৱ লীগ,
১২) কাৰ্বি সাহিত্য সভা,
১৩) মিচিং সাহিত্য সভা,
১৪) দেউৰী সাহিত্য সভা,
১৫) ৰাভা সাহিত্য সভা,
১৬) অসম মিঞাঁ পৰিষদ,
১৭) Chief Executive Councillor, Rabha Hasong Council.
১৮) Chief Executive Councillor, Missing Autonomous Council
১৯) সদৌ অসম কোঁচ ছাত্ৰ সন্থা,
২০) কলিতা জনগোষ্ঠী সন্মিলন,
২১) সদৌ অসম বেঙ্গলী পৰিষদ,
২২) সদৌ অসম ছাত্ৰ সন্থা,
২৩) নিখিল বড়ো ছাত্ৰ সন্থা,
২৪) নিখিল ৰাভা ছাত্ৰ সন্থা,
২৫) সদৌ অসম মিচিং ছাত্ৰ সন্থা,
২৬) সদৌ তিৱা ছাত্ৰ সন্থা,
২৭) তিৱা যুৱ ছাত্ৰ সন্থা,
২৮) সদৌ অসম টাই আহোম ছাত্ৰ সন্থা,
২৯) সদৌ ডিমাছা ছাত্ৰ সন্থা,
৩০) অসম চাহ জনজাতি ছাত্ৰ সন্থা,
৩১) সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (শ্ৰী অতুল ৰায়)
৩২) সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন,
৩৩) সদৌ অসম মৰাণ ছাত্ৰ সন্থা,
৩৪) সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা,
৩৫) সদৌ অসম দেউৰী ছাত্ৰ সন্থা,
৩৬) কাৰ্বি ছাত্ৰ সন্থা, (কাৰ্বি আংলং)
৩৭) সদৌ অসম আদিবাসী ছাত্ৰ সন্থা,
৩৮) সদৌ অসম চুতীয়া ছাত্ৰ সন্থা,
৩৯) সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা,
৪০) সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা,
৪১) সদৌ অসম মদাহী ছাত্ৰ সন্থা,
৪২) কাৰ্বি ছাত্ৰ সন্থা, (KSU)
৪৩) মিচিং মিমাগ কেবাং,
৪৪) সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন,
৪৫) N.C. Hills Indigenous Students Forum,
৪৬) সদৌ অসম কাৰ্বি ছাত্ৰ সন্থা,

৪৭)　সদৌ অসম মেছ কছাৰী জাতীয় পৰিষদ,
৪৮)　সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ,
৪৯)　সদৌ অসম সংখ্যালঘু ছাত্র ইউনিয়ন,
৫০)　চৰ-চাপৰি সাহিত্য পৰিষদ,
৫১)　বৰাক উপত্যকা বাংলা সাহিত্য ও সংস্কৃতি সন্মিলন,
৫২)　অসম ৰাজ্যিক জমিয়েত উলেমাহ,
৫৩)　এ.যে. জি. এছ. পি.

সংবাদ জগতৰ বৈদুতিক আৰু ছপা মাধ্যমৰ সম্পাদক সকল, বুদ্ধিজীৱী ও বৰণ্যে ব্যক্তি সকলৰ সৈতে মিলিত হৈ তেখেত সকলৰ মতামত জনাৰ প্ৰয়াস কৰিছিলো। আজিলৈকে মিলিত হোৱা ব্যক্তি সকলৰ তালিকা দীঘলীয়া হোৱা বাবে পাঠ নকৰি সদনৰ কাৰ্য্যবিৱৰণীত অন্তৰ্ভূক্ত কৰা হ'ব বুলি মই ঘোষণা কৰিলো।

উক্ত আলোচনা কালত মিলিত হোৱা ব্যক্তি সংগঠনে একেমুখে এই প্ৰচেষ্টাৰ শলাগ লোৱাৰ উপৰিও এনে ক্ষেত্ৰত পূৰ্ণ সহযোগীতাৰ আশ্বাস প্ৰদান কৰে।

কেৱল উল্লেখিত ব্যক্তি, সংগঠনৰ মতামতৰ ভিত্তিতেই এনে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ সমাধান সূত্ৰ আগবঢ়াবলৈ লোৱাৰ পৰিৱৰ্তে এনে বিষয়ৰ ওপৰত কোনো ধৰণৰ চৰকাৰী অথবা বেচৰকাৰী নথি উপলব্ধ হয় নেকি, এই বিষয়ে অনুসন্ধান কৰাটো যুগুত হ'ব বুলি উপলব্ধি কৰি স্বাধীনোত্তৰ কালৰ অবিভক্ত অসম সম্পৰ্কীয় নথি সমূহ পৰীক্ষা কৰি থাকোতে **১৯৫১** চনৰ ভাৰত চৰকাৰৰ লোকপিয়লৰ নথি সমূহো পুংখানুপুংখ ভাৱে পৰীক্ষা কৰিছিলো।

তদানীন্তন লোকপিয়ল সঞ্চালকালয়ৰ অধীক্ষক, ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া R.B. VAGHAIWALLA ৰ তত্বাৱধানত অসম, মণিপুৰ, ত্ৰিপুৰা এলেকাৰ লোকপিয়ল কৰাৰ অন্তত প্ৰকাশ কৰা লোকপিয়ল প্ৰতিবেদনৰ **১২** নং খণ্ডৰ "ক" অংশৰ পৰিশিষ্ট (**১২**) ত অসমৰ খিলঞ্জীয়া লোকৰ সংজ্ঞাটো এনে ধৰণৰ দাঙি ধৰা হৈছে -

"Indigenous person of Assam' means a person belonging to the State of Assam and speaking the Assamese language or any tribal dialect of Assam, or in the case of Cachar the Language of the region"

অৰ্থাৎ যি সকল লোকে অসমত বাস কৰি আছে আৰু অসমীয়া ভাষা বা জনজাতীয় দোৱানত কথা কয় বা কাছাৰ জিলাত যি সকল লোকে সেই অঞ্চলৰ ভাষা কয়, সেই সকলেই অসমৰ খিলঞ্জীয়া।

এই গুৰুত্বপূৰ্ণ কথাটো হৈছে যে উক্ত লোকপিয়লত সন্নিবিষ্ট হোৱা তথ্যৰ ওপৰত ভিত্তি কৰি **১৯৫১** চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন প্ৰস্তুত কৰা হৈছিল। কিয়নো তদানীন্তন অসমৰ মূখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়াই গণনাকাৰী সকলৰ উদ্দেশ্যে চৰকাৰী ভাৱে প্ৰদান কৰা বাণীত স্পষ্টভাবে উল্লেখ কৰিছে যে উক্ত লোকপিয়লৰ ভিত্তিতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন প্ৰস্তুত কৰা হ'ব। এই সমগ্ৰ নথিৰ প্ৰতিলিপি ইতিমধ্যে মই সংগ্ৰহ কৰিছো।

অসম চুক্তিখনত অন্যান্য বিষয়ৰ লগতে **১৯৭১** চনৰ **২৪** মাৰ্চৰ পিছত বাংলাদেশৰ পৰা অসমলৈ অনুপ্ৰৱেশ কৰা বিদেশী চিনাক্ত কৰি বহিস্কাৰৰ সিদ্ধান্ত হৈছিল। অসম - বাংলাদেশ সীমান্ত কাৰ্য্যকৰী ভাৱে সুৰক্ষিত কৰাৰ আশ্বাস দিয়া হৈছিল। জনজাতীয় বেষ্টনী আৰু খণ্ড সুৰক্ষাৰ সিদ্ধান্ত হৈছিল। **১৯৫১** চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নতিকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ

আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজৰ ত্ৰিপাক্ষিক আলোচনাত সিদ্ধান্ত লোৱা হৈছিল। বৰ্তমান উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ আৰু পৰামৰ্শমতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কাম চলি আছে। **১৯৭১** চনলৈকে কোনবোৰ নথি বিবেচনা কৰা হ'ব সেয়া নিৰ্ধাৰণ কৰা হৈছে।

অসমৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ লগতে অসম চুক্তিত সন্নিবিষ্ট হোৱা আন এটা গুৰুত্বপূৰ্ণ দফা হ'ল **৬** নং দফা।

"অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্ৰশাসনীয় ৰক্ষাকবচ দিয়া হ'ব।"

এইখিনিতে মাননীয় সভাপতি ডাঙৰীয়াক এটা কথা উল্লেখ কৰা হ'ব। ইয়াত যে অসমীয়া শব্দটো ব্যৱহাৰ কৰা হৈছে । সেইসময়ত আমাৰ মাজত বৃহৎ আলোচনা হৈছিল। আনকি **১৪** আগষ্ট **১২** বজালৈকেআলোচনা হৈছিল, এইটো আলোচনা হৈছিল যে আমি অসমীয়া মানে অসমৰ বিভিন্ন জনগোষ্ঠী, ন-অসমীয়া মুছলমান, চাহ-জনগোষ্ঠী এই সকলোকে সামৰি যি সকল সংগঠনৰ নাম ইয়াত উল্লেখ কৰিছে, সেই সকলোকে সামৰি অসমীয়া শব্দটো ব্যৱহাৰ কৰিছো। এই কথাটো আপোনালোকক কৈ থোৱা ভাল হব কাৰণ যিহেতু মই প্ৰত্যেকটো আলোচনাত উপস্থিত আছিলো।

এই দফাটো কাৰ্য্যকৰী কৰাৰ কাৰণে অসমৰ জনসাধাৰণে তথা ভাৰতীয় সংসদে অসম চুক্তিক সমৰ্থন জনাইছে। **৬** নং দফাৰ ত্ৰিপাক্ষিক উপ-সমিতিয়েও আসন সংৰক্ষণ আৰু সাংবিধানিক ৰক্ষাকবচৰ প্ৰয়োজনীয়তা গ্ৰহণ কৰিছে। মাথো এই দফাটো কাৰ্য্যকৰী কৰিবলৈ অসমীয়া মানুহৰ সীমাবদ্ধ সংজ্ঞা এটাৰ প্ৰয়োজন হৈছে। এইখিনিতে উল্লেখ কৰা সমীচীন হ'ব যে দেশৰ উচ্চতম ন্যায়লয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়েও বিদেশীৰ প্ৰব্ৰজনত উদ্বিগ্নতা প্ৰকাশ কৰিছে।

এইটো অনস্বীকাৰ্য যে ব্যাপক সলনি কৰি পোলোৱা জনগাঁথনিটোত যিখিনি অসমীয়া মানুহৰ বাবে সাংবিধানিক ৰক্ষাকৱচৰ আশ্বাস দিয়া হৈছে সেইখিনি অসমৰ খিলঞ্জীয়া মানুহ। এই সহজ আৰু পোনপটীয়া বাখ্যাত কাৰো দ্বিমত থাকিব নোৱাৰে। ভাষা-ধৰ্ম-জাতি, জনজাতি-আন আন জনগোষ্ঠী নিৰ্বিশেষ অসমৰ খিলঞ্জীয়া মানুহৰ বাবেহে ৰক্ষা কৱচৰ প্ৰয়োজনীয়তা আহিছে। সেয়েহে খিলঞ্জীয়া অসমীয়া মানুহ বুলিলে সংবিধান গৃহীত হোৱাৰ পিছত অন্য ৰাষ্ট্ৰৰ পৰা আহি অসমত বসবাস কৰা জনগোষ্ঠী হ'ব নোৱাৰে।

বুৰঞ্জী আৰু নৃতত্বৰ দিশৰ পৰা বৃটিছ অসমলৈ অহা সময়, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা সময় বা ভাৰতীয় সংবিধানে ঠাৰৰ কৰা **১৯৫০** ৰ সময়সীমাৰ সপক্ষে থকা যুক্তি নাকচ কৰিব নোৱৰি। কিন্তু এইবোৰ সময়সীমাৰ কোনো সংশ্লিষ্ট আৰু বিধিগত তথ্য-পাতি নাই। মই যোৱা কিছুদিনত বিভিন্ন সংগঠন আৰু নানান ব্যক্তিৰ লগত আলোচনা কৰিছো। সকলো দিশ চালি জাৰি চাই সকলোৰে যুক্তি বিশ্লেষণ কৰাৰ পিছত মই এই সিদ্ধান্তত উপনীত হৈছো যে অসম চুক্তিৰ **৬** নং দফা কাৰ্য্যকৰী কৰিবলৈ অসমীয়া মানুহ বুলিলে অসমৰ খিলঞ্জীয়া, খিলঞ্জীয়া অসমীয়াকে গণ্য কৰিব লাগিব। সেয়েহে **১৯৫১** চনৰ সময়সীমা লৈ আমি আগবাঢ়িব লাগিব। সেই বাবে **১৯৫১** চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী শেষত, এটা কথা স্পষ্টকৈ কব বিচাৰো যে একমাত্ৰ অসম চুক্তিৰ আধাৰত যি আসন সংৰক্ষণ আৰু সংবিধানিক ৰক্ষাকৱচৰ কথা কোৱা হৈছে তাৰ বাবেহে অসমীয়া বুলিলে খিলঞ্জীয়া, খিলঞ্জীয়া অসমীয়াক বুজোৱা হৈছে। মাথো আসন সংৰক্ষণ আৰু সংবিধানিক ৰক্ষাকৱচৰ বাবে অসমীয়া মানুহ বুলিলে কাক বুজোৱা হৈছে তাৰ বাবে মই এটা প্ৰচেষ্টা হাতত ল'লো।

বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি এক সৰ্বসন্মত সিদ্ধান্তত উপনিত হ'ব পৰা যায় নেকি তাকে চালি -জাৰি চাবৰ বাবে মই ব্যক্তিগত ভাৱে পদক্ষেপ লৈছিলো, বিষয়টোৰ লগত বিধিগত, ৰাজনৈতিক

আৰু সামাজিক দিশ জড়িত হৈ থকাত বিষয়টোৰ ওপৰত আহৰণ কৰা ধাৰণাটো পুংখানুপুংখ ভাৱে চালি-জাৰি চাই কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে অসম চৰকাৰক দাখিল কৰিলো।
মই ভাৱো ইয়াত সন্মানীয় সদনৰ সন্মতি আছে।

ইয়াৰ পিছত অসমীয়া শব্দৰ ঠাইত আহিল খিলঞ্জীয়া। এইটো দূৰ্ভাগ্যৰ কথা যে তেখেতে সকলোৰে লগত আলোচনা কৰি বিধান সভাত দিয়া প্ৰতিবেদনখন সেইসময়ৰ মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াই বিৰোধীতা কৰিছিল। যাৰ ফলত এই অসমীয়াৰ সংজ্ঞাৰ কাম আৰু আগনাবাঢ়িল। এইখন কৰিলে চৰকাৰেহে কৰিব লাগিব, চৰকাৰেহে ক'ব লাগিব আমুক অসমীয়া, আমুক খিলঞ্জীয়া। গতিকে চৰকাৰে নোকোৱা পৰ্য্যন্ত ব্যক্তিবিশেষে বা অধ্যক্ষই কৰিব নোৱাৰে আৰু বিধান সভাত বিষয়টো passed নহ'ল, তেখেতে মাত্ৰ তেখেতৰ অনুভৱটোহে ব্যক্ত কৰিলে। যি কি নহওক, ইয়াৰ পিছত আহিল খিলঞ্জীয়া, বিভিন্ন কথাত আমি খিলঞ্জীয়া শব্দটোকে ব্যৱহাৰ কৰিবলগীয়া হ'ল। এতিয়া প্ৰশ্ন আহিল, খিলঞ্জীয়া কোন? এইটো বৰ ডাঙৰ প্ৰশ্ন হ'ল এতিয়া। যোৱাকালি মই জানিবলৈ পালো যে আমাৰ আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াক আহ্বায়ক হিচাপে লৈ খিলঞ্জীয়া ঐক্য মঞ্চ গঠিত হৈছে। অসম আন্দোলনৰ সময়ত আমি ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকা ভিত্তি হিচাপে লৈছিলো। এইটোৰ হেৰ-ফেৰ ১৯৮৩ চনলৈকে হোৱা নাছিল। ১৯৪৭ চনৰ প্ৰস্তাৱ দিয়া হৈছিল, সেইটোতো নাই আমি, আমাক লাগে ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ১৯৫২ চনৰ স্বাধীন ভাৰতৰ প্ৰথম ভোটাৰ তালিকা। এতিয়া আমাৰ খিলঞ্জীয়া ঐক্য মঞ্চই কৈছে, অসমৰ খিলঞ্জীয়া লোক সেইসকলহে, যিসকল ১৮২৬ খৃষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখলৈকে অৰ্থাৎ ইয়াণ্ডাবু সন্ধিলৈকে যি সকল অসমত আছিল - সেইসকলহে অসমৰ খিলঞ্জীয়া লোক। এই মতামত যোৱা খিলঞ্জীয়া ঐক্যমঞ্চই দিছে, আজি বাতৰি কাকতত পঢ়িবলৈ পাইছো। ইয়াণ্ডাবু সন্ধি হৈছিল দুটা বিদেশী শক্তিৰ মাজত। বিদেশী হ'ল মান ৰজা আৰু বৃটিছ। প্ৰাক্তন অধ্যক্ষই দিয়া প্ৰতিবেদনত ১৯৫১ চনৰ লোকপিয়লৰ সঞ্চালকে দিয়া কথাটোকে তেখেতে অসমীয়া বুলি কলে আৰু খিলঞ্জীয়া বুলি ক'লে। এই বিষয়ত বিভিন্ন জনে বিভিন্ন বক্তব্য ৰাখিছে কিন্তু বৰ্তমানলৈকে দল বিলাকে বা কোনো সংগঠনে আজিলৈকে অসমৰ খিলঞ্জীয়া কোন কোৱা নাই।

(সদনত মাননীয় সদস্য শ্ৰীৰাজেদ আলী চৌধুৰী, শ্ৰীআব্দুল খালেক প্ৰমূখে ভালে কেইজন সদস্যই একেলগে মাত দিয়ে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সভাপতি)** ঃ মাননীয় সদস্যসকল, ডেকা ডাঙৰীয়াই ভাল কথা কৈ আছে , আপোনালোকে ধৈৰ্য্য ধৰি শুনক।

**শ্ৰীপবিন্দ্ৰ ডেকা, (পাটাছাৰকুছি) ঃ** মাননীয় সভাপতি মহোদয়, মই ধন্যবাদ জনাইছো খিলঞ্জীয়া ঐক্যমঞ্চক যে, এই বিষয়টোৰ ওপৰত এটা সুস্পষ্ট মতামত দিয়াৰ বাবে, তেখেতসকলে এটা হ'লেও সূত্ৰ দিছে। Whether that is acceptable to us or not? Whether it is acceptable to the people of Assam or not? That is a different thing. কিন্তু আজিলৈকে সুস্পষ্ট ভাবে ১৮২৬ খৃষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখলৈকে অৰ্থাৎ ইয়াণ্ডাবু সন্ধিলৈকে যি সকল অসমত আছিল - সেইসকলহে অসমৰ খিলঞ্জীয়া লোক বুলি চন তাৰিখ ধৰি কোনো এটা সংগঠনে কোৱা নাই। অসম ভূমি সম্পৰ্কত বহু কথা আহিছে যে অসমৰ ভূমি অসমীয়াৰ হাতত নাই, পুজিপতি সকলে অসমীয়াৰ ভূমি কিনি কিনি নাইকিয়া কৰিছে। অসমৰ ৮০ শতাংশ কৃষকৰ এতিয়া ভূমি নাই, তেওঁলোক এতিয়া ভিক্ষাৰিত পৰিণত হৈছে। এই গোতেই কথাটোত বিভিন্ন সময়ত বিভিন্ন ধৰণে আমি দিঙি ফুলাই ফুলাই বক্তিত্বা দিওঁ কিন্তু আমি কোনেও আচল কথাটোলৈ নাযাওঁ।

সেইকাৰণে মই ২০০১ চনত পি.এল.পিৰ বিধায়ক আছিলো, এনেয়ে নামত পি.এল.পি কিন্তু পি.এল.পি হ'ব নোৱাৰে কাৰণ We are not neither registered nor recognised. মই Independent MLA হৈ থকাৰ কথা, মই তেতিয়া সদনৰ শেষৰ ফালে বহিছিলো। গতিকে তেতিয়া বহু কথা চিন্তা কৰি মই এখন বিল আনিছিলো। অসমৰ খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ বাবে অসমত মেঘালয় আৰু মিজোৰামৰ নিচিনা এখন বিলৰ প্ৰয়োজন হৈছে বুলি মই ভাবি এই বিলখন আনিছিলো। সেই বিলখন আনিছিলো ২০০৫ চনত। ২০০৪ চনতো আনিছিলো কিন্তু গ্ৰহণ কৰা নহ'ল, I was not allowed to discuss the Bill. সেইখন এডমিট নহ'ল, ২০০৫ চনত মাননীয় তেতিয়াৰ অধ্যক্ষ শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়াই বিলখন গ্ৰহণ কৰিলে আৰু আলোচনাৰ কৰাৰ কাৰণে সদনত দিয়ে। মই এই বিলখন উত্থাপন কৰিলো, কি বুলি "The Assam Transfer of Land Regulation Bill, 2005" বুলি। এই বিলত মই বহু কথাই কৈছো আৰু বিলখনৰ Object and reason of the Bill সেইটো জানিলেহে আপোনালোকে বিলখনৰ কথাটো ভালকৈ জানিব পাৰিব। The interest of foreign nationals to the State of Assam has been threatening the very existence of the indigenous people of the State. The foreign nationals who can enter into the state illegally have been encroaching and buying lands in the state by taking advantage of the loopholes of the land laws of Assam. Moreover, some people who are land hungry in nature coming from outside the state of Assam are also buying lands in the state recklessly. These have been jeopardising the interest of the indigenous people for which it has been necessary to regulate the transfer of land in the state by ways of sale, buying, gift, etc. to safeguard the interest of the indigenous people. এইটো হ'ল Object. ইয়াটো প্ৰশ্ন আহিল নহয়? মই কাক indigenous বুলি কম? কাৰণ মইটো indigenous বুলি কাৰোবাক ক'ব লাগিব। indigenous বুলি মই এটা কৈছিলো যে This is my view. This may be acceptable or may not be acceptable. indigenous কি বুলি ক'লো মই। গোটেই বিলখন হৈছে খিলঞ্জীয়াৰ বাহিৰে কোনোৱে ভূমি কিনিবও নোৱাৰিব আৰু কোনোৱে বিক্ৰী কৰিবও নোৱাৰিব। এই কথাটো লিখা আছে। মই indigenousৰ ব্যাখা বিলখনৰ Section II sub-section E ক'লো। "Indigenous" means এতিয়াও মই কৈছো It may be accepted or may not be eccepted, আৰু এইটো কিন্তু মোৰ সম্পূৰ্ণ ব্যক্তিগত মতামত মোৰ পাৰ্টিৰ মতামত, নহয় যি পাৰ্টিৰ মই ইয়াত প্ৰতিনিধিত্ব কৰি আছো। তেতিয়া মই Independent আছিলোঁ আৰু তেতিয়া মোৰ পাৰ্টিয়ে এইটো Support কৰিছিল। Indigenous (a) a person whose name appears in the National Register of Citizens (NRC) 1951 and Voters' Lists of Assam, 1952 and his/her descendants, (b) a foreign migrant who entered Assam before March, 1971 and has registred their name as a citizen of India and his or her descendants. এই দুটা সূত্ৰ মই দিছিলো।

**সভাপতি** ঃ আপুনি যি কয় পোনপটীয়াকৈ কওঁক।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)** ঃ সভাপতি মহোদয়, এই দুটা সূত্ৰ দিওতে অসম বিধান সভাত কোনেও আপত্তি কৰা নাছিল, সেই সময়ত আমাৰ অগপ ৰ তৰফৰ পৰা এই বিলখন সমৰ্থন কৰি মাননীয় শ্ৰী বৃন্দাৱন গোস্বামী ডাঙৰীয়াই ভাষণ দিছিল আৰু বিপএফৰ পৰা শ্ৰদ্ধেয় প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানী ইয়াক সমৰ্থন কৰি ভাষণ দিছিল, বিজেপি দলৰ সেই সময়ৰ ৰঞ্জিত দত্ত ডাঙৰীয়াই ও মোৰ এই বিলখনক সমৰ্থন কৰিছিল। তেতিয়া দিলীপ শইকীয়া সোণোৱাল ডাঙৰীয়া অগপ ত আছিল আৰু তেখেতে এই বিলখন সমৰ্থন কৰি কৈছিল যে “মাননীয় পবিন্দ্ৰ ডেকা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে তাক আমি সমৰ্থন কৰিছো সভাপতি মহোদয়, এই বিলখনৰ পৰা ৰাইজৰ উপকাৰ হব বুলি মই ভাবিছোঁ”। প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে তেখেতৰ ভাষণত কৈছিল “আমাৰ মাননীয় সদস্য শ্ৰীযুত পৱিন্দ্ৰ ডেকা ডাঙৰীয়াই যিখন বিল আজি সদনত উত্থাপন কৰিছে সেই বিলখনক মই সমৰ্থন জনাই দুআষাৰ ক'ব বিচৰিছো। তেখেতে বিলখন আনিছে আৰু ইয়াৰ জৰিয়তে অসমৰ গোটেই খিলঞ্জীয়া মানুহৰ বাবে চিন্তা কৰাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছোঁ”। তাৰ পিছত ৰঞ্জিত দত্ত ডাঙৰীয়াই কৈছিল “মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পৱিন্দ্ৰ ডেকা দেৱে আজি সদনত যিখন বিল উত্থাপন কৰিছে, সেইখনক মই সমৰ্থন কৰিছো” । তাৰ পিছত বৃন্দাৱন গোস্বামী ডাঙৰীয়াই ও কৈছিল যে “শ্ৰী পৱিন্দ্ৰ ডেকা দেৱে যি Assam Transfer of Land Regulation Bill, 2005 আনিছে সেই বিলখন অতি সময় উপযোগী আৰু প্ৰয়োজনীয় বুলি কৈছো আৰু ইয়াত উৎথাপন কৰা কাৰণে মই তেখেতক ধন্যবাদ জনাইছো” আৰু আছে মই ইমান দীঘলীয়া কৰিব খোজা নাই আৰু এটা কথা আছে যিটো সেই সময়ত আলোচনা নহল। মই যিহেতু Independent আছিলো, মই কাকো দোষাৰোপ কৰিব বিচৰা নাই। সেই সময়ত বহুতো জাতীয় সংগঠনক মই ফোন কৰি তেওঁলোকক মতামত দিবলৈ কৈছিলো। কিয় মই এনেকুৱা এটা দায়লগা বস্তু এটাৰ বিষয়েক'লগীয়া হৈছে। তাৰ পিছত খিলঞ্জীয়া সম্পৰ্কে ২৩/০৯/২০১৭ চনত মই কি কলোঁ পঢ়ি দিছো এইটোক লৈ বহুতো বিতৰ্ক হৈছে, বহুতে মই উদ্ভত কথা কোৱা বুলি কৈছে, মই তেখেতসকলক কৈছিলো যে এইয়ে বাস্তৱ, এই সত্য আৰু এইয়ে এদিন সত্যত পৰিণত হ'ব। ভাৰতৰ স্বাধীনতাৰ পিছৰে পৰা অসমৰ “অসমীয়া ” কোন সকল লোক, কোন সকল খিলঞ্জীয়া এই লৈ বিভিন্ন মহলে প্ৰশ্ন অৱতাৰণা কৰি আহিছে। আলোচনা সমালোচনা আৰু বিতৰ্কও হৈছে অলেখ। প্ৰশ্নটোৱে ৰাজ্যখনত অধিক গতি লাভ কৰিছিল ১৯৬০ চনৰ ৰাজ্যভাষা আইন আৰু ইয়াৰ বিৰুদ্ধে অসমৰ ৰাইজে কৰা ৰাজ্যভাষা আন্দোলনৰ সময়ত । তাৰ পিছত ১৯৬৮ চনত জ্ঞানেন্দ্ৰ নাথ চৌধুৰীৰ নেতৃত্বত ‘লাচিত সেনা’ গঠিত হৈছিল। বহুতে হয় লাচিত সেনাৰ বিষয়ে নাজানে। মোৰ উপন্যাসৰ নৱম দশম অধ্যায়ত সম্পূৰ্ণ ভাৱে বিৱৰণী দিয়া আছে। তেওঁলোকে Judge Field ত প্ৰথম স্বাধীন অসমৰ পতাকা উৰুৱাছিল। বহু বিশিষ্ট ব্যক্তি, সাহিত্যিক লাচিত সেনাৰ লগত জড়িত আছিল ইয়াৰ পিছত একাদিকক্ৰমে ১৯৭২ চনত কৰা শিক্ষাৰ মাধ্যম আন্দোলন, (ভাষা আন্দোলন) তেতিয়া মই নলবাৰী জিলা ছাত্ৰ-সন্থাৰ সভাপতি আছিলো, ১৯৭৪ চনৰ পৰা খাদ্য আন্দোলনৰ সময়তো এই প্ৰশ্নটোৱে জোৰ গতি লাভ কৰিছিল। উল্লেখিত প্ৰশ্নটোৱে সৰ্বাধিক গতিৰে অসম মুখৰিত কৰি তুলিছিল সদৌ অসম ছাত্ৰ-সন্থা আৰু সদৌ অসম গণ পৰিষদৰ নেতৃত্বত চলা ৬ বছৰীয়া অবৈধ বিদেশী নাগৰিক বহিস্কৰণ আৰু বিতাড়ন সম্পৰ্কে চলা ঐতিহাসিক অসম আন্দোলনৰ সময়ত। অসম আন্দোলনৰ ফলশ্ৰুতিত ১৯৮৫চনৰ ১৫ আগষ্ট তাৰিখে অসম চুক্তি স্বাক্ষৰিত হৈছিল । চুক্তিখনত অসমীয়া জাতিক সুৰক্ষা দিয়াৰ কাৰণে ৬নং দফা এটা সন্নিবিষ্ট হৈছে তাত কি কোৱা হৈছিল এইখিনি মই নকওঁ। ৬ নং দফাটো কাৰ্য্যকৰী কৰাৰ বাবে আছু অসম চৰকাৰ আৰু ভাৰত

চৰকাৰৰ মাজত সুদীৰ্ঘদিন আলোচনা হৈছিল। আলোচনাত প্ৰশ্ন উঠিছিল ঃ অসমীয়া কোন? লগে লগে প্ৰশ্ন উঠিছিল “ অসমৰ খিলঞ্জীয়া লোক কোন? বিভিন্ন জাতীয় সংগঠন, ৰাজনৈতিক দলৰ লগতে ভালেসংখ্যক বুদ্ধিজীৱি, সাংবাদিক, সাহিত্যিক আৰু সমাজসেৱীয়ে নিজ নিজ মতামত দিছিল আৰু আজিও দি আছে। কিন্তু বিষয়টোৰ এটা সমাধান সুত্ৰ আজিও ওলোৱা নাই। ২০১৬ চনৰ ১৫ মাৰ্চ তাৰিখে অসম বিধান সভাৰ তদানীন্তন অধ্যক্ষ শ্ৰীযুত প্ৰণৱ গগৈয়ে অসমীয়া আৰু অসমৰ খিলঞ্জীয়া লোক কোন সকল এইলৈ বিধান সভাত এখন প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনখনত তেখেতে কৈছিল -**অসমীয়া মানুহ বুলিলে অসমৰ খিলঞ্জীয়া অসমীয়াক গণ্য কৰিব লাগিব**। ১৯৫১ চনৰ সময়সীমা লৈ আমি আগবাঢ়িব লাগিব। সেইবাবে **১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীক** আধাৰ হিচাপে ল’ব লাগিব। উল্লেখ্য যে অধ্যক্ষ গৰাকীৰ এই প্ৰতিবেদন আৰু মতামত অগপ, বিজেপি, বিপিএফ আদি ৰাজ্যখনৰ ২৬টা জন গোষ্ঠীয় সংগঠনে সমৰ্থন জনাইছিল। অসম চৰকাৰে অসমৰ খিলঞ্জীয়া লোকৰ ভূমি সুৰক্ষাৰ বাবে শ্ৰী হৰিশংকৰ ব্ৰহ্মাৰ নেতৃত্বত গঠন কৰা কমিটিখনে ৰাজ্যখনত প্ৰচলিত হৈ থকা ভূমি আইন আৰু ভিন্ন সময়ত চৰকাৰে দিয়া চাৰ্কুলাৰ সমূহ সাল সলনি (Modification) কৰিকেনেকৈ খিলঞ্জীয়া ভূমি সুৰক্ষিত কৰি ৰাখিব পাৰি তাৰ কিছু অনুমোদন দি প্ৰাথমিক প্ৰতিবেদন এখন দাখিল কৰিছে। মই উক্ত প্ৰতিবেদন সমৰ্থন জনাইছো কিন্তু প্ৰতিবেদখনত অসমৰ খিলঞ্জীয়া লোক কোন - সেই বিষয়ে কোনো মন্তব্য দিয়া হোৱা নাই। আশা কৰা হৈছে হয়তো প্ৰতিবেদন সমিতিয়ে খিলঞ্জীয়াৰ সূত্ৰ এটা আগবঢ়াব। উল্লেখিত সকলো দিশ চালি জাৰি চাই ২০০৪ চনৰ ১০ নৱেম্বৰ তাৰিখে মই অসম বিধান সভাৰ সদস্য হিচাপে অসমৰ খিলঞ্জীয়া লোকৰ ভূমি সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে এখন Private member Bill অসম বিধান সভাত উত্থাপন কৰিছিলো । বিলখনৰ নাম আছিল The Assam Transfer of Land Regulation Bill-2004। উক্ত বিলখনত অসমৰ কোন সকল মানুহক খিলঞ্জীয়া হিচাপে গণ্য কৰা হ’ব তাক বিলখনৰ অনুচ্ছেদ (২) উপ-অনুচ্ছেদ (ঘ) ত উল্লেখ কৰা হৈছিল। এতিয়া অসমীয়া তথা এতিয়া অসমীয়া তথা খিলঞ্জীয়া বুলি মই যিসকল লোকক অভিহিত কৰিছো সেইসকল লোক হ’ল- চুতীয়া, কছাৰী, আহোম, মটক, মৰান, মিচিং, টিয়া, ডিমাচা, কাৰ্বি, লালুং, দেউৰী, মদাহী, সোনোৱাল, গাৰো, মিচিমি, খামতি, জয়ন্তীয়া, বড়ো, কোচ, মেচ, বৰাহি, ৰাভা, হাচাং, কমাৰ, কুমাৰ, বামুন,কলিতা, কেওঁত, কৈবৰ্ত, নাথ, আদিবাসী, গৰিয়া-মৰীয়া, যোগী, ধুবি, নাপিত, থলুৱা, নেপালী, চা হ জনগোষ্ঠী, থলুৱা বঙালী, থলুৱা মাৰোৱাৰী, অসমীয়া মুছলমান, মৈমান ছিঙিয়া, থলুৱা মনিপুৰী, যোগী, হীৰা, হৰিজন, শৰনীয়া কছাৰী, সুত আদি বিভিন্ন অনুসুচিত জাতিৰ লগতে আন আন চাবেক জনগোষ্ঠী। ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত যিসকল অনুপ্ৰৱেসকাৰী লোক আহি অসমত বাসবাস কৰি অসমৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাগত ৰীতি-নীতি আদৰি লৈছে লগতে অসমৰ বিকাশ আৰু প্ৰগতিৰ হকে কাম কৰি আছে সেইসকল লোকক মই অসমৰ খিলঞ্জীয়া লোক বুলি অভিহিত কৰিলো। উল্লেখ্য যে মোৰ এই অভিমত মোৰ ব্যক্তিগত অভিমত। আমাৰ আব্দুল খালেক ডাঙৰীয়াই এই প্ৰস্তাৱটো আনিছে। মই কৈছো যে এই প্ৰস্তাৱটো নানিলেও হ’ল হেতেন। কাৰণ এই বিধান সভাত এই প্ৰস্তাৱ হৈ গৈছে। এই প্ৰস্তাৱটো ভৰত নৰহ ডাঙৰীয়াই কৰিছিল ।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় সভাপতি মহোদয়, যিহেতু Exactly এইটো প্ৰস্তাৱ পাচ হোৱা নাই, সেইকাৰণে এইটো প্ৰস্তাৱ পাচ হব পাৰে। আগৰ প্ৰস্তাৱবিলাক বেলেগ আছিলে। আমাৰ পবিন্দ্ৰ ডেকা ডাঙৰীয়াই বিল আনিছিলে, গতিকে ইয়াত টো আজি বিল অনা নাই। ইয়াত অসম

চুক্তিৰ ৬ নং দফা specific কোনো প্ৰস্তাৱ আজিলৈ পাচ হোৱা নাই, গতিকে সদনে এই প্ৰস্তাৱ পাচ কৰিব লাগে।

**মাননীয় সভাপতি (শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা) ঃ** এতিয়া মাননীয় সদস্যই বক্তব্য দি আছে আৰু বেলেগ বহুতো আছে গতিকে সময় অপচয় কৰিব নলাগে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় সভাপতি ডাঙৰীয়া, এই প্ৰস্তাৱটো কিয় আহিল? এই প্ৰস্তাৱটো অহাৰ বিভিন্ন বেক গ্ৰাউণ্ড আছে। এই কাৰণে অসম চুক্তি মতে ১৯৭১ চনৰ ২৪ মাৰ্চ তাৰিখে মাজ ৰাতিলৈকে যি সকল লোক বেলেগ দেশৰ পৰা আমাৰ ভাৰতলৈ আহিছে, অসমত সোমাইছে সেই সকল লোক বিদেশী হিচাপে গণ্য হ'ব আৰু সেই সকলক Detention কৰি Deportation কৰিব লাগিব। দুৰ্ভাগ্যবশতঃ সেই সময়ত আমি দাবি কৰিছিলো যে বাংলাদেশৰ লগত প্ৰত্যাহ্বান চুক্তি এখন হ'ব লাগে, চুক্তি খন আজিলৈকে হোৱা নাই। গতিকে এই বস্তুটো থকাৰ পিছত ইয়াত আমি বিদেশী কোনো ধৰ্মভিত্তীত, ভাষাৰ ভিত্তীত আমি বিভাজন কৰা নাই। তেওঁ হিন্দু হব পাৰে, মুছলমান হব পাৰে, খ্ৰীষ্টান হব পাৰে, বুদ্ধ হব পাৰে, বুদ্ধিষ্ট হব পাৰে, পাৰ্চি হ'ব পাৰে যিকোনো হ'ব পাৰে। ১৮ টা ধৰ্ম বৰ্ত্তমান প্ৰচলিত আছে পৃথিৱীত তাৰে যিকোনো এটা হ'বও পাৰে আৰু ১৬০০ ভাষা আছে ভাৰত বৰ্ষত, তাৰে যিকোনো ভাষাৰ লোক হব পাৰে, মৌখিক ভাষায়ে কওঁক বা লিখিত ভাষাকে কওঁক বা ২২ টা সংবিধানৰ ভাষায়ে হওক। গতিকে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে প্ৰস্তাৱ এটা লৈছে যে বাংলাদেশ আৰু কেইখন মান দেশ আছে হিন্দু বুদ্ধিজ এই যিবিলাক মানুহ আহিছে তেওঁলোকক ভাৰতত নাগৰিকত্ব দিব আৰু সংস্থাপন কৰিব। সেই কাৰণে সেইটোৰ আলম লৈ তেখেত সকলে নাগৰিকত্ব বিল খন সংশোধন কৰাৰ কাৰণে বিল এখন আনিলে। যিটো হৈছে এতিয়া দেশ খনৰ আমাৰ ৰাজ্য খনৰ বিতৰ্কীত বিষয়। অসম গণ পৰিষদে অসম চুক্তিত অসমৰ বিভিন্ন জাতি সংগঠন, ছাত্ৰ সংগঠন অসমৰ সকলো ৰাজনৈতিক দল অসম গণ পৰিষদকে কওঁক, চিপিএম এ কওঁক, কংগ্ৰেছে কওঁক, বিজেপিয়েও কওঁক যিমান ৰাজনৈতিক দল আছে অসমত সকলোৱে এই চুক্তি খনৰ মতে যি সকলক বিদেশী বুলি কোৱা হৈছে তেওঁলোককে মানি লৈছে। অথচ হিন্দু বাংলাদেশী সকলক নাৰিকত্ব দি অসমত সংস্থাপন কৰি ম বুলি আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কোৱা নাই যদিও চৰকাৰে আৰু কিছুমান মহলে কৈছে। সেইবাবে ৰাজ্যখনত বিতৰ্কৰ সৃষ্টি হৈছে আৰু আমি তাৰ তীব্ৰ প্ৰতিবাদ কৰি আহিছো। আজিও প্ৰতিবাদ কৰিছো, যোৱা কালিও আমি কাৰ্য্যালয়ত প্ৰতিবাদ কৰিছোঁ। আমাৰ কথা হ'ল যে এই চুক্তিত, ধৰ্মৰ ভিত্তিত ভাগ নহব, ভাষাৰ ভিত্তিত ভাগ নহ'ব। হিন্দুয়ে হওঁক বা মুছনমানে হওঁক ১৯৭১ চনৰ পিছত যি সকল আহিছে তেওঁলোকে যাব লাগিব আৰু এটা কথা কৈছোঁ, যে আমি নতুনকৈ হিন্দুয়ে হওঁক বা মুছনমানে হওঁক কোনো মানুহৰ বোজা আমি লব নোৱাৰো। কিয় লব নোৱাৰো, যেতিয়া পাকিস্তান আৰু হিন্দুস্থান ১৯৪৭ চনত বিভক্ত হ'ল, নেহেৰু-লিয়াকৎ এক্ট মতে ১৯৫১ চনত। সেই এক্ট মতে বহু পাকিস্তানি লোক ৭.৫ লাখ শৰণাৰ্থী আমি ১৯৬৭ চনলৈ অসমত পুহিছো। গোৱালপাৰা জিলা, ধুবুৰী জিলা বিভিন্ন ঠাইত আমাৰ কেম্প আছিল। আমি তেওঁলোকক খাদ্য কাপোৰ সকলো দিছিলোঁ। সেই সময়ত নেহেৰুয়ে আমাক কথা দিছিল আমি পঢ়িছোঁ, যে এই শৰণাৰ্থী সকলৰ থকা খোৱা সকলো বন্দবস্ত তোমালোকে কৰা, তেতিয়া বৰদলৈ নাই, ১৯৫০ চনতে ঢুকাইছে, মেধী আৰু চলিহা আছিল। তেতিয়া কৈছিল যে তোমালোকৰ খৰচ আমি দিম আৰু এই মানুহ বিলাকক আমি লৈ আনিম। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত আমি সংস্থাপন তেওঁলোকক কৰিম। কিন্তু, দুৰ্ভাগ্যবশতঃ সেই মানুহ বিলাকক সেই সময়ত গঠিত হোৱা ৩২ টা ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কিছুমান লোক ইতিমধ্যে বিভিন্ন ঠাইত অঙহি বঙহি, নগৰে

চহৰে ঘৰলৈ গুচি গৈছে আৰু যিখিনি বাকী আছিল আটাইখিনিক প্ৰায় ৩.৫ লাখ, ৪ লাখমান বাকী আছিল। তেতিয়া সেই মানুহ বিলাকক ১৯৭১ চনত ৩২ টা ব্লকত মাটি আছিল বাবে তাত সোমাই দিলে। সেই কাৰণে আমাক চৰণ নাৰ্জাৰী, সমৰ ব্ৰহ্ম চৌধুৰী, বিনয় খুংগুৰ বসুমতাৰী এই সকলে কোৱা অনুসৰি তেতিয়াৰে পৰা এই বড়ো গোষ্ঠীৰ মাজত অসন্তোষৰ সৃষ্টি হয়। তাৰ বিৰুদ্ধে ১৯২০ চনত বা কি আছিল মই পাহৰিলো, আন্দোলন কৰিছিল আৰু গোৱেশ্বৰত ৰেল বন্ধ কৰোঁতে তাত ৫ জন বড়ো মানুহ নিহত হৈছিল আৰু নিহত হোৱাত অসম বিধান সভাত এই কথাটো উত্থাপন হওঁতে প্ৰশ্ন আনিছিল, প্ৰশ্ন আনোতে দুৰ্ভাগ্যবশতঃ আমাৰ চলিহা ডাঙৰীয়াই কলে হয় তাত কেইজনমান বড়ো মানুহৰ মৃত্যু হৈছিল। এই বড়ো বুলি যে কলে অসমীয়া বুলি নকলে পূৰ শৰণীয়াই তেতিয়া কলে যে, কিয় বড়ো মানুহ বুলি ক'ব। তাৰমানে অসম আন্দোলনত যোগদান কৰাৰ কাৰণে, সহায় কৰাৰ কাৰণে তেখেতসকলৰ লগতে বহুত আলোচনা হৈছে। কোকৰাঝাৰতো সকলোৰে ঘৰত ৰাতি-ৰাতি মই আছো কিন্তু এটা কথাই কয় যে, যেতিয়া আমি আন্দোলন কৰিছিলোঁ আমাক আপোনালোকে সহায় নকৰিলে আৰু আমাৰ মানুহৰ মৃত্যু হ'ল। অসমীয়া মানুহ বুলি নকৈ বড়ো মানুহ ৫ জনৰ মৃত্যু হোৱা বুলি ক'লে আৰু তেনেকৈ অসন্তুষ্টিবোৰ আৰম্ভ হ'ল। এইখিনি কথা মই কিয় ক'লো এই যে প্ৰায় ৩.৫ ৰ পৰা ৪ লাখ মানুহ Tribal Belts & Block ত সোমোৱাই দিলে আমাৰ সম্পূৰ্ণ জনগাথনি সলনি হৈ গ'ল। আমি ভাষা আন্দোলন কৰিবলগীয়া হ'ল, মাধ্যম আন্দোলন কৰিবলগীয়া হ'ল। কাছাৰত বঙালী ভাষা হ'ল আমাৰ কোনো আপত্তি নাই। তেতিয়া আমি সদৌ অসম ছাত্ৰ সন্থাত। আমি আলোচনা কৰিছো ইঞ্জিনীয়াৰিং কলেজৰ মিটিংত। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত হ'ব নোৱাৰে। এই গোটেই ইতিহাস আমি কিছু জানো যিহেতু আমি জড়িত আছিলোঁ। সেইকাৰণে আমি এতিয়াও কৈছো যোৱা ১১ তাৰিখে আমাৰ কাৰ্য্যনিৰ্বাহক দলৰ সভাতো আকৌ খুব স্পষ্টভাৱে আনিছোঁ, যি বিধেয়ক সংসদৰ চিলেক্ট কমিটিত আছে আৰু সংসদত যাব আমি তাৰ তীব্ৰ বিৰোধিতা কৰি আছোঁ। বিৰোধীতা কৰি থাকিম আৰু কেতিয়াও মানি নলওঁ। কাৰণ অসমত আমি আৰু অধিক মানুহৰ বোজা ল'ব নোৱাৰো। এতিয়া আমাৰ জনসংখ্যা প্ৰায় ৩ কোটি ২১ লাখ পৰ্য্যন্ত হৈ গৈছে। প্ৰতি বৰ্গ কি: মি ৩৯৮ হৈছে। এইটো বহু ৰাজ্যতকৈ বেছি। ১৮২৬ চনত আমাৰ মানুহ আছিল বহু কম। ১৯৪৭ চনত প্ৰায় ৩৯ লাখ। ভাৰতবৰ্ষত আছিল মাত্ৰ ৩৭ কোটি। এতিয়া আমি এইটো বহন কৰিব নোৱাৰো। এইখিনি কথা মই ৰেক'ৰ্ড কৰিলো। তাৰে মাজতে মই আৰু এটা কথা উল্লেখ কৰাটো ভাল হ'ব। ব্ৰহ্ম ডাঙৰীয়া কমিটিৰ কথা মই কব বিচাৰিছো। মই indigenous কোন সেই কথা কৈছোঁ। মোক বহুতে ধিক্কাৰ দিছে। কিন্তু মই কৈছো যে, ব্যক্তিগত ভাৱে মই এটা মতামত দিছো। যোৱাকালি আমাৰ চেতীয়া নেতৃত্বাধীন ঐক্যমঞ্চই এটা মতামত দিছে। সকলোকে আহ্বান জনাইছে। আপোনালোকে একো একোটা মতামত দিয়ক আৰু এটা সৰ্ব্বসন্মত খিলঞ্জীয়াৰ সূত্ৰ নিৰ্ধাৰণ কৰক আৰু এই খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ কাৰণে কি কৰিব পাৰি ব্ৰহ্ম সমিতিয়ে দিছে। ব্ৰহ্ম কমিটি গঠন হোৱাৰ পাছত ব্ৰহ্মাই কি কৈছে মই আপোনালোকক পাঠ কৰি দিছো। 'Outlet' News Paper ত কৈছে, Committee for protection of Land Right of Indigenous Persons. A committee has been constituted by the Assam Govt. for protection of indigeneous persons of the State with former Chief Election Comissioner, Shri Hari Shankar Brahma told reporters in Guwahati today that the Committee was constituted on February 6, for suggesting measures including

modification in the Land Revenue Regulation 1986 and other Govt.policy and land policy for ensuring protection of the Land Rights of the indigenous people of Assam. The committee which took charge as a time frame of 3 months to submit its report and will be provided all necessary assistance by the Revenue & Disaster Management Department, he said, when asked. This is the most important part of his statement. সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিলে । তেওঁক সোধা হৈছিল,who would be considered as the indigenous people in the event of the Assam Assembly yet to decide them such people. অসম এচেম্বলিয়ে এতিয়ালৈকে কোনো সিদ্ধান্ত নোলোৱাৰ সময়ত আপুনি কোন সকল লোকক অসমৰ খিলঞ্জীয়া লোক বুলি ক'ব ?

Brahma said,"Those people born and brought up in Assam before March,1971 as per the Assam Accord, are Indian citizens and would be considered as indigenous people এইটো কৈছে তেখেতে Feb.28,2017.এইখিনি কথাও মই আপোনালোকক জনাই থলো। এতিয়া মই আগতেও কৈছো যে, এই প্ৰস্তাৱটো ইতিমধ্যে ইয়াত পাছ হৈছে, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** পাছ হোৱা নাই। প্ৰস্তাৱটো উত্থাপিত হৈছিল।

**শ্ৰী পবীন্দ্ৰ ডেকা,পাটাছাৰকুছি ঃ** Ratification হোৱা মানে পাছ। আগতে ইয়াত এই প্ৰস্তাৱটো আনিছে।

**মাননীয় অধ্যক্ষ ঃ** যদি আগৰ আছে তেনেহলে মই চোৱাৰ পাছত ক'ব পাৰিম।

**শ্ৰী পবীন্দ্ৰ ডেকা,পাটাছাৰকুছি ঃ** সংসদতো এই Ratification হৈছে। গতিকে মই ভাৱো এইটো প্ৰস্তাৱৰ নতুনকৈ অনাৰ কোনো প্ৰশ্ন নাই। এটা আলোচনা হ'ল। সকলোৱে অংশ ললে আৰু কেইবাজনো আমাৰ মাননীয় সদস্যই অংশ ল'ব। মই মাননীয় খালেক ডাঙৰীয়াক অনুৰোধ কৰিম যে, যিহেতু বিষয়টো ইতিমধ্যে হৈয়ে গৈছে, এই বিষয়টো গ্ৰহণ কৰাৰ প্ৰশ্নটো আহিব নালাগে। এইখিনি কৈ মই অধ্যক্ষ ডাঙৰীয়া আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জঃ** অধ্যক্ষ মহোদয়, মোৰ এটা কথা কবলগা আছিল। একমিনিট সময় দিব।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক পিছত সময় দিম । এতিয়া শ্ৰী তপন গগৈ।

**শ্ৰী তপন গগৈ,সোনাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ মজিয়াত "অসম বিধান সভাৰ পবিত্ৰ সদনে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহন কৰে যে কোনো কাৰণতে অসম চুক্তি বা অসম চুক্তিৰ ৬ নং দফাৰ কোনো ধৰণৰ সংশোধন হ'ব নালাগে। এনে সংশোধণৰ ফলত সমগ্ৰ চুক্তিখনকে অবমাননা কৰা হ'ব।" এই বিষয়টোৰ ওপৰত ইতিমধ্যে আলোচনা চলি আছে। বিভিন্ন জনে ইয়াত বক্তব্য ৰাখিছে। আমি প্ৰত্যেকে জানো যে, ১৯৭৯ চনৰ পৰা সমগ্ৰ অসমবাসী ৰাইজে সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অহিংসা পন্থাৰে ছটা বছৰ আন্দোলন নকৰাৰ ফলশ্ৰুতিত ১৯৮৫ চনত ১৪ আগষ্টৰ পুৱতি নিশা অৰ্থাৎ ১৫ আগষ্ট তাৰিখে এখন চুক্তি সাক্ষৰিত হ'ল আৰু সেই চুক্তিখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আজি ৩২ বছৰ পাৰ হৈ গ'ল। আমি প্ৰত্যেকেই এটা কথা জানো যে, ৮৫৫ জন আমাৰ মাজৰ পৰা হেৰাই গ'ল। হাজাৰ গৰাকী ধৰ্ষিতা হ'ল,

নিৰ্যাতিতা হ'ল, চিৰকালৰ কাৰণে পঙ্গু হ'ল, গুলীবিদ্ধ হ'ল। কিন্তু ছটা বছৰ অহিংসা পন্থাৰে আন্দোলন কৰাৰ ফলশ্ৰুতিৰে যি চুক্তি সাক্ষৰিত হ'ল,সেই চুক্তি সংসদৰ মজিয়ালৈ আৰু অসম বিধান সভাৰ মজিয়ালৈ আনি গণতান্ত্ৰিকভাৱে চৰকাৰ গঠন কৰি চুক্তিখন কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। তাৰ ফলশ্ৰুতিতে অসমত অসম গণ পৰিষদ দল গঠন হ'ল আৰু তেওঁলোকে চৰকাৰ গঠন কৰিলে। দহটা বছৰ তেওঁলোক অসমৰ শাসনত আছিল। তেতিয়াৰ পৰা আজিৰ তাৰিখলৈকে ৩২ বছৰে চুক্তিখনৰ কি কি দফা ই তিমধ্যে কাৰ্য্যকৰী কৰা হৈছে আমি সকলোৱে জানো। এটা কথা আমি প্ৰত্যেকে উপলব্ধি কৰিব লাগিব যে, ৮৫৫ জন শ্বহীদৰ তেজৰ বিনিময়ত যিখন চুক্তি স্বাক্ষৰিত হৈছে সেই চুক্তিখনৰ বিষয়ে আমি পুংখানুপুংখভাৱে আলোচনা কৰিব লাগিব যিটো পবীন্দ্ৰ ডেকা ডাঙৰীয়াই কৈছে। .১৯৮৫ চনৰ চুক্তিৰ পিছত কেন্দ্ৰীয় চৰকাৰ যিহেতুকে গৃহ দপ্তৰ হৈছে, ইয়াৰ Nodal Ministry ৰ চুক্তি অনুসৰি হিন্দু-বাংলাদেশৰ border seal কৰাৰ কথা আছিল। এই চুক্তি অনুসৰি অসমৰ পৰা অবৈধ বিদেশী চিনাক্তকৰণ কৰি বহিষ্কাৰ কৰাৰ কথা আছিল। এই চুক্তি অনুসৰি আমাৰ যিখিনি দফা আছিল এই দফা খিনি কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা আছিল। ইয়াত ৬ নং দফাৰ উল্লেখ কৰা হৈছে আৰু তাত ইতিমধ্যে কি কি আছে এই কথাখিনি কোৱা হৈছে। কিন্তু, এটা কথা আমি প্ৰত্যেকে উপলব্ধি কৰিব লাগিব যে চুক্তি কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে ৩২ টা বছৰে যেনে ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তেনেধৰণে কৰা নহ'ল। কাৰণ কেন্দ্ৰত বেছি সংখ্যক সময় কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰ চলি আছিল আৰু অসমতো বেছি সংখ্যক সময় কংগ্ৰেছে শাসন কৰি আছিল। কিন্তু এই ৩২ টা বছৰে ৮৫৫ জন শ্বহীদৰ তেজৰ বিনিময়ত এই চুক্তিখন স্বাক্ষৰিত হোৱাৰ পিছত কাৰ্যকৰী কৰিবৰ বাবে তেনেধৰণৰ ফলপ্ৰসূ ব্যৱস্থা কিন্তু গ্ৰহণ কৰা নহ'ল। ২০০৫ চনৰ ৫ মে' তাৰিখে প্ৰধান মন্ত্ৰী সহ ত্ৰিপাক্ষিক আলোচনা হৈছে। তাৰ আগৰ পৰ্যায়ত কেইবা বাৰো এইখিনি আলোচনা হৈছিল আৰু সেই আলোচনা মৰ্মে বিদেশী চিনাক্তকৰণ কৰি যি বহিষ্কাৰ কৰিব লাগে সেইখিনি কথা হোৱা নাই। কিন্তু পবিন্দ্ৰ ডেকো ডাঙৰীয়াই কোৱা এটা কথাত মই এইখিনিতে উনুকিয়াই দিব বিচাৰিছোঁ যে ১৯৮৬ চনত নাগৰিকত্ব সংশোধনী bill খন যেতিয়া প্ৰথমবাৰৰ বাবে সংসদত গৃহীত কৰা হৈছিল তেতিয়া অসমত অগপ চৰকাৰ আৰু কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ আছিল। গতিকে এই চুক্তিখন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেই ব্যৱস্থাখিনি কিয় কৰা নহ'ল? ১৯৭১ চন ভিত্তি বৰ্ষ হিচাপে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। Baghewala Report ত ইয়াৰ স্পষ্ট ভাৱে উল্লেখ আছে। কংগ্ৰেছ দলৰ সেই সময়ৰ অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়াই এক প্ৰচেষ্টা হাতত লৈছিল যে অসম চৰকাৰ, সদৌ অসম ছাত্ৰ সন্থা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত Clause 6 ৰ ওপৰত ত্ৰিপাক্ষিক আলোচনাৰ বাবে উপ-সমিতি আছিল। এই উপ-সমিতিত কেন্দ্ৰীয় চৰকাৰৰ Joint Secretary, (North East), Ministry of Home অধ্যক্ষ হিচাপে আছিল। কেন্দ্ৰীয় চৰকাৰৰ ৩ জন, অসম চৰকাৰৰ ৩ জন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ৩ জন মুঠ ৯ জনীয়া উপ-সমিতিয়ে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে যিবোৰ সিদ্ধান্ত Nodal Ministry লৈ যাব। সেই সিদ্ধান্ত অনুসৰি সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা কোৱা হৈছিল যে অসমত ১৯৭১ চনৰ পৰা অহা অবৈধ বাংলাদেশীৰ বোজা যিহেতুকে অসমবাসী ৰাইজে গ্ৰহণ কৰিলে, তাৰ কাৰণে আমাক কিছুমান সাংবিধানিক ৰক্ষাকৱচৰ দৰকাৰ আছে যিটো Clause 6ত উল্লেখ কৰা হৈছে। Clause 6 ত এইখিনি উল্লেখ কৰাৰ বিনিময়ত সেই সময়ৰ উপ-সমিতিৰ ভিত্তিত আমি বিচাৰিছিলো যে, "অসম চুক্তি মৰ্মে খিলঞ্জীয়া অসমীয়া মানুহৰ সাংবিধানিক

ৰক্ষাকৱচ দিয়াৰ দায়বদ্ধতা প্ৰধান মন্ত্ৰীয়ে দোহাৰিব লাগে।" অৰ্থাৎ, এই কথাখিনি কোৱাৰ পিছত ২০০৫ চনৰ মে' মাহৰ ৫ তাৰিখে সেই সময়ৰ প্ৰধান মন্ত্ৰী আৰু অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী সকলোৰে উপস্থিতিত ত্ৰিপাক্ষিক আলোচনা হৈছিল, সেই আলোচনাত এই কথাবোৰ উত্থাপন কৰা হৈছিল। তাত কোৱা হৈছিল যে, "অসম চুক্তি মৰ্মে খিলঞ্জীয়া অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষা কৱচ দিয়াৰ দায়বদ্ধতা প্ৰধান মন্ত্ৰীয়ে দোহাৰে । ত্ৰিপাক্ষিক উপ-সমিতিয়ে সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত আলোচনা আৰম্ভ কৰিব, অসম চুক্তিৰ ৬ নং দফা অনুসৰি খিলঞ্জীয়া অসমীয়া মানুহৰ বাবে সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত ছাত্ৰ সন্থা আৰু ৰাজ্য চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ওপৰত প্ৰয়োজনীয় সিদ্ধান্ত ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিবৰ অধ্যক্ষতাত কেন্দ্ৰীয় চৰকাৰৰ ৩ জন, অসম চৰকাৰৰ ৩ জন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ৩ জন সদস্যৰে ত্ৰিপাক্ষিক উপ-সমিতি গঠন হৈছিল। সৌভাগ্যৰ বিষয় যে মই সেই উপ-সমিতিৰ এগৰাকী সদস্য হিচাপে নিজে তাত উপস্থিত আছিলো। উল্লেখযোগ্য যে, ছাত্ৰ সন্থাই অসম চুক্তিৰ ৬ নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ হিচাপে কেতবোৰ দাবী উত্থাপন কৰিছে- "স্থানীয় নিকায় বিধান সভাৰ সাংসদৰ ১০০% অসমৰ খিলঞ্জীয়া মানুহৰ বাবে আসন সংৰক্ষণ, অসমৰ কেৱল খিলঞ্জীয়া অসমীয়া মানুহৰ হাতত মাটিৰ অধিকাৰ প্ৰদান, ভূমি আৰু সম্পদৰ ওপৰত অধিকাৰ, অসমক বিশেষ সাংবিধানিক মৰ্যাদা প্ৰদান, দ্বি-নাগৰিকত্ব, Inner line ব্যৱস্থাৰ প্ৰৱৰ্তন, অসমৰ সত্ৰ সমূহৰ সংৰক্ষণ আৰু উন্নয়ন, বুৰঞ্জী-প্ৰসিদ্ধ স্থান আৰু কীৰ্তিচিহ্ন সমূহৰ সংৰক্ষণ, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়ত ১০০%, অসম তথা উত্তৰ-পূৰ্বাঞ্চলত নিবনুৱা যুৱক-যুৱতীক মকৰল কৰা ইত্যাদিকে ধৰি বিভিন্ন পৰামৰ্শ ছাত্ৰ সন্থাই সেই সময়ত আগ বঢ়াইছিল। আমি আৰু এটা বিষয়ত পৰামৰ্শ আগ বঢ়াইছো, সেইটো হ'ল- অসমৰ বানপানী আৰু গৰা-খহনীয়া সমস্যাক প্ৰধান মন্ত্ৰীয়ে 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰিব লাগে আৰু আজি ইয়াত উপস্থিত থকা সকলে জানি ভাল পাব যে সেই আলোচনাত এই বিষয়টো যে কোনোধৰণে মনিটৰিং নকৰিলে, কাৰ্যকৰী নকৰিলে তাৰেই এটা উদাহৰণ মই দিব বিচাৰিছো। কংগ্ৰেছ চৰকাৰে সেই সময়ত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। ২০০৫ চনৰ ১৯ মে' তাৰিখে অসমত কংগ্ৰেছ চৰকাৰে বাতৰি কাকতৰ বিজ্ঞাপনৰ জৰিয়তে প্ৰকাশ কৰা বক্তব্য-"বিকশিতঅসমৰ লক্ষ্য। চাৰিটা গৌৰৱময় বছৰ। ঐতিহাসিক অসম চুক্তিৰ পূৰ্ণ ৰূপায়ণ আৰু অসমৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰাৰ অৰ্থে, অসম চুক্তিক স্বাক্ষৰ প্ৰদান উদ্যোক্তা প্ৰাক্তন প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীৰ সপোন বাস্তৱায়িত কৰিবলৈ সুদীৰ্ঘ ১৬ বছৰৰ মূৰত কেন্দ্ৰৰ UPA চৰকাৰৰ অধ্যক্ষতাত শ্ৰী মতী ছোনিয়া গান্ধীৰ আসনৰ অসমৰ প্ৰতি থকা সদ্ ইচ্চাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ প্ৰচেষ্টাত যোৱা ৫ মে'ত নতুন দিল্লীত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়।" এই বিজ্ঞাপন অসম চৰকাৰে দিছে। তাত উল্লেখ কৰিছিল যে-"স্বাধীনতাৰ পিছত সুদীৰ্ঘ ৫৭ বছৰে অসমবাসী অপূৰ্ণ হৈ থকাৰ দাবী, বান আৰু গৰা-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়া হয়।" এই কথাটো আমি কোৱা নাছিলো, এই কথাটো কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে কৈছিল । অসম চৰকাৰৰ জন সংযোগ বিভাগৰ তৰফৰ পৰা এই বিজ্ঞাপন বাতৰি কাকতত প্ৰকাশ কৰা হৈছিল। অসম চৰকাৰে সেই সময়ত যি মিছা বাতৰি প্ৰকাশ কৰিছিল তাৰ পৰা কংগ্ৰেছে আজিৰ তাৰিখতো পৰিত্ৰাণ পাব নোৱাৰে। এই কথাটো মই এইখিনিতে উল্লেখ কৰি থ'লো। আমি ৬ নং দফা অনুসৰি এইখিনি এই কাৰণে বিচাৰিছো কাৰণ ১৯৭১ চনলৈ আমি ইতিমধ্যে অবৈধ বাংলাদেশীৰ বোজা কঢ়িয়ালো আৰু সেই কাৰণে আমি ৬ নং দফা অনুসৰি অসমীয়া মানুহৰ বাবে সাংবিধানিক ৰক্ষাকৱচ আমাক লাগে। ২০১০ চনৰ ১০ এপ্ৰিল তাৰিখৰ আগতে কেন্দ্ৰীয় চৰকাৰ,

অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰসন্থাৰ যি ত্ৰিপাক্ষিক আলোচনা হৈছিল, সেই ত্ৰিপাক্ষিক উপ-সমিতিৰ আলোচনাত সেই সময়ত Joint Secretary, (North East), Ministry of Home, Mr. G.K Pillai ডাঙৰীয়া আছিল। তাত আলোচনা হোৱাৰ পিছত ২০১০ চনৰ ১০ এপ্ৰিল তাৰিখে সিদ্ধান্ত হ'ল যে, অসমত অসমীয়া মানুহৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে কৰিব। এতিয়া কথা হ'ল যে, আসন সংৰক্ষণ কোনখিনি মানুহক দিব? অসমীয়া মানুহক। আৰু এতিয়া প্ৰশ্ন হয় যে অসমীয়া কোন? এনে অৱস্থাত অসমীয়াৰ সংজ্ঞাৰ প্ৰয়োজন হ'ব আৰু সেই অসমীয়াৰ সংজ্ঞা যেতিয়া কেন্দ্ৰীয় চৰকাৰে কি হ'ব বুলি ঠিক কৰি দিবলৈ ক'লে, সেই সময়ত তেতিয়া অসম চৰকাৰ তথা সদৌ অসম ছাত্ৰ সন্থাই বিভিন্ন জন যেনে- বুৰঞ্জীবিদ, নৃতত্ববিদ আৰু অসমৰ বিভিন্ন বিজ্ঞ ব্যক্তিৰ লগত কথা পাতিছিল আৰু তেওঁলোকৰ তৰফৰ পৰা তেতিয়া কেইবাটাও পৰামৰ্শ আহিছিল। ১৮২৬ চনৰ এটা পৰামৰ্শ আহিছিল যিটো আজিৰ তাৰিখত সম্ভৱ নহয়। ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱা তাৰিখটোৰ কথাও আহিছিল, যিটো আজিৰ তাৰিখত সম্ভৱ নহয়। আকৌ ১৯৫০ চনৰ কথা আৰু শেষত ১৯৫১ চনৰ এটা পৰামৰ্শ আহিছিল। ভাৰতবৰ্ষৰ ভিতৰতে কেৱল অসমতে ১৯৫১ চনত প্ৰথম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰা হৈছিল। সেই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ওপৰত ভিত্তি কৰি অসমীয়া মানুহক সাংবিধানিক ৰক্ষা-কৱচ দিবলৈ বিভিন্নজনে পৰামৰ্শ আগবঢ়াইছিল। কেন্দ্ৰীয় চৰকাৰৰ উপ-সমিতিৰ ওচৰত আমি দাখিল কৰিছিলো যে ১৯৫১ চনত যি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আছে, সেই নাগৰিক পঞ্জীত যি সকলো ধৰ্ম, জাতি জনগোষ্ঠীৰ নাম আছে আৰু সেই সকলো সতি- সন্ততিক অসমীয়া হিচাপে স্বীকৃতি দিব লাগে। এই গোটেই কথাখিনি এটা কাৰণতে কৰিব লাগে যে অসমীয়া হিচাপে যিটো সংজ্ঞা নিৰূপণ হ'ব, এই সংজ্ঞাটো কেৱল Seat Reservation ৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু তেতিয়া কোৱা হৈছিল যে, অসম চৰকাৰৰ পৰা এটা প্ৰতিবেদন দিব লাগিব যে, অসমীয়া কোন? অসম চৰকাৰে তেতিয়া বিভিন্ন জনৰ লগতে ৰাজনৈতিক দল, বিভিন্ন সংগঠন আৰু ৫৩ টা সংগঠনৰ লগত কথা পাতি অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়াই আমাক তালৈ নিমন্ত্ৰণ জনাইছিল। আমি সকলোৱে তাত অংশগ্ৰহণ কৰিছিলো। সকলোৱে অংশগ্ৰহণত বিভিন্ন কথা তাত উল্লেখ কৰা হৈছিল আৰু এই কথা ওপৰত ভিত্তি কৰিয়েই কোৱা অতি গুৰুত্বপূৰ্ণ কথাটো হৈছে যে ১৯৫১, অৰ্থাৎ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী পঞ্জীয়ন কৰা হৈছিল কেৱল অসমত আৰু সেই কাৰণে এই গোটেই কথাখিনিৰ ওপৰত ভিত্তি কৰি ৩১-০৩-২০১৫ তাৰিখে অসম বিধান সভাৰ মজিয়াত আমি ভাৱিছিলোঁ যে সকলোৱে মিলি কথাবিলাক, ৰাইজৰ লগত হোৱা কথাবিলাক, সিদ্ধান্ত বিলাক অসম বিধান সভাৰ মজিয়াত অধ্যক্ষ ডাঙৰীয়াই উত্থাপন কৰিছে আৰু সেই সিদ্ধান্তটো অসম বিধান সভাৰ মজিয়াত কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু দুভাৰ্গ্যৰ বিষয় যে ২০১৫ ৰ ৩১ মাৰ্চত অসম বিধান সভাৰ মজিয়াত অধ্যক্ষ শ্ৰী প্ৰণৱ গগৈ ডাঙৰীয়াই অসমীয়া সংজ্ঞাৰ ওপৰত যিটো কথা উল্লেখ কৰিছিল, তাত কংগ্ৰেছ দলৰ তৰফৰ পৰা বিৰোধীতা কৰা হৈছিল। উত্থাপন কৰাৰ ক্ষেত্ৰত ...........................

( পূৰ্ব নিৰ্দ্ধাৰিত সময় ২ বজাৰ লগে লগে সদনত সংকেত ধ্বনি বাজি উঠে যদিও মাননীয় অধ্যক্ষ ডাঙৰীয়াই এক মিনিট সময় লয়)

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো কথা এতিয়া ক'লে আমি সেইখিনি আপোনালৈ পঠিয়াই দিম যাতে পিছত আপুনি কওঁতে সুবিধা হয়। অহা ২৩ ফেব্ৰুৱাৰীত আমাৰ private members day ত এইটো আকৌ উত্থাপন হ'ব। মই আপোনালোকক কৈছো ২৩ ফেব্ৰুৱাৰীত তেখেতৰ পিছত ক'বলৈ পাব। আপোনালোক যিসকলৰ নাম আছে মই চাম accommodate কৰিবৰ

কাৰণে চেষ্টা কৰিম। মই শ্ৰীতপন গগৈক ক'লো যে আপুনি যিখিনি ক'লে কাৰণ যোৰাবাৰো আপোনাক একমিনিট কোৱাৰ পিছতে বন্ধ কৰিব লগীয়া হ'ল। এইবাৰ যাতে এইটো নহয়। আপুনি কথাখিনি যেন ক'ব পাৰে।

**এতিয়া সদন ১৫-০২-২০১৮ তাৰিখ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।**